
# জানি থোৱা ভাল




শ্ৰীউমেশ কলিতা বৈষ্ণৱ

ওঁ

তৎ সৎ

# জানি থোৱা ভাল



শ্ৰীউমেশ কলিতা বৈষ্ণৱ

প্ৰকাশক—
শ্ৰীউমেশ কলিতা বৈষ্ণৱ
গাওঁ—বাউসী, তেতেলীয়া
ডাকঘৰ—মনাহকুছি
পিন নং—৭৮১১০৪
কামৰূপ : অসম।

৩ মাঘ "কূৰ্ম্ম দ্বাদশী"
১৮ জানুৱাৰী, ২০০০ ইং চন।

মূল্য— ১২.০০ টকা

মুদ্ৰক : জয়া প্ৰিন্টাৰ্চ, হাজো
ফোন নং— ৮২২১০
কামৰূপ : অসম।

## :: ভক্তি অঞ্জলি ::

যিজনাই ধৰ্ম গ্ৰন্থ অধ্যয়ন আৰু সেইবোৰৰ মাজত থকা সাৰগৰ্ভ সজ কথাবোৰ টুকি ৰাখি মানি চলিবলৈ সততে উদ্‌গনি দিছিল সেই পৰম শ্ৰদ্ধেয় সৰু পিতা পৰলোকপ্ৰাপ্ত ৺ অমৃত চন্দ্ৰ ডেকাদেৱ আৰু স্নেহশীলা সৰু মা শ্ৰীলাৱণ্য প্ৰভা ডেকা দেৱীৰ শ্ৰীচৰণত ভক্তি তৰ্পণ সূচক কৃতজ্ঞতাৰ চিন স্বৰূপে "জানি থোৱা ভাল" পুথিখনি উছৰ্গা কৰিলোঁ।

সেৱক
উমেশ

## ঃ বিষয় সূচী ঃ

১। সানমিহলি— ১
২। থোৰতে— ৩১
৩। মানি চলা ভাল— ৪৩
৪। সংখ্যা বিচাৰ— ৫১
৫। প্ৰতি শব্দ জ্ঞান— ৭২
৬। শব্দাৰ্থ— ৭৬

# পূৰ্বাভাষ

ড° ছেমুৱেল জনহ্ছনে কৈছে— "মানুহে নিতৌ ন ন কথা শিকি থকাতকৈ আগতে শিকা কথাবোৰ নতুনকৈ মনত পেলাই থাকিবলৈ চেষ্টা কৰাটো বেছি দৰকাৰী"। এই মহান উক্তিটো সাৰোগত কৰি কিশোৰ কালৰ পৰাই ধৰ্মীয় কিতাপ কিনা আৰু সেইবোৰ চুহি চুহি আৰু চোবাই চোবাই জীৰ্ণ কৰিব নোৱাৰাখিনি টোকা বহীত টুকি সযতনে সাঁচি ৰখা অভ্যাস কৰিছিলো। সৰু সৰু অথচ ভত্বগধুৰ কথাবোৰ বুটলি ফুৰা আনন্দবোৰ ছাত্ৰ অৱস্থাৰ স্বভাৱ আছিল। মই সততে উপলব্ধি কৰিছিলো যে মানৱ মনৰ সীমাহীন কৌতূহল চৰিতাৰ্থ কৰিবলৈ হ'লে একমাত্ৰ সম্বল হ'ল কিতাপ পঢ়া।

মৌ মাখিয়ে নানা তৰহৰ ফুলৰ পৰা প্ৰকৃতিয়ে তৈয়াৰ কৰি থোৱা মৌ সংগ্ৰহ কৰি আনি মৌচাক বনায়। অমৃতৰ ভাণ্ডাৰ হয়। তেনেদৰে আমিও বিভিন্ন নীতিমূলক কিতাপ, ধৰ্মীয় গ্ৰন্থ আৰু সংহিতা সমূহ অধ্যয়ন কৰোতে সেই মহান ধৰ্মগুৰু তথা সাহিত্যিক সকলৰ লিখনীৰ পৰা সংগ্ৰহ কৰি থোৱা সাৰ ভাগ দহৰ উপকাৰত আহিব বুলি কিতাপ আকাৰে ছপা কৰাৰ প্ৰয়াস কৰিলো। মৌ মাখিৰ দৰে আমাৰো শ্ৰম-খিনিৰ বাহিৰে নিজস্ব বুলিবলগীয়া বিশেষ নাই।

পুথি খনত সন্নিবিষ্ট 'মানি চলা ভাল' ভাগটি পঢ়ুৱৈ সমাজৰ বিশেষ উপকাৰত আহিব বুলি আশা ৰাখিছো।

কিতাপখন লিখিবলৈ সততে উদ্গনি দি থকা বাবে প্ৰাচীন কামৰূপ ভকত সন্মিলনীৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীধীৰেশ্বৰ মহন্ত আৰু কুমাৰী-কাটা নিবাসী বন্ধুবৰ শ্ৰীফণীধৰ লহকৰ দেৱৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিলো।

দমদমা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীকৰেন্দ্ৰ চন্দ্ৰ তালুকদাৰদেৱে পাণ্ডুলিপিটো চাই কিতাপখন ছপা কৰিবলৈ উৎসাহ দিয়া বাবে আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। জয়া প্ৰিণ্টাচৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দলৈ ধন্যবাদ যাচিলোঁ।

পুথিখনত অজ্ঞাত ভাবে ৰৈ যোৱা ভুল ত্ৰুটিৰ বাবে পঢ়ুৱৈ সমাজৰ ওচৰত ক্ষমা ভিক্ষা মাগিলোঁ। সুধী সমাজে কিতাপখন সহানুভূতিৰে চালে পৰন কৃতাৰ্থ হ'ম। ইতি

কৃপাপ্ৰাৰ্থী
শ্ৰীউমেশ কলিতা বৈষ্ণৱ

মৰ অৰ্থ–

ভগৱান— ভগ্ ধাতু বতুপ্ প্ৰত্যয় > ভগবৎ প্ৰথমাৰ একবচনত গৱান্। ভগ্ শব্দৰ অৰ্থ ঐশ্বৰ্য্য বা বিভুতি। সমগ্ৰ ঐশ্বৰ্য্য, ধৰ্ম, শ, শ্ৰী, জ্ঞান আৰু বৈৰাগ্য এই ৬ টাক ভগ্ বোলে। এই ৬ টা ক্ষণ যাৰ মাজত দেখা যায় তেওঁ ভগৱান। অৰ্থাৎ যি সকলো শ্বৰ্য্যৰ অধিশ্বৰ। যি জনাৰ মহিমাৰ দ্বাৰাই বিশ্বব্ৰহ্মাণ্ড চলি আছে, যি অতিশয় মহিমামণ্ডিত তেওঁ ভগৱান।

ব্ৰহ্মা— ব্ৰহ্ম মানে বৃহৎ। বিশ্ব ব্ৰহ্মাণ্ডৰ ভিতৰত যিজনা সবাতকৈ তাঙৰ তেওঁ ব্ৰহ্ম।

ঈশ্বৰ— ( ঈশ্ + বৰচ্ ) ঈশ শাসন কৰা। যিয়ে বিশ্ব ব্ৰহ্মাণ্ডৰ সক- বৰ সকলোকে শাসন কৰি আছে তেওঁ ঈশ্বৰ।

নাৰায়ণ— (ক) নাৰা-পানী, অয়ন বাট। ঈশ্বৰে প্ৰথমে জলৰ সৃষ্টি কৰি তাৰ ওপৰতে প্ৰকাশিত হৈ জগতবাসীক মুক্তিৰ পথ দেখুৱাইছিল বাবে তেওঁ নাৰায়ণ।

(খ) মনুসংহিতাৰ মতে— নৰ অৰ্থাৎ পৰমাত্মাৰ পৰা প্ৰথমে জলৰ সৃষ্টি হৈছে। এই হেতু জলক নাৰ বোলে। এই নাৰতে (জলতে) নৰৰ (অৰ্থাৎ পৰমাত্মাৰ) সৰ্ব্ব প্ৰথম শয়ন হেতুকে পৰমাত্মাক নাৰায়ণ বোলে।

কৃষ্ণ— কৰ্ষয়তি ইতি কৃষ্ণ। যিজনে আকৰ্ষণ কৰে। কৃষ মানে পৃথিৱী। ণ আখৰ নিবৃত্তি আনন্দত প্ৰয়োগ হয়। যাৰ নাম ললে মনুষ্যই প্ৰবৃত্তি মাৰ্গৰ পৰা নিবৃত্তি মাৰ্গলৈ গতি কৰি পৃথিৱীত বিমল আনন্দ পাব পাৰে তেওঁ কৃষ্ণ।

মাধৱ— মা-লক্ষ্মী, ধৱ-স্বামী। লক্ষ্মীৰ স্বামী বাবে তেওঁ মাধৱ।

বিষ্ণু— বিশ্-প্ৰৱেশ কৰা। যিজনে বিশ্ব ব্ৰহ্মাণ্ডৰ সৰু-বৰ সকলোতে প্ৰৱেশ কৰি আছে তেওঁ বিষ্ণু।

হৰি—হৰি (হৃ+ইন্) হৰণ কৰ্ত্তা। জগতৰ সকলো দুখ-কষ্ট বিপদ-বিঘিনি যিয়ে হৰণ কৰিব পাৰে তেওঁ হৰি।

ৰাম— ৰম-ক্ৰীড়া কৰা। ৰোমাঞ্চিত কৰা। ৰমণ কৰা। যাৰ নাম বা দৰ্শনে মানুহৰ দেহত ৰমণ কৰি ৰোমাঞ্চিত কৰে তেওঁ ৰাম।

অধ্যায়— (গীতা) ইয়াৰ দ্বাৰাই ধ্যান কৰা হয়। ইয়াত ঈশ্বৰক আৰাধনা কৰাৰ বিভিন্ন পথ নানা অধ্যায়ত দেখুৱা হৈছে।

স্কন্ধ— (ভাগৱত) ক (মূৰ)+ধা, ধৰ্। যত মূল বস্তু অৱস্থান। ইয়াৰ মূল বস্তু ভগৱান। গোটেই ভাগৱততে ভগৱান শ্ৰীকৃষ্ণৰ লীলা মাহাত্ম্য বৰ্ণোৱা হৈছে। বিভিন্ন ভক্তিত ভগৱান কেনেকৈ সন্তুষ্ট হৈছে তাক প্ৰত্যেক স্কন্ধতে আলোচনা কৰা হৈছে।

পৰ্ব্ব— (মহাভাৰত) পৰ্ব্ব মানে গতি কৰা, পাব, অংশ বিশেষ। মহাভাৰতৰ বিভিন্ন ঘটনা আৰু চৰিত্ৰৰ কথা আলোচনা কৰিলে ইটো পৰ্ব্বৰ পৰা সিটো পৰ্ব্বলৈ বক্তা আৰু শ্ৰোতাৰ মন ধাবিত কৰে।

কাণ্ড— (ৰামায়ণ) কাণ্ড মানে গা গছ বা তাৰ অংশ। ৰামায়ণত গা গছ স্বৰূপ ৰামৰ কথা আলোচনা কৰা হৈছে। এই গা গছৰ বিভিন্ন কাণ্ডৰ কথা বিভিন্ন অংশত কোৱা হৈছে।

বল্লী— (কঠোপণিষদ) বল্লীমানে লতা। ভগৱান ৰূপ গছত বগাই থকা মায়া স্বৰূপ লতাৰ আগ-গোৰ বিছৰাৰ দ্বাৰাই ভগৱানৰ বিচাৰ বিভিন্ন অংশত কৰা হৈছে। সেই বাবে ইয়াৰ অংশ বিলাকক বল্লী বোলে।

শ্ৰীমদ্ভাগৱত সংহিতাত আছে— কপিল মুনিয়ে মাতৃ দেৱহুতিক, সনাকাদিয়ে পৃথুক, শংকৰে প্ৰচেতা গণক, ঋষভে পুত্ৰত, জড়ভৰতে বহুগন ৰজাক, প্ৰহ্লাদে দৈত্য শিশু সকলক, যোগেশ্বৰে জনকক,

দত্তাত্ৰয়ে যদুক; শ্ৰীকৃষ্ণই উদ্ধৱক, বসুদেৱে গোপীসকলক, নাৰদে ধ্ৰুৱক আৰু প্ৰাচীন বৰ্হি ৰজাক, শুকে পৰীক্ষিতক আৰু সূতে শৌনক আদি মুনি সকলক ভাগৱত ধৰ্মৰ উপদেশ দিছিল।

**ভগৱানৰ যুগ উপদেশ—** ভগৱানে সত্যযুগত শ্বেতবৰ্ণ ধাৰণ কৰি ধ্যানৰ উপদেশ, ত্ৰেতাযুগত ৰক্ত বৰ্ণ ধাৰণ কৰি যজ্ঞৰ উপদেশ, দ্বাপৰত পীতবৰ্ণ ধাৰণ কৰি পূজাৰ উপদেশ আৰু কলিৰ আদ্যত কৃষ্ণবৰ্ণ ধাৰণ কৰি একমাত্ৰ হৰি নাম কীৰ্ত্তনৰ উপদেশ দি গৈছে।

**ৰুদ্ৰাক্ষৰ উৎপত্তি—** ত্ৰিপুৰা সুৰক বধকৰা সময়ত ক্লান্ত হোৱা মহাদেৱৰ দুচকুৰ পৰা চকুপানীৰ টোপালবোৰ মাটিত পৰিছিল। তাৰ পৰাই পৃথিৱীত ৰুদ্ৰাক্ষৰ জন্ম হয়। এক মুখৰ পৰা চৈধ্য মুখৰ পৰ্য্যন্ত ৰুদ্ৰাক্ষ পোৱা যায়। সাধাৰণতে শিৱভক্ত সকলে ইয়াৰ মালা পৰিধান কৰা দেখা যায়। শিৱ পুৰাণৰ মতে একমুখী ৰুদ্ৰাক্ষই জয়লাভ, দ্বিমুখীয়ে অগ্নিভয়, ত্ৰিমুখীয়ে অস্ত্ৰাঘাতাদি ভয়, চতুৰ্মুখীয়ে চৌৰ্যাভয়, পঞ্চমুখীয়ে সকলো দুখ দুৰ্গতি নাশ কৰে। মহন্ত ভকত সম্প্ৰদায়ৰ ৰুদ্ৰাক্ষৰ মালা পৰিধান অপৰিহাৰ্য্য।

**মহাপ্ৰভু জগন্নাথ মন্দিৰৰ ধ্বজা—** প্ৰতি দিনে কোনো নহয় কোনো ভক্তই নিজৰ মনোবাঞ্ছা পূৰণৰ বাবে ধ্বজাৰ কাপোৰ দান কৰে। উত্তোলন খৰচ দিলে পাণ্ডাই সন্ধিয়া ৫ বজাৰ পৰা সাত বজাৰ ভিতৰত পতাকা তুলি দিয়ে। সন্ধিয়া পতাকা উত্তোলনৰ পিছতহে মন্দিৰত আৰতি কৰা হয়। একাধিক দাতা হ'লে একাধিক পতাকা উৰুৱা হয়। সেই বাবে পতাকা ছুটী, দীঘল আৰু নানা ৰঙৰ দেখা যায়। মন্দিৰৰ উচ্চতা ১৯২ ফুট।

**জগন্নাথ প্ৰভুৰ মূৰ্ত্তি সমাধি—** কোনো বছৰৰ আহাৰ মাহত যদি দুটা অমাবস্যা হয়। তেনেহলে সেইটো মলমাস (অশুচি মাহ) ধৰা হয়। তেতিয়া জগন্নাথ প্ৰভুৰ পুৰণা মূৰ্ত্তিটো সমাধি কৰি নতুন মূৰ্ত্তি

স্থাপন কৰা হয়। মলমাসত কোনো শুভকৰ্ম সম্পাদিত নহয়। মূৰ্ত্তি ভস্ম কৰা চাই বোৰ বিক্ৰী কৰা হয় আৰু ইয়াক পবিত্ৰ জ্ঞান কৰি ভক্ত সকলে ক্ৰয় কৰে। মলমাহত শ্ৰাদ্ধ আদি দেৱ কাৰ্য্যও নিষ্ফল হয়।

**মহাভাগৱত পৃথিৱীত তিনি ধাৰাৰে ব্যক্ত হয়—** ১। নাৰায়ণে ব্ৰহ্মাক, ব্ৰহ্মাই নাৰদক, নাৰদে ব্যাসক, ব্যাসে শুকক আৰু শুকে পৰীক্ষিতৰ আগত গঙ্গাৰ পাৰত ভাগৱত ব্যাখ্যা কৰে। সেই সভাতে উপস্থিত থকা উগ্ৰশ্ৰৱা সূতে শুনি নৈমিষাৰণ্যত সৌনক আদি ২৮ হাজাৰ ঋষিৰ আগত ব্যাখ্যা কৰিছিল।

২। অনন্তই চাৰি সিদ্ধক, চাৰি সিদ্ধই সাংখ্যয়ন মুনিক, সাংখ্যয়নে পৰাশৰ মুনিক, পৰাশৰে মৈত্ৰয়ী মুনিক আৰু মৈত্ৰয়ীয়ে বিদুৰৰ আগত ভাগৱত ব্যাখ্যা কৰে।

৩। শিৱই নাৰদক, নাৰদে সৌনকত, সৌনকে বৈশম্পায়নক, বৈশম্পায়ণে জৈমিনিত ভাগৱত ব্যাখ্যা কৰে।

**শ্ৰেষ্ঠ গৃহাশ্ৰম—** ব্ৰহ্মচাৰী, বানপ্ৰস্থ আৰু ভিক্ষু এই তিনি আশ্ৰম বাসী সদায় বৈদিক জ্ঞান আৰু অন্নৰে গৃহস্থৰ দ্বাৰাই উপকৃত হয়। তদুপৰি ঋষি সকল, পিতৃসকল, দেৱতা সকল, ভূতাদি আৰু অতিথি সকল এই আটায়ে গৃহস্থৰ পৰা নিজ নিজ বস্তু পাবলৈ বাঞ্চা কৰে। সেইবাবে গৃহস্থাশ্ৰম সকলোবোৰ আশ্ৰমৰ ভিতৰত শ্ৰেষ্ঠ।

**একাদশী পালনৰ ফল—** সূৰ্য্য উদয়ৰ ১ ঘণ্টা ৩৪ মিনিটৰ ভিতৰত যদি দশমী স্পৰ্ষ কৰে কিন্তু একাদশী সম্পূৰ্ণই থাকে তথাপিতো এই একাদশী পালন কৰাটো অশুদ্ধ। দ্বাদশী যুক্ত একাদশী পালন কৰাটোহে বৈষ্ণৱ ব্ৰত। গান্ধাৰীয়ে দশমীযুক্ত একাদশী পালন কৰিছিল বাবে পুত্ৰৰ অমঙ্গল হৈছিল। কিন্তু কুন্তীয়ে দ্বাদশী যুক্ত একাদশীহে পালন কৰিছিল।

**ভাগৱত পাঠৰ মাহাত্ম্য—** ১। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ প্ৰায় ৩০

বছৰ পিচত শুকদেৱে ভাদ্ৰ মাহৰ শুক্লনৱমী তিথিত গঙ্গাৰ পাৰত মহাভক্ত পৰীক্ষিতক সপ্তাহজুৰি নিয়মিত ভাগৱত পাঠ শুনোৱাৰ ফলত মৃত্যুৰ পিচত বৈকুণ্ঠত স্থান পাইছিল।

২। ইয়াৰ ২০০ বছৰ পিচত মহামুনি গোকৰ্ণই আহাৰ মাহৰ শুক্ল-নৱমী তিথিত মহাপাপী প্ৰেত শৰীৰাই ধন্দুকাৰীক সপ্তাহ নিয়মে ভাগৱত শ্ৰৱণ কৰাই পেতত্ব মুক্তি কৰাইছিল।

৩। দেৱৰ্ষি নাৰদে সনকাদি চাৰি সিদ্ধৰ দ্বাৰাই সপ্তাহ নিয়মে ভাগৱত পাঠ কৰোৱাই জ্ঞান আৰু বৈৰাগ্যক অকাল বাৰ্দ্ধক্যৰ পৰা মুক্ত কৰাইছিল আৰু ভগৱন্তৰ দৰ্শন লাভ কৰি মহা সংকীৰ্ত্তণ হৈছিল।

**সাতদিন ভাগৱত পাঠৰ নিয়ম—** পদ্ম পুৰাণৰ মতে প্ৰথম দিনা মনু আৰু মহৰ্ষি কৰ্দ্দম সংবাদলৈ, দ্বিতীয় দিনা ঋষভ আখ্যানলৈ, তৃতীয় দিনা সপ্তম স্কন্ধলৈ, চতুৰ্থ দিনা কৃষ্ণৰ আবিৰ্ভাবলৈ, পঞ্চম দিনা ৰুক্মিনীৰ বিবাহলৈ, ষষ্ঠ দিনা শ্ৰীহংসৰ আখ্যানলৈ আৰু সপ্তম দিনা দ্বাদশ স্কন্ধলৈ পঢ়ি শেষ কৰিব লাগে। এই নিয়মে পঢ়িলে মহা ফল লাভ হয়।

**চাতুৰ্ম্মাস্য ব্ৰত—** এই ব্ৰত চাৰি সময়ত পালন কৰা হয়।

১। আহাৰ মাহৰ শুক্লদ্বাদশীৰ পৰা কাতি মাহৰ শুক্লদ্বাদশীলৈকে
২। আহাৰৰ পূৰ্ণিমাৰ পৰা কাতিৰ পূৰ্ণিমালৈকে।
৩। আহাৰ-শাওণৰ সংক্ৰান্তিৰ পৰা কাতি-আঘোণৰ সংক্ৰান্তিলৈকে।
৪। আহিন-কাতি সংক্ৰান্তিত।

বিভিন্ন দ্ৰব্য ত্যাগ কৰি শান্তি লাভ কৰাই এই ব্ৰতৰ মুখ্য উদ্দেশ্য। এই ব্ৰতৰ সময়ত সকলো প্ৰকাৰ তেল ত্যাগে সৌন্দৰ্য্য বৃদ্ধি, গুৰ মিঠৈ ত্যাগে কণ্ঠস্বৰ মধুৰ, মিঠাতেল ত্যাগে শত্ৰুনাশ, মাটিৰ চৰুত ৰন্ধা খাদ্য ত্যাগে বংশ বৃদ্ধি, সিদ্ধ অন্ন ত্যাগে পাপ নাশ, মৌ আৰু মাংস বৰ্জনে নিৰোগী, তেজস্বী আৰু ঋষি তুল্য

কৰে। শাক ত্যাগে বহুপুত্ৰ লাভ, দধি, দুগ্ধ আৰু মাখন ত্যাগে গোলোক ধাম প্ৰাপ্ত, ভূমিত শয়নে বিষ্ণুৰ অনুচৰ, মৌনী হ'লে বাক্‌সিদ্ধ, পত্ৰত ভোজনে কুৰুক্ষেত্ৰ তীৰ্থৰ ফল, শিলৰ পাত্ৰত ভোজনে প্ৰয়াগ স্নানৰ সমান ফল, নখ দাড়ি ৰাখিলে গঙ্গাস্নানৰ ফল, তামোল, অতিভোজন আৰু ঘিউ ত্যাগে উত্তম লাৱণ্য দেহ, ফলহাৰ ত্যাগে বুদ্ধি বৃদ্ধি হয়। নমো নাৰায়ণ মন্ত্ৰ জপ কৰিলে অনাশন ব্ৰতৰ ফল, বিষ্ণুৰ চৰণ বন্দনা কৰিলে গো দানৰ সমান ফল হয়। এদিন এৰি এদিন ভোজন কৰিলে বিষ্ণুলোক প্ৰাপ্ত হয়। যোগাভ্যাসে মুক্ত হয়। এই ব্ৰত বিষ্ণুৰ অতীব প্ৰীতিকৰ।

**অগ্নিহোত্ৰ শ্ৰাদ্ধ**— হোম কৰ্ম। ই দুই প্ৰকাৰ। নিত্য আৰু কাম্য। ৰাতিপুৱা আৰু সন্ধ্যা সময়ত এই হোম কৰিব লাগে। ব্ৰাহ্মণৰ কাৰণে এই হোম অপৰিহাৰ্য্য। এই হোমত লগা দ্ৰব্য সমূহ হ'ল— দধি, দুগ্ধ, ঘৃত, যব, ওদন (অন্ন) তণ্ডুল, সোমৰস, মাংস, তৈল আৰু মাষ ( মাটি মাহ )।

**চান্দ্ৰায়ণ ব্ৰত**— এই ব্ৰত চাৰি প্ৰকাৰ। যথা পিপীলিকা মধ্য চান্দ্ৰায়ণ, যবমধ্য চান্দ্ৰায়ণ, যতি চান্দ্ৰায়ণ আৰু শিশু চান্দ্ৰায়ণ।

**পিপীলিকা মধ্য চান্দ্ৰায়ণ**— কৃষ্ণপ্ৰতিপদৰ দিনা ১৪ গৰাহ ভাত খাই প্ৰতি দিনে এগৰাহকৈ কমাই কমাই অমাৱস্যাৰ দিনা উপবাসে থাকিব লাগে। আকৌ শুক্ল প্ৰতিপদৰ দিনা মাত্ৰ ১ গৰাহ ভাত খাই প্ৰতি দিনে ১ গৰাহ কৈ বৃদ্ধি কৰি নি নি পূৰ্ণিমাৰ দিনা ১৫ গৰাহ অন্ন ভোজন কৰিব লাগে।

**যবমধ্য চান্দ্ৰায়ণ**— শুক্ল প্ৰতিপদৰ দিনা ১ গৰাহ অন্ন খাই প্ৰতি দিনে বৃদ্ধি কৰি নি নি পূৰ্ণিমাৰ দিনা ১৫ গৰাহ খাব আৰু কৃষ্ণ প্ৰতিপদৰ দিনা ১৪ গৰাহ অন্ন খাই প্ৰতি দিনে ১ গৰাহকৈ কমাই কমাই অমাৱস্যাৰ দিনা উপবাসে থাকিব।

যতি চান্দ্রায়ণ— দুপৰীয়া মাত্র ৮ গৰাহ অন্ন ভোজন কৰিলে যতি চান্দ্ৰায়ণ ব্ৰত পালন কৰা হয়।

শিশু চান্দ্রায়ণ— প্রাতঃ কালে ৪ গৰাহ অন্ন আৰু সূৰ্য্য অস্ত যোৱাৰ পিচত ৪ গৰাহ অন্ন ভোজন কৰিব লাগে।

সকলো প্রকাৰে চান্দ্রায়ণ ব্রত ১ মাহ কৰিব লাগে। লগতে ত্রিসন্ধ্যা স্নান কৰিব লাগে। তদুপৰি ব্রতধাৰীয়ে স্ত্রী সম্ভোগকে আদি কৰি সৰ্ব্ব প্রকাৰে সংযমত থাকিব লাগে। এই ব্রত কৰিলে মহাপাতক নাশ হয়।

নীতি বচন— ১০০ টা, কাম এৰি ভোজন কৰিব লাগে।

১০০০ টা কাম এৰি স্নান কৰিব লাগে।

১,০০০০০ (একলাখ) কাম এৰি দান কৰিব লাগে।

এককোটি কাম এৰি হৰি সেৱা কৰিব লাগে।

ওঠৰ অধ্যায়— গীতাৰ প্ৰথম ছয় অধ্যায় জ্ঞানী সাধকৰ প্ৰিয়, মাজৰ ছয় অধ্যায় কৰ্মীৰ উপযোগী, শেষৰ ছয় অধ্যায় ভকতৰ তৰণৰ কাৰণে।

গীতা শাস্ত্ৰ— গীতা শাস্ত্ৰ মুখ্যতঃ দুই ভাগত ভাগ কৰা হৈছে— মহাগীতা আৰু অনুগীতা। মহাগীতাৰ তত্ত্ব সমূহ শ্ৰীকৃষ্ণই অৰ্জুনক কুৰুক্ষেত্ৰ ৰণস্থলিত মমতা দূৰ কৰাৰ উদ্দেশ্যে শুনাইছিল আৰু অনুগীতা অহংভাৱ দূৰ কৰাৰ উদ্দেশ্যে যুদ্ধৰ শেষত শুনাইছিল।

মহাপুৰুষৰ ৩২ লক্ষণ—

পঞ্চ দীৰ্ঘ— চকু, গ্ৰীৱা, বাহু, নাষিকা, আঙুলি।

পঞ্চ সুক্ষ্ম— দৃষ্টি, অনুভৱ, চিন্তা, ভাৱ, গতি।

সপ্ত ৰক্ত— চকুৰ কোণ, ওঠ, দুই হাতৰ তলুৱা, দুই ভৰিৰ তলুৱা।

ছয় উন্নত— দুই স্কন্ধ, দুই স্তন, কপাল, ভ্ৰূদ্বয়।

ত্ৰি হ্ৰস্ব— কেকোৰা চুলি, জঙ্ঘা, গুল্ফ (গেকুৰা)

ত্ৰি গম্ভিৰ— বচন, গমন, নাভি।

ত্ৰি পৃথু (বহল)— বুকু, পিঠি, কাণ।

কংসৰ ৰাজ সভাত শ্ৰীকৃষ্ণৰ ভিন্ ভিন্ ৰূপ—

১। মাল যুজাৰুবোৰে— বজ্ৰৰ দৰে কঠিন দেহাৰে।

২। নাৰীগণে— মদন গোপাল মূৰ্ত্তিত।

৩। গোপাগণে— প্ৰাণ বন্ধু হিচাবে।

৪। দুষ্ট ৰজা বোৰে— শাস্তা হিচাবে।

৫। বসুদেৱ দৈৱকীয়ে— পুত্ৰ সুলভ দৃষ্টিৰে।

৬। যোগী সকলে— পৰম ব্ৰহ্মা স্বৰূপে।

৭। বৃষ্ণি বংশী বোৰে— কুলৰ দেৱতাৰূপে।

৮। কংসই— কালন্তক যম হিচাবে।

৯। অজ্ঞানী সকলে— নন্দৰ কুমাৰ হিচাবে।

১০। অন্য সভাসদে— নৰৰ শ্ৰেষ্ঠ মহাপুৰুষ হিচাবে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ নানা জাতি উপজাতিৰ শিষ্য সকল—গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, ভোটৰ দামোদৰ, কৃষ্ণৰাম, মিকিৰৰ নাৰায়ণ, কৈৱৰ্ত্তৰ পূৰ্ণানন্দ, মালীৰ মদিনা আতৈ, ধ্বজা আতৈ, কছাৰীৰ ৰাম আতৈ, মুছলমানৰ জয়হৰি ( চান খাঁ ) নমঃশূদ্ৰৰ শ্ৰীৰাম আতৈ, নেপালীৰ কাণীয়া আতৈ, বণিয়াৰ হৰি দাস আতৈ, কাৰ্বিৰ বলাই আতৈ, মিৰিৰ ভোলামিৰি।

যাত্ৰাৰ সময়ত মুখশুদ্ধি দ্ৰব্য— ৰবিবাৰে তামোল খাই, সোমবাৰে আইনা চাই, মঙ্গলবাৰে বগা সৰিয়হ মুখত লৈ, বুধবাৰে গুড় মিঠাই মুখত লৈ, বৃহস্পতিবাৰে ধনীয়া মুখত লৈ, শুক্ৰবাৰে ঘিউ বা মাখন বা গাখীৰ মুখত লৈ, শনিবাৰে মিঠাতেল আঙুলিত লৈ নাকত ঘঁহি যাত্ৰা কৰিলে সৰ্ব্বসিদ্ধি হয়।

ভাগৱতৰ ৫ম স্কন্ধত উল্লেখ থকামতে— যি তিৰোতাই স্বামীত ৰমণ কৰি সন্তুষ্ট থাকে তেওঁক কামিনি, যি তিৰোতাই স্বামীৰ উপৰিও একে কুলৰ লোকৰ সৈতে ৰমণ কৰে তেওঁক স্বৈৰিণী আৰু যিয়ে কোনো জাত

কুল নিবিচাৰি যাৰে তাৰে লগত ৰমণ কৰে তেওঁক পুংশ্চালী নাৰী বোলে।

**সাতজনে অমৰাৱতী নাপায়—** পাপী লোকে, পৰনাৰী হৰণ কৰোতা, প্ৰাণী হিংসাত ব্ৰতীজনে, চটুৱা, টেটন, দুষ্ট আৰু শঠ (মিছলীয়া) জনে।

**নামৰ সাত কাৰ্য্য—** ১। ভগৱানৰ নাম লোৱাৰ ফলত লাহে লাহে নামে পাপ সমূহ দহন কৰে। ২। পুণ্যৰ উদয় হয়। ৩। বিষয়ৰ প্ৰতি বিৰক্তি আনে। ৪। প্ৰেম ভকতি আনে। ৫। বৈষ্ণৱ জ্ঞান আনে। ৬। মায়াৰ জ্ঞান নাশ হয়। ৭। পূৰ্ণানন্দ হৰিৰ লগত এক কৰি দিয়ে।

**বালখিল্য মুনি—**বালখিল্য মুনি সকল ব্ৰহ্মাৰ নোমৰ পৰা জন্মিছিল। এওঁলোকৰ অবয়ব এটা বুঢ়া আঙুলিৰ সমান আছিল যদিও ভীষন তেজস্বী আছিল। এওঁলোকৰ সংখ্যা ৬০ হাজাৰ আছিল। এওঁলোকক উপলুভা কৰোতে সগৰ ৰজাৰ ৬০ হেজাৰ পুত্ৰ সাপগ্ৰস্থ হৈ ভষ্ম হ'ব লগা হৈছিল।

**অস্থিৰ মাহাত্ম্য—** কৌশিক মুনিৰ অস্থিৰ ওপৰেদি চিত্ৰৰথ গন্ধৰ্ব্বই অপেস্বৰাৰ লগত গৈ থাকোতে ৰথ অধোমুখহৈ মাটিত পৰিছিল। পিচত বালখিল্য মুনি সকলৰ উপদেশ মতে বৈষ্ণৱ অস্থি নি সৰস্বতীৰ জলত উটুৱাই দিয়াতহে তেওঁ স্বৰ্গলৈ যাব পাৰিছিল।

**নাৰী বৰ্জিত দেশ—** গ্ৰীচ দেশৰ চেলোনিক নগৰৰ ২৪০ কিঃ মিঃ মধ্যত এজেছ সাগৰৰ বুকুত ৩টা উপদ্বীপ আছে। ইয়াৰ প্ৰথমটোৰ নাম "কেৰিছ এথোছ"। ১৭০০ বছৰ আগৰ পৰা এই দেশত নাৰী নাই। ইয়াত কোনো শিশুৰ জন্ম নহয়। জীৱ জন্তুৰ ক্ষেত্ৰতো একেই বাধা প্ৰচলিত। সকলোৱে ইয়াত সন্যাস জীৱন যাপন কৰে।

**কৃষ্ণ অৱতাৰৰ অতিৰিক্ত গুণ—**

১। তেওঁ সমস্ত জগতখন নিজতেই প্ৰকাশ কৰিব পাৰিছিল।

২। অদ্ভূত লীলা দেখুৱাব পাৰিছিল।

৩। বাঁহী তিনিটা বজাই সকলো প্ৰাণীকে আনন্দ দিব পাৰিছিল।

## বিভিন্ন ধৰ্মৰ ধৰ্ম পুথি সমূহ—

| | |
|---|---|
| হিন্দুধৰ্মৰ—বেদ | খৃষ্টান ধৰ্মৰ — বাইবেল |
| জৈন ,, —অঙ্গ | জুডা ,, — বাইবেলৰ ওল্ড টেষ্টামেণ্ট |
| বৌদ্ধ ,, — ত্ৰিপিটক | |
| শিখ ,, — গ্ৰন্থ চাহিব | ইহুদী ,, — তালমুদ। |
| ইছলাম ,, — কোৰাণ | জৰথুস্ত্ৰ ,, — জেন্দ আৱস্তা |
| | চীন ,, — তাও-তেহ-কিং |

## দেৱ-দেৱীৰ বাহন—

| | |
|---|---|
| কৃষ্ণৰ বাহন — গৰুড় পক্ষী | অগ্নিৰ বাহন — ছাগলী |
| ব্ৰহ্মাৰ ,, — হংসযান | যমৰ ,, — মহ |
| শিৱৰ ,, — বৃষভ | শনিৰ ,, — শগুণ |
| নাৰদৰ ,, — ঢেঁকী | কুবেৰৰ ,, — মানুহ |
| বিশ্বকৰ্মাৰ ,, — হাতী | বৰুণৰ ,, — কলাহ |
| ইন্দ্ৰৰ ,, — ঐৰাৱত | কালভৈৰবৰ ,, — কুকুৰ |
| গণেশৰ ,, — এন্দুৰ | দুৰ্গাৰ ,, — সিংহ |
| কাৰ্ত্তিকৰ ,, — ময়ুৰ | লক্ষ্মীৰ ,, — ফেঁচা |
| সূৰ্য্যৰ ,, — ঘোঁৰা | সৰস্বতীৰ ,, — ৰাজহাঁহ |
| চন্দ্ৰৰ ,, — হৰিণ | গঙ্গাৰ ,, — মকৰ |
| | যমুনাৰ ,, — কচ্ছপ |

## মনুষ্যৰ চৌৰাশী (৮৪) লক্ষ যোনি ভ্ৰমণ বৃত্তান্ত—

ক) বৃক্ষ যোনিত— ৩০ লক্ষ বাৰ

খ) পশু ,, — ২০ ,, ,, কৰ্ম অনুযায়ী জীৱে

গ) পক্ষী ,, — ১১ ,, ,, এনে ধৰণে ৮৪ লক্ষ

ঘ) কৃমি „ — ১০ „ „ যোনি ভ্ৰমণ কৰি

ঙ) জলচৰ „ — ৯ „ „ পুণৰ মানৱ যোনি পায়।

চ) মনুষ্য „ — ৪ „ „

মুঠ= ৮৪ লক্ষবাৰ

**কৃষ্ণৰ অস্ত্ৰ ঃ** কৃষ্ণৰ গদাৰ নাম—কৌমুদকী গদা, ধনুৰ নাম—শাৰঙ্গ ধনু, খড়্গ—নন্দক খড়্গ আৰু তূণৰ নাম—তলত্ৰ তূণ।

**জগন্নাথ মহাপ্ৰভুৰ মন্দিৰ আৰু ৰান্ধনি শালৰ বৰ্ণনাঃ**-পূৱ তোৰণত দুটা সিংহৰ মূৰ্ত্তি আছে, ধৰ্মদুৱাৰ— সন্যাসী সাধু সকলৰ বাবে। পশ্চিম তোৰণত দুটা বাঘৰ মূৰ্ত্তি আছে, কাম দুৱাৰ— গৃহবাসী সকলৰ বাবে। উত্তৰ তোৰণত দুটা হাতী আছে, মুখ্য দুৱাৰ— পাপী সকলেও মুক্তি পায়। দক্ষিণ তোৰণত দুটা ঘোঁৰাৰ মূৰ্ত্তি আছে, অৰ্থদুৱাৰ— ৰজা-মহাৰজাৰ বাবে।

পাক ঘৰত ৪৫২ টা চুলা, ২০০ জন ৰান্ধনি, ৪০০ জন যোগালিয়ে প্ৰত্যেক দিনে নতুন মাটিৰ পাত্ৰত ৬২ মোন চাউলৰে ৫৬ প্ৰকাৰ ভোগ ৰান্ধি প্ৰতি দিনে মন্দিৰত ৭ বাৰ নিবেদন কৰে। ভোগ নিবেদনৰ সময়ত ২০ জনী নৰ্ত্তকীয়ে ১ ঘণ্টা নাচ-গান কৰে। মন্দিৰৰ উত্তৰ ফালে আনন্দ বজাৰত মহাপ্ৰভুক নিবেদিত অন্ন কিনিবলৈ পোৱা যায়। ইয়াত ব্ৰাহ্মণ, চণ্ডাল, শূদ্ৰ একেলগে বহি অন্ন ভোজন কৰে।

**গীতা ভাঙনি কৰা পণ্ডিত সকল আৰু ভাষা—**

১। গ্ৰীক পণ্ডিত গেলেলোজ— গ্ৰীক ভাষালৈ।

২। ইটালী পণ্ডিত ষ্টেনিশ্লেত— ইটালী ভাষালৈ।

৩। ফ্ৰাঞ্চ পণ্ডিত বৰ্নেফ— ফ্ৰাঞ্চ „ ।

৪। লেটিন পণ্ডিত লেচেন— লেটিন „ ।

৫। ইংৰাজ পণ্ডিত—টম্চন, জনডেভিচ, মেথিউ আনল্ড, টেলাঙ্গা, এনি বেচান্ত আৰু উইলকিনে লৰ্ড হেষ্টিংচৰ দিনত গীতা শাস্ত্ৰ

ইংৰাজী ভাষালৈ অনুবাদ কৰিছিল।

**জগত চক্ৰ কি ?—** ব্ৰহ্মাৰ পৰা বেদ, বেদৰ পৰা যজ্ঞ, যজ্ঞৰ পৰা ধোৱা, ধোৱাৰ পৰা মেঘ, মেঘৰ পৰা বৰষুণ, বৰষুণৰ পৰা শস্য, শস্যৰ পৰা জীৱন। এই দৰে হৈ থকা অৱস্থাৰ নাম জগত চক্ৰ।

**জন্ম ৰহস্য—** ব্ৰহ্মাৰ সো স্তনত ধৰ্ম, পিঠিত অধৰ্ম, ভ্ৰূৱত ক্ৰোধ, হৃদয়ত কাম, তলওঠত লোভ, মুখত ৰাক্য, লিঙ্গত সপ্ত সিন্ধুৰ আৰ্বিভাৱ হয়।

**বাদ-বিতণ্ডা আৰু জল্পৰ অৰ্থ—** বাদ— জয়লাভৰ আশা নাৰাখি সত্য নিৰ্ণয়ৰ কাৰণে যি তৰ্ক বা আলোচনা কৰা হয় তাক বাদ বোলে। বিতণ্ডা— ৰিপক্ষক দোষণীয় বুলি প্ৰমাণ কৰি নিজে জয় লাভ কৰাৰ বাবে কৰা তৰ্কক বিতণ্ডা বোলে। জল্প—কেৱল জয়ৰ কাৰণে যি তৰ্ক কৰা হয় তাৰ নাম জল্প।

**চাৰিপাণ্ডৱ আৰু দ্ৰৌপদীৰ পতনৰ কাৰণ—**

ভীমৰ— অতিৰিক্ত ভোজনৰ বাবে।

অৰ্জ্জুন— শৌৰ্য্যাভিমানীৰ বাবে।

নকুল— ৰূপ গৌৰবৰ হেতুকে।

সহদেৱ— জ্যোতিষ জ্ঞানৰ অভিমান হেতুকে।

দ্ৰৌপদী— অৰ্জ্জুনৰ প্ৰতি বিশেষ আকৰ্ষণ থকা দোষতে।

**ইন্দ্ৰৰ কুকুৰ-** ঋক বেদত উল্লেখ থকা মতে দেৱৰাজ ইন্দ্ৰৰ সৰমা নামৰ এজনী মাইকী কুকুৰ আছে। তাই ৪টা চকু থকা দুটা কুকুৰ জন্ম দিয়ে। এই কুকুৰ দুটাই যম নগৰত ৰক্ষক ৰূপে আছে।

**কামধেনুৰ জন্ম—** মুনি শুনঃশেফৰ ঔৰসত দক্ষ নাতিনী ৰোহিনীৰ গৰ্ভত কামধেনু গাভীৰ জন্ম হয়। ইয়াৰ বৰ্ণ শুক্লবৰ্ণ মেঘ সদৃশ। ইয়াৰ ওহৰত চাৰিটা বাট আছে (ধৰ্ম, অৰ্থ, কাম, মোক্ষ প্ৰদানৰ প্ৰতীক)। বেতালৰ পৰা কামধেনুৰ গৰ্ভত বৃষভৰ জন্ম হয়। বৃষভৰ স্তুতিত মহাদেৱ

সন্তুষ্ট হৈ বৃষভক দেৱশ্ৰীৰ প্ৰদান কৰি নিজৰ বাহন ৰূপে গ্ৰহণ কৰে।

**উজাগৰ নিশা—** শিৱ চতুৰ্দ্দশী, কৃষ্ণ জন্মাষ্টমী আৰু কোজাগৰী পূৰ্ণিমাত ( শৰত কালত যিটো পূৰ্ণিমাত লক্ষ্মী পূজা হয় শাস্ত্ৰ মতে সেই ৰাতি লক্ষ্মী দেৱী আহে ) যি লোকে সেই ৰাতি উজাগৰে থাকে দেৱীয়ে ধন ঐশ্বৰ্য্য দিয়ে। এই তিনিটা তিথিত ৰাত্ৰি জাগৰণ শাস্ত্ৰ সম্মত।

**সূৰ্য্যৰ ভিন্ ভিন্ নাম—** দিনত আদিত্যৰ নাম মিত্ৰ, ৰাতি বৰুণ, ৰাতিৰ শেষ অংশত-সবিতা, ৰাতিৰ শেষ অংশত পৃথিৱীৰ অন্ধকাৰ আঁতৰি গ'লে নাম হয় অশ্বিন্। সূৰ্য্যোদয়ৰ পূৰ্ব্বে উষা, উদয় হোৱাৰ লগে লগে ভগ, তাৰ পিচত নাম হয় সূৰ্য্য, মধ্যাহ্ন সময়ত নাম হয় বিষ্ণু।

**জ্বৰৰ উৎপত্তিৰ কাৰণ—** পুৰাণ শাস্ত্ৰ মতে দক্ষ যজ্ঞত জ্বৰৰ উৎপত্তি হয়। এই জ্বৰৰ ৩ টা ভৰি, ৩ টা মূৰ, ৬ খন হাত, ৯ টা চকুৰে বিকৃত আকাৰৰ। বায়ু, কফ, পিত্তৰ পৰা মন্দাগ্নি জন্মে। মন্দাগ্নিৰ পৰা জ্বৰ হয়। ই চাৰি বিধ—বাত জ্বৰ, পিত্তজ্বৰ, কফ জ্বৰ আৰু ত্ৰিদোষ জ্বৰ। ইয়াৰ বাহিৰেও ৬৪ বিধ জ্বৰ আছে। জ্বৰৰ মাক মৃত্যু কন্যা আৰু ভনীয়েকৰ নাম জৰা। এই দেৱতাৰ নাম ৩ স্কন।

**কৌৰৱৰ সেনাপতি সকল—** কুৰুক্ষেত্ৰ যুদ্ধত সেনাপতি হিচাবে ভীষ্মই ১০ দিন, দ্ৰোনাচাৰ্য্যই ৫ দিন, কৰ্ণই দুই দিন, শল্যই আধা-দিন আৰু দুৰ্য্যোধনে আধাদিন যুদ্ধ কৰি প্ৰাণ এৰিছিল। এই যুদ্ধ আঘোণ মাহৰ প্ৰথম শুক্ল পক্ষৰ ত্ৰয়োদশী তিথিৰ ভৰণী নক্ষত্ৰত আৰম্ভ হৈ ১৮ দিন চলিছিল।

**অৰ্জ্জুনৰ শৰৰ মাহাত্ম্য—** অৰ্জ্জুনে তূণৰ পৰা শৰ মাত্ৰ এপাত হে লয়। গাণ্ডীৱত জুৰিলে ১০ পাত হয়। নিক্ষেপ কৰাৰ লগে লগে ১০০ পাত হৈ শত্ৰু সৈন্যৰ ফালে গমন কৰে আৰু শত্ৰুৰ ওপৰত পৰাৰ বেলিকা সহস্ৰ পাত হৈ শত্ৰু সৈন্য নিধন কৰে।

**বাণিজ্যই ৭ প্ৰকাৰে ধন আনে—** জোখ-মাখত ঠগা, কিনাত মিছা কথা কোৱা, বাকীকৈ বেপাৰ কৰা, ভেজাল দিয়া, পৰিচিত গ্ৰাহক সকলৰ সমাগম, সুগন্ধ বস্তুৰ অধিক বিক্ৰী, বিদেশলৈ ৰপ্তানি।

**কুবেৰ—** কুবেৰৰ তিনিখন ভৰি আৰু আঠোটা মাত্ৰ দাঁত আছিল। দেখাত কুৰূপ আছিল বাবে কুবেৰ নাম পাইছিল। তেওঁৰ পুষ্পক নামৰ এখন শীত তাপ নিয়ন্ত্ৰিত আকাশগামী ৰথ আছিল। বিশ্বকৰ্মাৰ দ্বাৰা নিৰ্ম্মিত এই পুষ্পক ৰথ খন তপস্যাৰ বলত ব্ৰহ্মাৰ পৰা পাইছিল। কুবেৰ উত্তৰ দিশৰ যক্ষ বিলাকৰ ৰজা আৰু ধনৰ অধিপতি দেৱতা। তেওঁৰ গাৰ বৰণ শুক্ল আছিল। পিতৃ বিশ্ৰৱা আৰু মাতৃ ইলবিলা আছিল।

**হতশ্ৰীৰ কাৰণ—** লোভে প্ৰজ্ঞা নষ্ট কৰে, প্ৰজ্ঞা নষ্ট হ'লে শ্ৰী অৰ্থাৎ লাজ নষ্ট হয়, লাজ নষ্ট হ'লে ধৰ্ম নষ্ট হয়, ধৰ্ম নষ্ট হ'লে শ্ৰী অৰ্থাৎ চেহেৰা নষ্ট হয়। তেতিয়া হতশ্ৰী হয়।

**মূৰ্ত্তি পূজা—** বৈদিক যুগত ভাৰতত কোনো ধৰণৰ মূৰ্ত্তি পূজা নাছিল। সমুদ্ৰ গুপ্তৰ ৰাজত্ব কালত ( ৩৩০-৩৮০ খৃঃ ) পুৰাণ শাস্ত্ৰ, ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থ সমূহ নতুনকৈ লিখা হয়। তেতিয়াৰে পৰাই লাহে লাহে মূৰ্ত্তি তৈয়াৰ কৰি পূজা কৰা হয়।

**যজ্ঞৰ স্তৰ—** ৰাজসূয় যজ্ঞৰ দ্বাৰা ৰজা হয়, বাজপেয় যজ্ঞৰ দ্বাৰা সম্ৰাট হয়। অশ্বমেদ যজ্ঞৰ দ্বাৰা সাৰ্ব্বভৌম নৃপতি হ'ব পাৰে।

**প্ৰকৃত সাধুৰ লক্ষণ—** ১। আজীৱন ব্ৰহ্মচৰ্য্য ব্ৰত সাধন কৰি আশ্ৰমধাৰী হৈ সংসাৰত নিৰ্ব্বিকাৰ ভাবে হৰি সেৱাত ব্ৰতী হৈ থকা জন সাধু।

২। প্ৰাণী হিংসাৰ পৰা বিৰত থাকি শুদ্ধ আহাৰী হৈ হৰি সেৱাত ব্ৰতী জন সাধু।

৩। সাধু সঙ্গত হৰি নাম শ্ৰৱন কীৰ্ত্তন কৰা আৰু সমস্ত প্ৰাণীতে

বাসুদেৱ জ্ঞান কৰা জন সাধু।

৪। সংসাৰী হৈও বেদ বিহিত আচৰণ মানি নিৰাকাৰ ব্ৰহ্ম উপাসক জন সাধু।

৫। অন্ন যোনি বিচাৰ কৰি মুক্তিকো বাঞ্চা নকৰা জন সাধু।

৬। সত্য, শৌচ, ক্ষমা, দয়া, অক্ৰোধ, অলোভ, আচাৰ, বিনয়, বিদ্যা, প্ৰতিষ্ঠা, তীৰ্থদৰ্শন, নিষ্ঠা, বেদপাঠ, তপ, দান আদি সদ্ গুণৰ অধিকাৰী জন সাধু।

৭। কৃষ্ণ ব্যতিৰেকে অন্য দেৱতাক ভজনা কৰি স্বৰ্গসুখ বাঞ্চা নকৰা জন সাধু।

৮। পুত্ৰ জন্মিলে আনন্দ নকৰা, মৰিলেও শোক নকৰা আৰু মান অপমান বিচাৰ নকৰা জন সাধু।

৯। হৃদয়ত কৃষ্ণমূৰ্ত্তি ধৰণ কৰি সুখে দুখে অহৰহ তেওঁৰ নামত সুদৃঢ় বিশ্বাসী জন সাধু।

১০। পৰোক্ষ বা প্ৰত্যেক্ষ ভাৱে ৰাজনীতিৰ পৰা আতৰত থকা জন সাধু।

১১। নিজক তৃণতকৈও ক্ষুদ্ৰ জ্ঞান কৰা, তৰু-লতাৰ দৰে সহ্য গুণী হোৱা আৰু নিজে মান নিবিচাৰি আনক মান দেখুৱা জন সাধু।

**কলিৰ বাসস্থান**—যি ঠাইত জুৱা-পাশা, মদ্যপান, স্ত্ৰী ব্যভিচাৰ, পঞ্চসূনা আৰু সুবৰ্ণ থাকে তাতেই কলি বাস কৰে। সেয়েহে জ্ঞানী সকলে ইয়াৰ পৰা সততে বিৰত থাকে।

**মহান জাতিস্মৰ সকল**— শ্ৰীকৃষ্ণ, নাৰদ, প্ৰহ্লাদ, মাৰ্কণ্ডমুনি, বুদ্ধ, জড়ভৰত, পৰীক্ষিত, অভিমণ্যু। জাতিস্মৰ শিৰোমণি বুদ্ধদেৱে হেনো অতীত পাঁচশ টা জন্মৰ কথা জানিছিল।

**দীপান্বিতা পালনৰ কাৰণ**— ১। বলি ৰজা সুতলৰ পৰা পৃথিৱীলৈ আগমন।

২। লক্ষ্মীদেৱী সাগৰৰ পৰা উদ্ধাৰ।

৩। ৰামচন্দ্ৰৰ বনবাসৰ পৰা সীতা সহিতে অযোধ্যালৈ আগমন।
৪। বৈদ্য সমাজে ধনন্তৰীৰ উদ্দেশ্যে দ্বীপ দান কৰে।
৫। নৰকাসুৰ বধ।
৬। হৰ-পাৰ্ব্বতীৰ পাশা খেলৰ বাবে।
৭। শ্ৰীকৃষ্ণৰ মহাপ্ৰয়াণ।
৮। এবাৰ লক্ষ্মীদেৱীক জম ৰজাই পলুৱাই লৈ গৈছিল। সেই সময়ত লক্ষ্মীয়ে ৬ টা ডালিমৰ গুটি খোৱা কাৰণে ৬ মাহ যমপুৰীত থাকি পুনৰ আগমন হয়।
৯। উত্তৰ ভাৰতৰ কিছুমান ঠাইত বিক্ৰমাদিত্যৰ ৰাজ্যাভিষেকৰ স্মৃতিত দ্বীপ জলোৱা হয়।
১০। কাতি মাহৰ অমাৱস্যাৰ দিনা দোকমোকালিতে মহাবীৰে মহাপ্ৰয়াণ কৰি নিৰ্ব্বাণ লাভ কৰে। সেই বাবে দ্বীপান্বিতা পাতি এই মহামানৱৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়।
১১। ঠায়ে ঠায়ে সমাধিপতি কুবেৰৰ উদ্দেশ্যে দ্বীপ দান কৰা হয়।
১২। মহাৰাষ্ট্ৰত যম পূজাৰ উৎসৱ উপলক্ষে দ্বীপ দান কৰা হয়।
১৩। ভাৰতৰ বিভিন্ন তীৰ্থস্থানত এই তিথিত পৰিয়ালৰ মৃতসকলৰ স্মৃতিত দ্বীপ জলোৱা হয়।
১৪। বাৰানসীত মহা যক্ষৰ পূজা হয়। আৰু সেই উপলক্ষে দ্বীপ জলোৱা হয়।

উল্লিখিত কাৰণ সমূহৰ বাবে দ্বীপান্বিতা পৰ্ব্ব পালন কৰিলে অক্ষয় পুণ্য লাভ হয়।

**অয়ন নিৰ্ণয়ঃ–** *উত্তৰায়ণ* ঋগ্বেদ-সংহিতাৰ মতে সূৰ্য্যৰ গতি যেতিয়া বিষুব ৰেখাৰ উত্তৰলৈ যায় সেই গতিয়েই সূৰ্য্যৰ উত্তৰায়ণ গতি। এই গতি চ'তৰ ৯ তাৰিখৰ পৰা (২৩ মাৰ্চৰ পৰা) আৰম্ভ হৈ ৮ আহিন (২৫ চেপ্তেম্বৰত) শেষ হয়।

*দক্ষিণায়ণ*— ইয়াৰ বিপৰীতে অৰ্থাৎ ৯ আহিনৰ পৰা ৮ চ'তলৈ যোৱা গতিক দক্ষিণায়ণ ( সূৰ্য্যৰ ) গতি বোলে। তাৰিখৰ মাজে মাজে দুই এদিনৰ তাৰতম্য হয়।

কিন্তু ডাইৰেক্টৰী পঞ্জিকাৰ মতে ১ মাঘৰ পৰা ৩২ আহাৰলৈ উত্তৰায়ণ আৰু ১ শাওণৰ পৰা ৩০ পুহলৈ দক্ষিণায়ণ হয়। অৱশ্যে তাৰিখৰ মাজে মাজে দুই এদিনৰ তাৰতম্য হয়।

**আচমন**— পানীৰে নাক, চকু আৰু কাণ এই ছয়টি মূৰত থকা ছিদ্ৰ স্পৰ্শ কৰাকে আচমন বোলে।

**উপবীতী**— গলত ধাৰণ কৰা যজ্ঞসূত্ৰৰ মাজেৰে সোঁহাত সৰকাই আনি বাওঁ কান্ধত যজ্ঞসূত্ৰ ধাৰণ কৰি সোঁ ককাললৈ ওলমাই পিন্ধা ব্যক্তি।

**প্ৰাচীনাবীতী**— গলত লোৱা যজ্ঞ সূত্ৰৰ মাজেৰে বাওঁহাত সৰকাই আনি সোঁকান্ধত যজ্ঞসূত্ৰ ধাৰণ কৰি বাওঁ ককাললৈ ওলমাই পিন্ধা ব্যক্তি।

**নিবীতী**— গলত সৰল ভাবে ওলমাই যজ্ঞসূত্ৰ পৰিধান কৰা ব্যক্তি। ব্ৰহ্মাঞ্জলি—শিষ্যই সদায় গুৰুৰ পাদদ্বয় স্পৰ্শ কৰি যি অধ্যয়ন কৰে। মধুপৰ্ক— ঘিউ, মৌ, দৈ, চেনী আৰু সামান্য পানী মিশ্ৰণ। পুক্কশ— নিষাদৰ ঔৰসত আৰু শূদ্ৰাৰ গৰ্ভত জন্মা সন্তান। কুলভূমি— চাৰিটা বলধেৰে দুখন হালেৰে যি মাটি চহাব পাৰে। দোণ—আঠ মুঠি ধানক এক কুঞ্চি বোলে, আঠ কুঞ্চিক এক পুস্কল, চাৰি পুষ্কলে এক আৰক আৰু চাৰি আৰকে এক দোণ হয়। ব্ৰহ্মসভা— যি ঠাইত অন্ততঃ ঋক্ যজুঃ সামবেদজ্ঞ তিনিগৰাকী ব্ৰাহ্মণ বাস কৰে সেই ৰাজসভাক ব্ৰহ্মসভা বোলা হয়।

**বামণক কোনে কি কি দিলে**— সূৰ্য্যই গায়ত্ৰী, বৃহস্পতিয়ে নৱগুণ, সৰস্বতীয়ে অজিন উত্তৰী, অদিতিয়ে কৌপীন, কাশ্যপে

মেখলা, স্বৰ্গই ছত্ৰ-দণ্ড, চন্দ্ৰই ব্ৰহ্মদণ্ড, ব্ৰহ্মাই কমণ্ডলু, সপ্তঋষিগণে কুশ, ভোগবতীয়ে অক্ষমালা, কুবেৰে ভিক্ষাপাত্ৰ, অম্বিকা দেৱীয়ে ভিক্ষা দি বামণক পূৰ্ণ ব্ৰহ্মচাৰী সজাই তুলিছিল।

**শ্ৰীকৃষ্ণৰ ছয় ভ্ৰাতাৰ অকাল মৃত্যুৰ কাৰণ**—ব্ৰহ্মাই এদিন তেওঁৰ জীয়েক সৰস্বতীৰ ৰূপত মোহ গৈ কামাতুৰ হোৱাত মৰিচিৰ ৬ পুত্ৰই এনে কাৰ্য্যৰ বাবে হাঁহিছিল, ব্ৰহ্মাৰ খং উঠাত অসুৰ যোনিত জন্ম গ্ৰহণ কৰিবলৈ অভিশাপ দিলে। পিছত কালনেমিৰ ঔৰসত ছয় জনে জন্ম পালে। সিহঁতে এদিন হিৰণ্যকশিপুৰ আগত হৰিনাম শুনোৱাৰ বাবে কশিপুৱে পিতৃৰ হাতত মৃত্যু হ'ব বুলি অভিশাপ দিলে।

কালনেমিয়ে দ্বাপৰত কংশ ৰূপে জন্ম গ্ৰহণ কৰিলে। আৰু সংযমনীপুৰৰ পৰা প্ৰভুৱে এই পুত্ৰসৱক দৈৱকীৰ গৰ্ভত জন্ম দিয়ালে। পিছত কংসৰ হাতত সিহঁতৰ মৃত্যু হ'ল। সিহঁতৰ নাম যথাক্ৰমে— কীৰ্ত্তিমন্ত, ভদ্ৰসেন, সুষেণ, ঋজু, সম্মৰ্দ্দন, ভদ্ৰ। বলৰাম, কৃষ্ণ বসুদেৱৰ অষ্টপুত্ৰ।

**শ্ৰীৰামৰ স্ত্ৰী শোক**— ব্ৰহ্মদত্তৰ ঘৈণীয়েকে নৰসিংহৰ অদ্ভুত ৰূপ আৰু ভীষন গৰ্জন শুনি ভয়তে মূৰ্চ্ছা গৈ প্ৰাণ ত্যাগ কৰিবলগীয়া হোৱা বাবে ব্ৰহ্মদত্তই তেওঁ স্ত্ৰী শোকত ভুগিব লাগিব বুলি অভিশাপ দিছিল। শ্ৰীৰাম অৱতাৰত সেই শোক ভোগ কৰে।

**সাত জন সমান অপৰাধী**— যাৰ অনুমতিত পশু বধ কৰা হয়, যিজনে অস্ত্ৰেৰে পশু খণ্ড-বিখণ্ড কৰে, যিজনে পশু বধ কৰে, যিজনে মাংস কিনা বিকা কৰে, যিজনে মঙহ পাক কৰে, যিজনে মাংস পৰিবেশন কৰে আৰু যিজনে মাংস খায় এই সকলক ঘাতক বোলে।

**সেৱাৰ ৩২ টা অপৰাধ**— ১। যান বাহনত উঠি মন্দিৰলৈ গমন কৰা ২। পাদুকা পিন্ধি মন্দিৰত প্ৰৱেশ ৩। দেৱোৎসৱ দৰ্শন কৰা

৪। দেৱমূৰ্ত্তি প্ৰণাম নকৰা ৫। অশৌচ অৱস্থাই দেৱ-মূৰ্ত্তি দৰ্শন ৬। এখন হাতেৰে প্ৰণাম ৭। বিগ্ৰহৰ সন্মুখে প্ৰদক্ষিণ ৮। বিগ্ৰহৰ সন্মুখত পাদচাৰণ ৯। বিগ্ৰহৰ সন্মুখত হাত উচ্চ কৰা ১০। দেৱ-মূৰ্ত্তিৰ সন্মুখত শয়ন কৰা ১১। বিগ্ৰহৰ সন্মুখত ভোজন কৰা ১২। দেৱ মূৰ্ত্তিৰ আগত নিছা কথা কোৱা ১৩। দেৱমূৰ্ত্তিৰ আগত ডাঙৰকৈ কথা কোৱা ১৪। বিগ্ৰহৰ আগত গল্প কৰা ১৫। বিগ্ৰহৰ সন্মুখত কান্দা ১৬। বিগ্ৰহৰ আগত হাই-কাজিয়া কৰা ১৭। বিগ্ৰহৰ আগত কাকো নিগ্ৰহ কৰা ১৮। দেৱমূৰ্ত্তিৰ আগত কাকো অনুগ্ৰহ কৰা ১৯। বিগ্ৰহৰ আগত কটুবাক্য বোলা ২০। বিগ্ৰহৰ আগত কম্বল আদি বস্ত্ৰ ব্যৱহাৰ ২১। বিগ্ৰহৰ আগত পৰনিন্দা কৰা ২২। বিগ্ৰহৰ আগত আনক প্ৰশংসা কৰা ২৩। বিগ্ৰহৰ আগত অশ্লীল বাক্য বোলা ২৪। বিগ্ৰহৰ আগত অধোবায়ু ত্যাগ কৰা ২৫। শক্তি থকা সত্বেও অলপ উপচাৰৰে পূজা কৰা ২৬। অনিবেদিত দ্ৰব্য ভোজন কৰা ২৭। নতুন ফল ভগৱানক নিবেদন নকৰা ২৮। বিগ্ৰহৰ ফালে পিছ দি অহা ২৯। বিগ্ৰহৰ সন্মুখত আনক প্ৰণাম কৰা ৩০। গুৰু দেৱক প্ৰণাম নকৰি মনে মনে থকা ৩১। বিগ্ৰহৰ আগত আঠু বান্ধি বহি থকা ৩২। নিজ মুখে আত্মশ্লঘ্যা কৰি অন্য দেৱৰ নিন্দা কৰা।

**সমুদ্ৰ মন্থনত ওলোৱা সম্পদবাজি—** কালকূট বিষ, উচ্চৈঃশ্ৰবা ঘোঁৰা, ঐৰাৱত হাতী, অপেশ্বৰী গণ, বাৰুণীসুৰা, চন্দ্ৰ, লক্ষ্মী, কামধেনু গাই, কল্পবৃক্ষ, কৌস্তুভ মণি, ধন্বন্তৰী, অমৃতকুম্ভ, কুণ্ডল, তুলসী। কাতি মাহত সমুদ্ৰ মন্থন হৈছিল।

**মন্বন্তৰ বিচাৰ—** সত্য, ত্ৰেতা, দ্বাপৰ, কলি এই চাৰি যুগ লগ-লাগি এক দিব্য যুগ হয়। এনে ৭১ টা দিব্য যুগ লগ হ'লে এক মন্বন্তৰ হয়। ১৪ মন্বন্তৰত ব্ৰহ্মাৰ এক দিন হয়। ২৮ মন্বন্তৰত ব্ৰহ্মাৰ অহোৰাত্ৰ হয়। মানুহৰ এবছৰে দেৱতাৰ অহোৰাত্ৰ।

মানুহৰ ৩৬০ বছৰে দেৱতাৰ এবছৰ হয়।

**নাৰী জাতিৰ প্ৰকৃত অলংকাৰ—** লজ্জা, মিঠামাত, কোমলতা, সৰলতা, পবিত্ৰতা, শালীনতা, সন্তোষতা, মহত্ব, বিনয়ী, ক্ষমাবান, শুচিতা, দেৱ গুৰু আৰু স্বামীৰ প্ৰতি অকুণ্ঠ ভক্তি।

**ফোঁট লোৱা মাহাত্ম্য—** বৃদ্ধ আঙুলিৰে ফোট ললে বল বৃদ্ধি হয়, তৰ্জনী আঙুলিৰে ললে যশস্যা, মধ্যমাৰে ললে আয়ুস বৃদ্ধি, অনামিকাৰে ললে ঐশ্বৰ্য্য বৃদ্ধি আৰু কনিষ্ঠ আঙুলিৰে ফোট ললে বিনয়ী স্বভাৱৰ হয়।

**ভোজন বিধি—** তিতা বস্ত্ৰ, মলিন বস্ত্ৰ, জীৰ্ণ বস্ত্ৰ পৰিধান কৰি, ভোজনৰ আসনত দুই ভৰি তুলি, পাগুৰি মাৰি, ভৰি মেলি, তিতা আসনত বহি, বিনা আসনে, চুলি মেলি, পাদুকা পিন্ধি, চৰ্ম্মাসনত বহি, যান বাহনত উঠি, শ্মশানত, শয়নাৱস্থাত, খোজ কাঢ়ি যাওঁতে, থিয় হৈ ভোজন কৰা নিষেধ। পিতৃ-মাতৃ থকা ল'ৰা-ছোৱালীয়ে পূব আৰু উত্তৰ মুখে ভোজন প্ৰশস্ত। হবিষ্যান্নত বেঙেনা খাব নালাগে।

**তলপোন্ধৰ গুণাগুণ—** পুৰুষে তলপোন্ধ ( লেংটি ) এৰিলে ইহ-কালত পুৰুষত্ব লোপ পায়, পৰকালত নপুংসক শক্তিহীন হৈ জন্মলৈ দুখ-কষ্ট ভোগ কৰে। লেংটি এৰি সত্য অঙ্গীকাৰ ( শপত ) খালেও মূল্যহীন হয়।

**পিতা-পুত্ৰ একেলগে—** নীতি শাস্ত্ৰৰ মতে পিতা পুত্ৰই লগ লাগি ব্যাধৰ কৰ্ম কৰা, দ্যুত ক্ৰীড়া, ধন ধাৰে দিয়া আৰু নিয়া, পাশা, দবা, পঁচি আদি খেল খেলা গৰ্হিত আৰু অকৰ্ত্তব্য।

**সামিষ আহাৰ ভক্ষণ নিষিদ্ধ পৰ্ব্ব—** নান্দীমুখ আৰু সপিণ্ডন শ্ৰাদ্ধ, অমাৱস্যা, পূৰ্ণিমা, একাদশীদ্বয়, কাতি মাহৰ শুক্ল একাদশীৰ পৰা পূৰ্ণিমা পৰ্য্যন্ত, অন্নপ্ৰাশন, চূড়াকৰণ, উপনয়ন, মহাপুৰুষৰ তিথি আৰু ৰবিবাৰে মাছ-মাংস ভক্ষণ নিষিদ্ধ।

## নাগ আৰু সৰ্পৰ প্ৰাৰ্থক্য—

নাগ— নাগবিলাক বহুমুখীয়া। ইহঁত হৰিপৰায়ণ আৰু বিষহীন।
সৰ্প— ইহঁত একমুখীয়া। সৰ্প বিলাক হিংসুক আৰু বিষযুক্ত। ※

ৰজা সকলৰ আজ্ঞা ভঙ্গ, ব্ৰাহ্মণসকলৰ অপমান আৰু নাৰীসকলৰ পৃথক শয্যা এই তিনিটাক বিনা অস্ত্ৰই বধ কৰা বুলি কয়।

**স্বপ্ন চৰিতৰ মতে—** হাতীত উঠা, প্ৰাসাদত উঠা, গৰুত উঠা, পৰ্ব্বতত উঠা, আঁহত গছত উঠা, কন্দা, মৰণ, অগম্য গমন, ছত্ৰ-চামৰ, সমুদ্ৰ, ব্ৰাহ্মণ, গঙ্গা, পতিব্ৰতা নাৰী, শঙ্খ, সুবৰ্ণ আৰু বিষ্ঠালেপন সপোনত দেখিলে শুভ ফলপ্ৰদ হয়। আনহাতে উটৰ পিঠিত উঠা, ম'হত উঠা, গাধত উঠা, কাইটীয়া গছত উঠা, ভষ্ম-লেপন, শিহুত উঠা, কপাহ ধোৱা, বাঘ, সাপ, বৰা-গাহৰি, বান্দৰ দৰ্শন, ঔ ফুলৰ মালা পিন্ধা, নৌকাত উঠা, দাত সৰা অশুভ ফলপ্ৰদ হয়।

**অযোনি সম্ভূত—** ঈশ্বৰ, ব্ৰহ্মা, শিৱ, ব্ৰহ্মাৰ মানস পুত্ৰসৱ, সীতা, ৰাধা, দ্ৰৌপদী, ধৃষ্টদ্যুম্ন, বৃত্ৰাসুৰ (যজ্ঞত ওপজা) অগস্ত্য মুনি (কলহত ওপজা)

**সৰ্ব্বকাল শুচি—** মালীৰ হাত সদায় শুদ্ধ, হাটত বিক্ৰী কৰিবৰ কাৰণে ৰখা বস্তু সদায় শুদ্ধ, ব্ৰহ্মচাৰীয়ে পোৱা ভিক্ষা সদায় শুদ্ধ, তিৰোতাৰ মুখ সদায় শুচি, চৰাইৰ মুখৰ পৰা ওলাই পৰা ফল সদায় পবিত্ৰ, গাই ক্ষিৰোৱাৰ সময়ত দামুৰিৰ মুখ শুচি আৰু পশু বধ কৰিলে কুকুৰৰ মুখ শুচি হয়।

## ৰাষ্ট্ৰীয় পতাকাৰ তাৎপৰ্য্য—

১। গেৰুৱা ( ওপৰ ভাগ ) সাহস আৰু ত্যাগৰ প্ৰতীক।
২। বগা ( মাজৰ ভাগ ) শান্তি আৰু সত্যৰ প্ৰতীক।
৩। সেউজীয়া ( নিম্ন ভাগ ) বিশ্বাস আৰু বীৰত্বৰ প্ৰতীক।
৪। অশোক চক্ৰ (মধ্য ভাগত) জীৱনৰ পোহৰ আৰু প্ৰগতিৰ প্ৰতীক।

## লাঠিৰ ৯টা গুণ—

শুনাহে বাপুকণ গুণ
এডাল লাঠিৰ নটি আছে গুণ।
হাতৰ সখা পানীৰ জোখা।
দেখিলি সাপ পেলালি মাৰি।
নহলে পীৰা বহিবি পাৰি।
শত্ৰুৱেও নাপায় লাই।
বাটৰ কুকুৰে থাকে চাই।
শাকে শোকোতাই বান্ধিবি ভাৰ
নহলে বঠা হবি পাৰ।
কিনো বুঢ়াৰ আমোল।
ওভোটাই খুন্দে তামোল।

কৰ্ম-অকৰ্মৰ বিচাৰ—

১। খাই মৰিল— অঘাসুৰ, বকাসুৰ, ( কৃষ্ণক আৰু ভীমক খাব খোজতে )
২। নেখাই মৰিল— শকুনীৰ ভাতৃসৱ ( দুৰ্য্যোধনে দিয়া সিধা নেখাই)
৩। কৈ মৰিল— জটায়ু পক্ষী (ৰামক সীতা হৰণৰ বাতৰি কব খোজাত)
৪। নকৈ মৰিল— জয়মতী ( চাউদাঙক স্বামীৰ বাতৰি নোকোৱা বাবে.)
৫। দি মৰিল— পূতনা ( কৃষ্ণক স্তন দিওঁতে ) দধীচি মুনি ( দেৱতাক হাড় দিওঁতে )।
৬। নিদি মৰিল— দুৰ্য্যোধন ( পাণ্ডৱক ৰাজ্যৰ ভাগ নিদিয়া বাবে )
৭। নি মৰিল— ৰাবণ ( সীতাক হৰণ কৰি নিয়া বাবে )
৮। নামানি মৰিল— সতী ( দক্ষৰ যজ্ঞলৈ মহাদেৱৰ হাক নমনা বাবে)
৯। নামানি তৰিল— প্ৰহ্লাদ ( ষণ্ডামৰ্কৰ ) বলি ( শুক্ৰচাৰ্য্যৰ) শ্ৰীৰাম চন্দ্ৰই ( বিশ্বমিত্ৰ মুনিৰ )।

**পৰীক্ষিতৰ ব্ৰহ্মশাপৰ কাৰণ—** ভীমে জৰাসন্ধক বধ কৰি তাৰ মুকুটটো লৈ আহিছিল। পিছত এই পাতকীয়ে পিন্ধা মুকুটটো পৰীক্ষিতে পিন্ধাত তেওঁৰ সৎগুণ গুচি তম্ আৰু ৰজ গুণৰ জন্ম হ'লত মৃগয়াৰ ইচ্ছা জন্মিল। ফলস্বৰূপে মতিভ্ৰম হৈ ধ্যানমগ্ন সৌমিক মুনিৰ গলত মৰা সাপ আঁৰি দিয়াত পুত্ৰ শৃঙ্গী মুনিৰ অভিশাপত তক্ষকৰ দংশনত অকালতে প্ৰাণ এৰিবলগীয়া হ'ল।

**দীক্ষা গ্ৰহণৰ প্ৰসস্ত মাহ, বাৰ, তিথি, নক্ষত্ৰ, স্থান—**

***মাহ :*** বহাগ—ৰত্ন লাভ, শাওণ— পূৰ্ণয়ুপ্ৰাপ্তি, আঘোণ— মন্ত্ৰ সিদ্ধি, মাঘ—মেধা বৃদ্ধি, ফাগুন—সৰ্ব্ব কামনা সিদ্ধি, চ'ত— পুৰুষাৰ্থ সিদ্ধি হয়।

***বাৰ :*** সোমবাৰ— শান্তি, বৃহস্পতি— জ্ঞান প্ৰাপ্তি, শুক্ৰবাৰ— সৌভাগ্য লাভ, বুধবাৰ— সৌন্দৰ্য্য প্ৰাপ্তি, ৰবিবাৰে বিত্ত সঞ্চয় হয়।

***তিথি :*** দ্বিতীয়া—জ্ঞান লাভ, তৃতীয়তে—পবিত্ৰতা, পঞ্চমীতে—বুদ্ধি বৃদ্ধি, সপ্তমীতে—সুখ, দশমীতে—সৌভাগ্য লাভ, একাদশীতে—পবিত্ৰতা দ্বাদশীতে— সৰ্ব্বসিদ্ধি, পূৰ্ণিমাতে— ধনবৃদ্ধি।

***নক্ষত্ৰ—*** অশ্বিনী সুখ, মৃগশিৰা সুখ, পুনৰ্ব্বসু ধন সম্পত্তি, পুষ্যা শত্ৰুনাশ, মঘা দুখনাশ, পূৰ্ব্ব ফাল্গুনী সৌন্দৰ্য্য প্ৰাপ্তি, উত্তৰ ফাল্গুনী জ্ঞান হস্তা ধন, চিত্ৰা জ্ঞানসিদ্ধি, স্বাতী শত্ৰুনাশ, বিশাখা সুখ, অনুৰাধা বন্ধু বৃদ্ধি, মূলা যশ বৃদ্ধি, শতভিষা জ্ঞান, পূৰ্ব্ব ভাদ্ৰ সুখ, উত্তৰ ভাদ্ৰপদ সুখ, ৰেবতী কীৰ্ত্তি বৃদ্ধি হয়।

***স্থান—*** গুৰুৰ আবাসস্থান, দেৱালয় বাগিছা, নদীৰপাৰ, পৰ্ব্বতৰ গুহা, গঙ্গাৰ পাৰ, প্ৰয়াগ, পীঠস্থান, কুৰুক্ষেত্ৰ, কৈলাস পৰ্ব্বত, কাশীধাম, আমলকী আৰু বেলগছৰ তলত দীক্ষা গ্ৰহণ কৰিলে কোটি গুণ ফল হয়।

**কুম্ভমেলা—** সমুদ্ৰ মন্থনত ওলোৱা অমৃত কুম্ভ দেৱৰাজ ইন্দ্ৰৰ পুত্ৰ জয়ন্তই অসুৰৰ ভয়ত পলোৱাৰ সময়ত পৃথিৱীত যি চাৰি ঠাইত থৈ

জিৰাইছিল সেই ঠাইতে কুম্ভমেলা হয়। সেই চাৰি ঠাই হ'ল—
১। হৰিদ্বাৰ— গঙ্গাৰ পাৰ, ইয়াত চ'ত-বহাগ মাহত হয়।
২। প্ৰয়াগ— গঙ্গা-যমুনা-সৰস্বতী সংগম স্থানত (ত্ৰিবেণী) মাঘ মাহত হয়।
৩। উজ্জয়িণী— শিপ্ৰানদীৰ পাৰত, আহাৰ মাহত হয়।
৪। নাচিক— গোদাবৰী নদীৰ পাৰত, আহিন মাহত হয়। পূৰ্ণ কুম্ভমেলা প্ৰতি ১২ বছৰৰ মূৰে মূৰে হয়। কিন্তু হৰিদ্বাৰ আৰু প্ৰয়াগত অৰ্দ্ধ কুম্ভমেলা হয়।

**মন্দিৰ প্ৰদক্ষিণৰ ব্যৱস্থা**— সোঁহাতে ৰাখি ১। সূৰ্য্য মন্দিৰ (সৰ্ব্ব শক্তিমন্ত নক্ষত্ৰ বাবে) ১ বাৰ প্ৰদক্ষিণ কৰিলে হয়। ২। শিৱ মন্দিৰ ২ বাৰ, ৩। শাক্ত মন্দিৰ ৩ বাৰ ৪। বিষ্ণুমন্দিৰ (চতুৰ বৰ্গ সাধন) ৪ বাৰ ৫। নৱগৃহ (বিষ্ণু মন্দিৰ স্বৰূপ) ৪ বাৰ ৬। মৰাশ (পঞ্চভূতৰ দেহ) ৫ বাৰ প্ৰদক্ষিণ কৰিব লাগে।

**কৃষ্ণৰ সপ্তমাতৃ**— উগ্ৰসেনৰ ভায়েক দেৱকৰ সাতজনী কন্যা আছিল। সাতোজনীকে বসুদেৱে বিয়া কৰাইছিল। তেওঁলোক হ'ল— দৈৱকী, ধৃতদেৱা, শান্তিদেৱা, উপদেৱা, শ্ৰীদেৱা, দেৱৰক্ষিতা, সহদেৱা।

**স্বোপাৰ্জিত ধনৰ ভাগ**— বলি ৰজাই বামনক ত্ৰিভুবন দান কৰিবলৈ ওলোৱা সময়ত দৈত্য গুৰু শুক্ৰচাৰ্য্যই উপদেশ দি কৈছিল যে স্বোপাৰ্জিত ধন সদায় পাঁচ ভাগ কৰিহে খৰচ কৰিব লাগে।
১। গো ব্ৰাহ্মণৰ অৰ্থে (দেৱ কাৰ্য্য আদি)
২। দান দক্ষিণাৰ বাবে (অতিথি আদি)
৩। সুৰতি বিবাহ আদিৰ বাবে (পুত্ৰ-পুত্ৰীৰ বাবে)
৪। ধৰ্ম, অৰ্থ, কাম, যশৰ বাবে (নিজ ভোগ বিলাস)
৫। সঙ্কটৰ বেলাৰ বাবে (সঞ্চয় কৰা)

**ৰাবণৰ ভয়**— ৰাবণে নলকুবেৰৰ ভাৰ্য্যা ৰম্ভাক বলপূৰ্ব্বক ৰমণ কৰাত

নলকুবেৰে অভিশাপ দি কৈছিল যে কামভাৱত প্ৰবৃত্ত নোহোৱা কোনো যুৱতীক বলাৎকাৰ কৰিবলৈ বিচাৰিলে সেই মুহূৰ্ত্ততে ৰাবণৰ মূৰ সাত খণ্ডত বিদিৰ্ণ হ'ব। সেই ভয়তে ৰাবণে সীতাক হৰণ কৰি নিও বলাৎকাৰ কৰা নাছিল।

**উমাৰ দয়া—** উমাই বৰ দিছিল যে ৰাক্ষসীবোৰে গৰ্ভধাৰণ কৰাৰ লগে লগে প্ৰসৱ কৰিব আৰু প্ৰসৱৰ লগে লগে সন্তান বিলাক মাকৰ সমান বয়সৰ হ'ব।

**শত্ৰুৰ উপদেশ—** দনু দানবৰ পুত্ৰ কবন্ধ ৰাক্ষকৰ এটা চকু কপালত আৰু আনটো চকু বুকুৰ মাজত আছিল। দানবে ৰামচন্দ্ৰৰ হাতত নিধন হৈ চিতা জুইৰ মাজৰ পৰা উঠি ৰামক সুগ্ৰীবৰ লগত মিত্ৰতা কৰিবলৈ উপদেশ দিছিল।

**গৰুৰ উৎপত্তি—** জনশ্ৰুতি মতে খেতিৰ বাবে হাল টানিবলৈ উপায় স্বৰূপে ব্ৰহ্মাৰ ইচ্ছা অনুসৰি গৌতম মুনিয়ে চৰ্ত্তসাপেক্ষে গোৰূপ ধাৰণ কৰিছিল। আন এটা আখ্যানমতে দক্ষৰজাৰ কন্যা সুৰভিৰ গৰ্ভত মহৰ্ষি কাশ্যপৰ ঔৰসত গো-জাতিৰ জন্ম হয়।

**ৰাৱণৰ পৰাজয়—** ১। মহিষ্মতী নগৰৰ ৰজা কৰ্ত্তাবীৰ্য্যাৰ্জ্জুনৰ হাতত ৰাৱণ বন্দী হৈছিল। পিচত পুলস্ত্য মুনিৰ মধ্যস্থতাত হে মুক্ত হৈছিল।
২। কিস্কিন্ধাৰ ৰজা বালীয়ে ৰাৱণক কাষলতিত সুমুৱাই চাৰিটা সমুদ্ৰতে স্নানৰ অন্তত পূজা সমাপন কৰি ওভতি অহাত ৰাৱণে বালীৰ বিক্ৰম বুজিব পাৰি সখিত্ব ভাৱত বন্ধুত্ব কৰিছিল।
৩। শ্বেতদ্বীপৰ সতী তিৰোতা সকলৰ হাতত ৰাৱণ পুতলাৰ দৰে পৰাজয় হৈছিল।

৪। ৰাৱণে এবাৰ সুতল পুৰীত বলি ৰজাক কুৰিখন হাত মেলি আক্ৰমণ কৰিবলৈ যাওঁতে দুৱাৰী স্বৰূপে থকা দৰ্পহাৰী বামনে বাওঁভৰিৰ বুঢ়া আঙুলিৰ আগেৰে খোঁচমাৰি উফৰাই লংকাত

পেলাই দিয়াত মূৰ্চ্ছা গৈছিল। পিচত ৰাক্ষকবোৰে ফুৱাই ফুৱাই হে সংজ্ঞা ঘূৰাই আনিলে। সেই দিন ধৰি ৰাৱণে ভয়তে সুতলৈ নগ'ল।

**শিকিবলগীয়া কথা—** সিংহৰ পৰা একনিষ্ঠতা, কামজয়ী, এটা চিকাৰ, বগলীৰ পৰা ইন্দ্ৰিয় সংযম, কাউৰীৰ পৰা লক্ষ্যস্থানত দৃষ্টি, ধৈৰ্য্যধৰা, খাদ্যবস্তু সাঁচি থোৱা, প্ৰমাদ আৰু এলাহ নোহোৱা, কুকুৰৰ পৰা অল্প আহাৰত তুষ্ট, অল্প নিদ্ৰা, অল্প জাগৰণ, কাৰ্য্যত বিক্ৰম, অতিশয় প্ৰভু ভক্ত, গাধৰ পৰা অধিক বোজা দিলেও অনুভৱ নকৰা, গৰম শীতল অনুভৱ নকৰা প্ৰাণী সমূহৰ পৰা মানুহে এইবোৰ গুণ অনুকৰণ কৰিব লাগে।

**ভক্ষ্যাভক্ষ্যাদি নিৰূপণ—**

প্ৰতিপদত কোমোৰা ভক্ষণে অৰ্থ হানি
দ্বিতীয়ত তিত ভেকুৰি ভক্ষণে ধৰ্ম কৰ্মত অপাৰগ
তৃতীয়ত পটল ভক্ষণে শত্ৰু বৃদ্ধি
চতুৰ্থীত মূলা খালে ধন হানি
পঞ্চমীত বেল ( শ্ৰীফল ) খালে কলঙ্ক বৃদ্ধি
ষষ্ঠীত নিমখ খালে তিৰ্য্যক যোনি ( হীন জন্ম ) প্ৰাপ্তি
সপ্তমীতে তালফল ভক্ষণে শৰীৰ বিনাশ
অষ্টমীতে নাৰিকল খালে বুদ্ধি নাশ
নৱমীতে লাউ খালে গোমাংস সদৃশ
দশমীতে কলমৌ গো-বধ সমান পাপ
একাদশীতে ওৰহি ভক্ষণে পাপকাৰী
দ্বাদশীতে পুঁই শাক ভক্ষণে ব্ৰহ্মঘাতি
ত্ৰয়োদশীত বেঙেনা ভক্ষণে পুত্ৰশোক
চতুৰ্দ্দশীত মাটিমাহ খালে চিৰৰোগীয়া
অমাৱস্যা, পূৰ্ণিমাতে মৎস্য, মাংস ভক্ষণে মহাপাতক হয়।

**তিয়ঁহ ভক্ষণ**– আগবেলা তিয়ঁহ খালে হীৰ'ৰ দৰে শক্তি পোৱা যায়। ভাটিবেলা তিয়ঁহ খালে নানা পীড়া হয় আৰু ৰাতি খালে পেলু হয়।

**পিতৃ আৰু জোৱাই**— বিবাহৰ পিছৰ বছৰৰ ভিতৰত পিতৃ গৃহত জীয়ে ৫ সাঁজ, জোৱায়ে তিনি সাঁজ, জোৱাইৰ কুটুম্ব সকলে ১ সাঁজ খোৱাহে বিধেয় আনহাতে জোৱাইৰ ঘৰত শাহুৱে ৫ সাঁজ, শহুৰে ৩ সাঁজ আন কুটুম্বসকলে ১ সাঁজ খোৱাহে বিধেয়।

**হব্য-কব্যত (শ্ৰাদ্ধাদিত) নিমন্ত্ৰণ কৰিব নলগা লোক সকল**— নটুৱা, শূদ্ৰা বিবাহিত লোক; কণা, অন্ধ, যাৰ তিৰোতাৰ উপপতি আছে, কুণ্ড গোলক আদি (জাৰজ সন্তান), ঘৰত জুই দিওঁতা, সোমলতা (মদ) বেচোতা, সমুদ্ৰ যাত্ৰা কৰোঁতা, তেলী ব্যৱসায় কৰোঁতা, মিছা সাক্ষ্য দিওঁতা, মদ পাণ কৰোঁতা, ধনুশৰ নিৰ্মাণ কৰোঁতা, জুৱা পাশা খেলোতা, ধৱল কুষ্টৰোগী, পাগল, পক্ষী পোহোতা, যাৰ সুদৰ দ্বাৰা জীৱিকা হয়, ভিক্ষাৰী, নপুংসক, মূৰ্চ্ছাৰোগী, খোৰা, ঈক্ষণিক, হীনাঙ্গ বা বৰ্দ্ধিতাঙ্গ।

**সৰ্পগণৰ জিভা দুফাল কিয় ?**—বিনতাই সপত্নী কদ্ৰুৰ পৰা দাসীত্ব মোচনৰ বাবে বিনতা পুত্ৰ গৰুড়ে স্বৰ্গৰ পৰা অমৃত আনি কুশ বনৰ ওপৰত ৰাখি সৰ্পকুলক সংবাদ দিয়ে। সৰ্পগণেও অমৃত পিয়াৰ হেঁপাহতে স্নান কৰিবলৈ যায়। ইতিমধ্যে ইন্দ্ৰই তাৰ পৰা অমৃত হৰণ কৰি স্বৰ্গলৈ লৈ যায়। স্নান কৰি আহি অমৃত নেপাই সৰ্পগণে সেই কুশ চেলেকে। ফলস্বৰূপে সিহঁতৰ জিভা কাটি দুফাল হয়।

**চোৰ সকলৰ বিবিধ দুৰ্গতি**— সোণ চুৰ কৰিলে কুৎসিত নখযুক্ত হয়, সুৰাপান কৰিলে ক'লাবৰণৰ দাতযুক্ত, ব্ৰহ্মঘাতী জনৰ ক্ষয়ৰোগ, গুৰু পত্নীহৰণকাৰীৰ কুৎসিত চৰ্মৰোগ, পৰদোষ চৰ্চ্চাকাৰী আৰু মিছা দোষ প্ৰচাৰকাৰীৰ দুৰ্গন্ধমুখ, ধান চোৰৰ অংগহীন,

ধানত আনবস্তু মিহলি কৰি বেচোতাৰ অংগবৃদ্ধি, অন্নচোৰৰ মন্দাগ্নিৰোগ গুৰুৰ বিনানুমতিত অধ্যয়নকাৰী মূক, কাপোৰ চোৰৰ শ্বেত কুষ্ঠ আৰু ঘোঁৰাচোৰৰ পঙ্গু, দ্বীপ হৰণকাৰী অন্ধ, দ্বীপ নির্বাপাক কণা হৈ নৰক যন্ত্ৰণা ভোগ কৰাৰ পাচত বুদ্ধি-বাক্য - চকু - কৰ্ণহীন হৈ বিকৃত আকৃতিত জন্ম লভে ।

**গুৰু বাক্য নেমানিলে—** প্ৰহ্লাদে ষণ্ডামার্কৰ (হৰি কথা নকবলৈ) ৰামচন্দ্ৰই বশিষ্টৰ (বনবাসক নাযাবলৈ) বালিয়ে শুক্ৰচার্য্যৰ (বামনক দান নিদিবলৈ) মাধৱদেৱে শঙ্কৰদেৱৰ (বিবাহ প্ৰস্তাৱ) আজ্ঞা মানা নাছিল ।

**এচিয়া মহাদেশৰ বিশেষত্ব—** এচিয়া মহাদেশ পৃথিৱীৰ ভিতৰত বৃহত্তম মহাদেশ। ই সুমেৰু বৃত্তৰ পৰা বিষুব ৰেখালৈকে জুৰি আছে। ইয়াতে পৃথিৱীৰ আধাতকৈও বেছি আদিবাসীয়ে বসতি কৰিছে। ইয়াতে পৃথিৱীৰ সৰ্ব্বোচ্চ পৰ্ব্বত (হিমালয়) উচ্চতম শৃঙ্গ (এভাৰেষ্ট) সৰ্ব্বোচ্চ মালভূমি (পামিৰ) সুবিশাল সমভূমি (চাইবেৰিয়া) গভীৰতম হ্ৰদ (বৈকাল) নিম্নতম স্থান (জৰ্ডান উপত্যকা আৰু মৰু হ্ৰদ) উষ্ণতম স্থান (জেকোকাবাদ) শীতলতম স্থান (ভাৰ্থয়নস্ক) সৰ্ব্বাধিক বৃষ্টিপাতৰ স্থান (মৌচিনৰাম) সম্পূর্ণ বৃষ্টিহীন স্থান (আৰব মৰুভূমি) এই বিলাক কাৰণত এই মহাদেশক চৰম অৱস্থাৰ দেশ (Land of Extremes) বোলা হয় ।

**প্ৰাণীৰ ভিন্ন গুণ—** পানী নোখাৱা জন্তু কেঙ্গৰু, কৃষ্ণ পহু । মৰাশ নোখোৱা জন্তু ভালুক । থিয় হৈ টোপনি মৰা জন্তু ঘোঁৰা। বাঁহ সাজিব নজনা চৰাই— কুলি চৰাই ।

**মুদ্ৰাৰ বিভিন্ন নাম—**

| | | | |
|---|---|---|---|
| ভাৰতত— | টকা | ব্ৰহ্মদেশ— | কায়াত |
| বাংলাদেশ— | টাকা | হলেণ্ড— | গিল্ডাৰ |

| | | | |
|---|---|---|---|
| নেপাল— | ৰুপয়ে | চুইডেন— | ক্ৰণাৰ |
| ভূটান— | নীলক্ৰুম (টিৰু) | ৰুছিয়া— | ৰুবল |
| ইৰাণ— | ৰীয়েল | আমেৰিকা— | ডলাৰ |
| কানাডা— | ডলাৰ | ৰোমানিয়া— | লাই |
| ফ্ৰান্স— | ফ্ৰাংক | ফিনলেণ্ড— | মাৰ্ক |
| অষ্ট্ৰেলীয়া— | পাউণ্ড | বেলজিয়াম— | বেলজা |
| শ্ৰীলংকা— | ৰুপা | নৰৱে— | ক্ৰেং |
| ইংলণ্ড— | পাউণ্ড চিলিং | জাৰ্মানী— | মাৰ্কচ |
| জাপান— | ইয়েণ | চীন— | ইয়ান। |

**দহ আহম্মক—** আহম্মক এক— ডাঙৰৰ সৈতে দিয়ে ঠেক।
আহম্মক দুই— ৰাতি ঘৰত নাৰাখে জুই।
আহম্মক তিনি— আনৰ কাৰণে কৰে ঋণ।
আহম্মক চাৰি— বিয়া কৰায় দুজনী তিনি।
আহম্মক পাঁচ— ঘৰত খেলায় পাশা তাচ।
আহম্মক ছয়— ঘৰৰ কথা পৰক কয়।
আহম্মক সাত— আনৰ কথাত দিয়ে মাত।
আহম্মক আঠ— গৃহত শাস্ত্ৰ নকৰে পাঠ।
আহম্মক ন বুলি ধৰে যি আয় চাই ব্যয় নকৰে।
আহম্মক দহ— যি ঘৈণীয়েকৰ হয় বশ।

**নীতি বচন—** ১০০ জন লোকতকৈ এজন বিপ্ৰ শ্ৰেষ্ঠ
১০০ জন বিপ্ৰতকৈ এজন ব্ৰাহ্মণ শ্ৰেষ্ঠ
১০০ জন ব্ৰাহ্মণতকৈ এজন আচাৰ্য্য শ্ৰেষ্ঠ
১০০ জন আচাৰ্য্যতকৈ এজন পিতৃ শ্ৰেষ্ঠ
১০০ জন পিতৃতকৈ এজনী মাতৃ শ্ৰেষ্ঠ
এজনী মাতৃতকৈ এজন দীক্ষাগুৰু উৎকৃষ্ট।

নীতি কথা–

১। অস্থি হলেও বিষ্ণুৰ হাতত থকা শঙ্খ পবিত্ৰ।

২। জুয়ে পুৰিলেও শঙ্খৰ শুক্লতা নাইকীয়া নহয়।

৩। চাকিগছ হাতত থাকিলেও অন্ধৰ একো কামত নাহে, তদ্ৰূপ অজ্ঞানীৰ হাতত বেদ থাকিলেও নিস্ফল হয়।

৪। গৰুৱে গোন্ধত, ব্ৰাহ্মণে বেদৰে, ৰজাই গুপ্তচৰৰ দ্বাৰাই আৰু আন লোকে চকুৰে দেখা পায়।

৫। "মোৰ বেজ আছে" বুলি কোন জ্ঞানী লোকেনো বিষ খাব পাৰে।

৬। শৰৰ আঘাত আৰু গছত মৰা কুঠাৰৰ ঘাপ নিশ্চিহ্ন হ'ব পাৰে কিন্তু বচনৰ তীব্ৰ আঘাত কদাপি নোহোৱা নহয়।

৭। চুম্বকৰ লগত ঘঁহিলে লোৱে চুম্বকত্ব পোৱাৰ দৰে সাধুৰ হাতত ঘঁহিলে চোৰৰো হাত সাধু হয়।

৮। যি জনে ধৰ্ম আচৰণ নকৰাকৈ দিনবোৰ অতিবাহিত কৰিছে তেওঁ কমাৰৰ ভাতীৰ দৰে উশাহ-নিশাহ লৈ থাকে যদিও জীয়াই নাথাকে।

৯। ধৰ্ম বৰ্জিত পাণ্ডিত্যক কৌপীনে ঢাকি ৰাখিব নোৱাৰে।

১০। দান দিয়া আৰু গ্ৰহণ কৰা, গোপন কথা কোৱা আৰু সোধা, ভোজন কৰা আৰু কৰোৱা এই ছয় কৰ্ম প্ৰীতিৰ লক্ষণ।

১১। জাতি, চৰিত্ৰ, ৰক্ষাৰ যোগ্যতা, বিদ্যা, ধন, শৰীৰ আৰু বয়স এই সাতোটা গুণ চাইহে ছোৱালী বিয়া দিয়া উচিত।

১২। কৰ্ত্তব্য কৰ্ম সম্পাদন কৰিলে আৰ্য্য নকৰিলে অনাৰ্য্য।

১৩। গাখীৰ ঢুকাই আহিলে দামুৰিয়ে নিজেই মাকৰ পিছ এৰে তদ্ৰূপ তত্বজ্ঞান নাপালে গুৰুৰ ওচৰৰ পৰা শিষ্য আপোনা-আপুনি আঁতৰি যায়।

১৪। নিগনিৰ সুনিগছ কুটি পেলোৱাৰ শক্তি আছে, কিন্তু দাণ্ডি তোলা শক্তি নাই।

# থোৰতে

১। সীতা হৰণৰ সময়ত জটায়ু পক্ষীৰ বয়স ৬০ (ষাঠি) হাজাৰ বছৰ হৈছিল। ২। মাঘ মাহত সীতাক ৰাৱণে পঞ্চৱতী বনৰ পৰা হৰণ কৰিছিল। ৩। গোমতি নদীৰ পাৰৰ নৈমিষাৰণ্যত ৰামে অশ্বমেধ যজ্ঞ কৰিছিল। ৪। ৰাম বনবাসৰ আগতে সীতা ১২ বছৰ কাল ৰামৰ লগত ৰাজধানীত আছিল। ১৩ বছৰৰ বেলিকাহে বনবাস খাটিবলগীয়া হৈছিল। এই ১২ বছৰত কোনো সন্তান জন্ম হোৱা নাছিল। ৫। ৰামে ১১ হাজাৰ বছৰ ৰাজত্ব কৰিছিল। ৬। শাওণ মাহত বান্দৰৰাজ বালী ৰামৰ হাতত বধ হৈছিল। ৭। ৰামেশ্বৰম সেঁতুবন্ধন মন্দিৰৰ ৪৭০০ ফুট দীঘলীয়া বাৰান্দাখন পৃথিৱীৰ সৰ্ব্ববৃহৎ বাৰান্দা। ৮। ৰামায়ণ খৃঃ পূঃ ৫০০ ৰ পৰা ২০০ ৰ ভিতৰত ৰচনা হয়। ইয়াত ২৪০০০ শ্লোক আছে। ৯। শ্ৰীৰাম জন্মভূমিৰ মন্দিৰ খ্ৰীঃ পূঃ প্ৰথম শতাব্দীত মহাৰাজ বিক্ৰমাদিত্যই পুনৰ নিৰ্মাণ কৰাইছিল। ১০। সীতাৰ অভিশাপ মৰ্ম্মে কেতেকী ফুল শিৱ পূজাত নালাগে। ১১। ভাৰত যুদ্ধৰ পিচত প্ৰায় ৩৬ বছৰ শ্ৰীকৃষ্ণই দ্বাৰকাত ৰাজ্য পালন কৰিছিল। ১২। যুধিষ্ঠিৰৰ লগত ধৃতৰাষ্ট্ৰই প্ৰায় ১৫ বছৰ কাল আছিল। ১৩। কুৰুক্ষেত্ৰ যুদ্ধৰ পৰা ২ জন বীৰ আঁতৰি আছিল বলৰাম আৰু ৰুক্মবীৰ। ১৪। ভীষ্মই ৫৫ দিন শৰ শয্যাত থাকি মাঘ মাহৰ শুক্লা অষ্টমীত দেহ ত্যাগ কৰিছিল। ১৫। ধৃতৰাষ্ট্ৰৰ পৰিচাৰিকা ভাৰ্য্যা সৌবলীৰ গৰ্ভত জন্মা যুযুৎসুয়ে কেৱল কুৰুক্ষেত্ৰ ৰণত জীয়াই আছিল। ১৬। যমুনা নদীৰ পাৰত থকা খাণ্ডৱ বন দাহনৰ সময়ত ময় নামৰ দানৱ, তক্ষক নাগৰ পুত্ৰ অশ্বসেন আৰু চাৰিটা পক্ষীৰ বাহিৰে সকলো প্ৰাণী পুৰি মৰে। ১৭। পাণ্ডৱৰ মহাপ্ৰস্থানৰ সময়ত অগ্নিৰ উপদেশ মৰ্ম্মে অৰ্জ্জুনে

গাণ্ডীৱ ধনু জলত নিক্ষেপ কৰে। ১৮। গান্ধাৰী আৰু ধৃতৰাষ্ট্ৰই বানপ্ৰস্থী ধৰ্ম গ্ৰহণ কৰাৰ সময়ত গান্ধাৰীৰ অনুৰোধ মৰ্ম্মে ব্যাসদেৱে নিজৰ অলৌকিক শক্তিৰ প্ৰভাৱত কুৰুক্ষেত্ৰ যুদ্ধত নিহত হোৱা সকলো যোদ্ধাকে এদিনৰ বাবে পুনৰ্জীৱিত কৰি তেওঁলোকক দেখুৱাই শোক উপশম কৰাইছিল। ১৯। ভাগৱতত ১৮ হাজাৰ শ্লোক ৩৩৫ টা অধ্যায়, ১২ টা স্কন্ধ আৰু ৮ টা ছন্দ আছে। ২০। কৃষ্ণ বৈকুণ্ঠ প্ৰয়াণৰ ৩০ বছৰ পিছত শুকদেৱে ভাদ মাহৰ শুক্ল নৱমী তিথিত পৰীক্ষিতক সপ্তাহযোৱা ভাগৱত পাঠ কৰি শুনাইছিল। ২১। খ্ৰীঃ পূঃ দ্বিতীয় শতাব্দীত শৈৱ ধৰ্মৰ প্ৰচলন হবলৈ ধৰে। ২২। বৰুণ দেৱতাৰ জলৰ মাজত থকা নগৰখনৰ নাম বিভাৱৰী। ২৩। ৰাস লীলাৰ সময়ত শ্ৰীকৃষ্ণৰ বয়স ৯-১০ বছৰহে আছিল। ২৪। বেদৰ চকু দুটা শ্ৰুতি আৰু স্মৃতি। ২৫। একে ৰাশিতে পুষ্যা নক্ষত্ৰ যুক্ত হৈ একে সময়তে চন্দ্ৰ, সূৰ্য্য, বৃহস্পতি এই তিনিটা গ্ৰহ প্ৰৱেশ কৰিলে পুনৰ সত্য যুগ আৰম্ভ হ'ব। ২৬। জগন্নাথ ক্ষেত্ৰৰ গুণ্ডিচা মন্দিৰৰ পিছফালে ভোগৰ বাবে মাটিৰ পাত্ৰ বনোৱা ১০৪৭ কুমাৰৰ ঘৰ আছে। ২৭। জগন্নাথ মন্দিৰ ১৯২ ফুট উচ্চ আৰু মাটিৰ তলতো ১২০ ফুট আছে। ২৮। অগ্নিৰ পুত্ৰ নীলবান্দৰ আৰু ব্ৰহ্মাৰ পুত্ৰ জাম্বৱান ভালুক। ২৯। ব্ৰহ্মাৰ চকুৰ পানীৰ পৰা প্ৰথম বান্দৰৰ জন্ম হয়। ৩০। বাৰণে গোকৰ্ণ মুনিৰ আশ্ৰমত তপস্যা কৰি ব্ৰহ্মাক সন্তুষ্ট কৰিছিল। ৩১। ১৪৫৩ খ্ৰীঃ প্ৰথম মহাপুৰুষীয়া সত্ৰ খন হৰিদেৱে বৰহবিত স্থাপন কৰে। ৩২। ১৭ শতিকাত ৰামচন্দ্ৰ আৰু বাৰভদ্ৰ নামৰ দুই ভাতৃয়ে চৈতন্য পন্থীয় সত্ৰ স্থাপন কৰে। ৩৩। ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ মতে যতি, ব্ৰহ্মচাৰী আৰু বিধৱাই তাম্বোল ভক্ষণ কৰিব নেপায়। যোগীৰ বাবে দধি ভক্ষণ নিষেধ। ৩৪। তিৰ্যক যোনি পশু, পক্ষী, কীট, পতঙ্গ, সৰীসৃপ আৰু স্থাবৰ যোনি।

৩৫। ঋক্‌বেদ, বিশ্বৰ প্ৰাচীন গ্ৰন্থ। ৩৬। বাইবেল পৃথিৱীৰ অধিক ভাষাত অনুদিত গ্ৰন্থ। ৩৭। অন্ধ্ৰ প্ৰদেশৰ তিৰুপতি মন্দিৰৰ প্ৰণামি ধনৰ কিছু অংশ ৰাজ্যৰ উন্নয়ন মূলক কামত খৰচ কৰা হয়। মন্দিৰৰ বাৰ্ষিক আয় ১৮ কোটিতকৈ অধিক। ৩৮। খ্ৰীষ্টান সকলৰ মতে ৰবিবাৰটো "Lords day"। সেয়ে ৩১২ খৃষ্টাব্দত ৰোম সম্ৰাট কনষ্টান্‌টাইনে ৰবিবাৰটো বন্ধৰ দিন হিচাবে ঘোষনা কৰে। ৩৯। কম্বোডিয়াৰ ৰজা দ্বিতীয় সূৰ্য্য বৰ্মনে (১১১৩-১১৫০ খৃঃ) ৪০২ একৰ ১২০৬ বিঘা ভূমিৰ ওপৰত অংকোৰভাট চহৰত নিৰ্মাণ কৰা মন্দিৰটো পৃথিৱীৰ সৰ্ব্ববৃহৎ মন্দিৰ। ইয়াৰ বৰ্ত্তমান নাম কম্বোচিয়া। ৪০। গৃহস্থৰ ঘৰত আশ্ৰয় বিচৰা অতিথি জনক কম পক্ষেও তৃণ, জল, অগ্নি আৰু প্ৰিয় সম্ভাষণ নকৰিলে গৃহস্থীজনে পৰজন্মত ভিক্ষাৰী জন্ম পায়। ৪১। সূৰ্য্য, মঙ্গল, বৃহস্পতি পুৰুষ গ্ৰহ, চন্দ্ৰ, শুক্ৰ, স্ত্ৰী গ্ৰহ, বুধ, শনি ক্লীব গ্ৰহ। ৪২। শৰীৰ ৰক্ষাৰ্থে ব্যায়াম যেনে অপৰিহাৰ্য্য, প্ৰাণ ৰক্ষাৰ্থে প্ৰাণায়াম তেনে। ৪৩। স্নানৰ অন্তত পুনৰ ভৰি নোধোৱাকৈ, মূৰ নকনিওৱাকৈ গুৰু সেৱা আৰু ভোজন নিস্ফল হয়। ৪৪। জন্ম তিথিৰ দিনা ক্ষৌৰ কৰ্ম, মৈথুন, দূৰগমন, আমিষ আহাৰ, কাজিয়া, হিংসা বৰ্জন কৰিব লাগে। ৪৫। নামঘোষা সংকলন কৰোতে মাধৱদেৱৰ প্ৰায় ১৪ বছৰ ৬ মাহ লাগিছিল। ৪৬। নামঘোষা গ্ৰন্থ খনক ৩ ভাগত ভাগ কৰিব পাৰি— প্ৰাৰ্থনা, উপদেশ, মহিমা প্ৰকাশ। ৪৭। বৈৱস্বত মনুৰ পুত্ৰ শৰ্য্যাতি ৰজাৰ চাৰি হাজাৰ পত্নী আছিল। ৪৮। স্কন্দ পুৰাণৰ মতে সত্যনাৰায়ণ পূজা সন্ধ্যা কালত কৰা প্ৰশস্ত। ৪৯। একোদিস্ত সপিণ্ডন শ্ৰাদ্ধ দক্ষিণমুৱাকৈ কৰিব লাগে। ৫০। বৰাহ ৰূপী বিষ্ণু ব্ৰহ্মাৰ নাকেৰে জন্ম হৈছিল। ৫১। আচাৰহীন ব্ৰাহ্মণে বেদফল লাভ কৰিব নোৱাৰে। ৫২। অন্ন নিন্দা কৰি ভোজন

কৰিলে সামৰ্থ আৰু বীৰ্য্য নাশ হয়। ৫৩৷ দীক্ষিত জন বয়সত সৰু হলেও ধৰ্মজ্ঞ লোকে তেওঁৰ নাম কাঢ়ি সম্বোধন কৰিব নালাগে। ৫৪৷ নিৰ্জন ঠাইত আই, ভনী আৰু দুহিতাৰ সৈতে বাস কৰিব নালাগে। ৫৫৷ পিত্ৰাদিৰ শ্ৰাদ্ধ আদি কৰ্মত এজন হলেও সদাচাৰী ব্ৰাহ্মণ বা বিষ্ণুভক্তক ভোজন কৰাব লাগে। ৫৬৷ কৈলাস, গোলোক ধাম আৰু বৈকুণ্ঠ এই তিনি ধাম মহা প্ৰলয়তো নাশ নহয়। ৫৭৷ কোঁচ ৰজা সকলৰ ৰাজত্বৰ আগতে কামাখ্যা মন্দিৰত গাৰো সমাজৰ পূজাৰীয়ে পূজা অৰ্চনা কৰিছিল। ৫৮৷ মান্ধাতা ৰজাই জগতবাসীক প্ৰথম মানস সৰোবৰৰ সন্ধান দিছিল। ৫৯৷ চক্ৰেটিছে বহু দেৱদেৱীক অস্বীকাৰ কৰা বাবে অপৰাধ গণ্য কৰি তেওঁক হেমলক বিষপান কৰাই হত্যা কৰা হৈছিল। ৬০৷ জৰথুশত্ৰ ধৰ্মাৱলম্বী পাৰ্ছী ছোৱালী বিলাকক লগুণ দিয়াৰ পিছতহে বিবাহ দিয়া হয়। ৬১৷ তিৰোতাই স্বামী, পিতা-মাতা, শাহু-শহুৰ আৰু দীক্ষা গুৰু এই ৬ জনকহে মাত্ৰ ভৰি চুই সেৱা কৰিব লাগে। ৬২৷ পতি শুশ্ৰূষা ভিন্ন স্ত্ৰী লোকৰ আন তপস্যা নাই। ৬৩৷ আয়ুৰ্বেদ শাস্ত্ৰ প্ৰথমে প্ৰজাপতি ব্ৰহ্মাই ৰচনা কৰিছিল। ৬৪৷ শৌচ-প্ৰস্ৰাৱ কৰা সময়ত সূৰ্য্য, মন্দিৰ, নদী, শ্মশান, বিদ্যালয়, অশ্বত্থবৃক্ষ আদিৰ ফালে পিছ দিব লাগে। ৬৫৷ ইছলাম ধৰ্মত পুৰোহিত প্ৰথা নাই। ৬৬৷ বিষ্ণু পুৰাণৰ মতে অক্ৰূৰৰ পিতৃ শ্বফল্ক ইমান সৎ আৰু পবিত্ৰ আছিল যে তেওঁ যি ঠাইত থাকে তাত মাৰি-মৰক আৰু অনাবৃষ্টি নহয়। ৬৭৷ শুক্ৰনিষেকৰ ক্ৰম অনুসৰি যমজ সন্তানৰ প্ৰথমে ভূমিষ্ঠ হোৱা জনহে কণিষ্ঠ। ৬৮৷ পাঞ্চজন্য শঙ্খৰ ধ্বনিত দৈত্যৰ বলহানী, দেৱতাৰ শক্তি বৃদ্ধি, অধৰ্মৰ বিনাশ হয়। ৬৯৷ অম্বুবাচীৰ সময়ত হলকৰ্ষণ, গুটি ৰোৱা বা সিচা, ব্ৰহ্মচাৰী, ব্ৰতধাৰী আৰু ব্ৰাহ্মণৰ বিধবাৰ বাবে পক্কান্ন (সিজোৱা খাদ্য) ভোজন নিষেধ।

৭০। চিত্ৰকেতু ৰজাই পাৰ্ব্বতীৰ অভিশাপত পিছৰ জন্মত বৃত্ৰাসুৰ হৈ জন্ম পায়। ৭১। মণ্ডব্য মুনিৰ অভিশাপত যম ৰজাই পিছৰ জন্মত বিদুৰ নামে জন্ম পায়। ৭২। উপবৰ্হন গন্ধৰ্ব্বই ব্ৰহ্মা সভাত নাচ-গান কৰি থাকোতে কামত বিমোহিত হৈ তাল ভঙ্গ কৰা অপৰাধত ব্ৰহ্মাৰ দ্বাৰা শাপগ্ৰস্ত হৈ দাসী পুত্ৰ ৰূপে জন্ম গ্ৰহণ কৰি পিচত দুই জন্মৰ অন্তত নাৰদ নাম পায়। ৭৩। অগস্ত্য মুনিৰ অভিশাপত ইন্দ্ৰদ্যুম্ন ৰজাই গজেন্দ্ৰ হৈ জন্ম গ্ৰহণ কৰিছিল। ৭৪। দেৱল ঋষিৰ শাপত হূহূ গন্ধৰ্বই গ্ৰাহ হৈ জন্ম গ্ৰহণ কৰিছিল। ৭৫। কুবেৰৰ দুই পুত্ৰ মণিগ্ৰীব আৰু নলকুবেৰে নাৰদ মুনিৰ শাপত যমলাৰ্জ্জুন হৈ জন্ম হৈছিল। ৭৬। অগস্ত্য মুনিৰদ্বাৰা অভিশপ্ত হৈ নহুষ ৰজাই কল্যাণ বনৰ এটি সৰোবৰত অজগৰ সাপৰূপে বাস কৰিছিল। ৭৭। কুঞ্জৰতনয়া নামে এজনী বিদ্যাধৰী বিশ্বামিত্ৰৰ শাপত বানৰাণী হৈ জন্ম গ্ৰহণ কৰাত তাইৰ গৰ্ভতে হনুমানৰ মাতৃ অঞ্জনা দেৱীৰ জন্ম হৈছিল। ৭৮। পূজাৰ উপকৰণ দুবৰি, চাউল, ফুল, চন্দন আৰু পানী একলগ কৰি অৰ্ঘ্যত গোটাই দিয়াকে অৰ্ঘ্য বোলে। ৭৯। জননী, কন্যা আৰু বোৱাৰী গমনক অতিপাতক বোলে। ৮০। পৰস্ত্ৰী গমন কৰাৰ দৰে পৰমায়ু নাশক কৰ্ম্ম পুৰুষৰ পক্ষে আন একোৱেই নাই। ৮১। অশোক চক্ৰ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা জাতীয় প্ৰতীক হিচাবে গ্ৰহণ কৰা হয়। ৮২। চিলাৰায়ৰ ১২০ জনী মহিষীয়ে শঙ্কৰদেৱৰ চৰণত শৰণ লৈছিল। ৮৩। অন্য প্ৰাণীতকৈ মানুহৰ দুটা অতিৰিক্ত শক্তি আছে— মনত ৰখা, চিন্তা কৰা। ৮৪। ৮০ টোপাল তেজেৰে এটোপা শুক্ৰ হয়। ৮৫। জীৱ জগতত প্ৰায় ৩, ৪২, ৯০০ বিধ উদ্ভিদ আছে। ৮৬। কৌটিল্যৰ অৰ্থশাস্ত্ৰ মতে নাটকাভিনয় ব্ৰাহ্মণ সকলৰ দ্বাৰা নিষিদ্ধ। ৮৭। আমি প্ৰতিদিনে ৰাতি ২১৬০০ বাৰ শ্বাস প্ৰশ্বাস লওঁ। ৮৮। নাচপতি গছে প্ৰায় ৩০০ বছৰ ধৰি ফল দিয়ে।

৮৯। মেৰু প্ৰদেশৰ তুন্দ্ৰা অঞ্চলত ৬ মাহ দিন আৰু ৬ মাহ ৰাতি হয়। ৯০। মানুহে কেৱল মাত্ৰ গাখীৰ খাই গোটেই জীৱন জীয়াই থাকিব পাৰে। ৯১। খ্ৰীষ্টীয় ৩৬৯ চনত ইটালীৰ খ্ৰীষ্টান ধৰ্মগুৰু চেন্টবাসিলে প্ৰথম চিকিৎসালয় স্থাপন কৰে। ৯২। মানুহৰ দুটা বস্তুৰ এটা লগত যায় – পাপ-পুণ্য, আনটো ৰৈ যায়— কথা। ৯৩। ১৭০২ খ্ৰীষ্টাব্দত ইংল্যাণ্ডত কেম্ব্ৰিজ ট্ৰিনটি কলেজত সৰ্ব্ব প্ৰথম লিখিত পদ্ধতিৰ পৰীক্ষা দিয়াৰ প্ৰথা প্ৰবৰ্তিত হয়। ৯৪। ৰাছিয়াৰ লেলিন লাইব্ৰেৰী পৃথিৱীৰ সৰ্ব্ব বৃহৎ পুথিভঁড়াল। ইয়াত এক কোটি পঞ্চাশ লাখতকৈও অধিক গ্ৰন্থ আছে। ৯৫। ব্যায়াম হৈছে শাৰীৰিক স্বাস্থ্যৰ চাবিকাঠী। ৯৬। আমেৰিকাৰ স্কুল বিলাকত কোনো ছাত্ৰ ই এটা স্কুলবৰ্ষত ১১ দিনতকৈ বেছি ক্ষতি কৰিলে পৰীক্ষাত অকৃতকাৰ্য্য বুলি ঘোষনা কৰে। ৯৭। ৰাক্ষস আখ্যা পোৱাৰ ভয়তে মহাৰাষ্ট্ৰৰ লোকে পাৰ চৰাই ভক্ষণ নকৰে। ৯৮। হোমাৰৰ ইলিয়াড আৰু ওডিছি মহাকাব্য দুখন প্ৰথমে কাগজৰ অভাৱত সাপৰ ছালত লিখা হৈছিল। ৯৯। এণ্ডোৰা দেশত সৈন্য বা পুলিচ নাই। ১০০। ইটালিয়ান দেহতত্ত্ববিদ লাজাৰো স্পালানা-জানিৰ মতে বাদুলীয়ে কাণেৰেও দেখা পায়। ১০১। কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰৰ মতে উচ্চ বৰ্ণৰ লোকে শুকান মাছ খোৱা নিষেধ (বৰ্জনীয়)। ১০২। পুৰুষৰ বাম অঙ্গ আৰু তিৰোতাৰ সোঁ অঙ্গ স্পন্দন কৰা বিপদৰ লক্ষণ। ১০৩। সূৰ্য্যৰ পৰা পৃথিৱীলৈ পোহৰ আহিবলৈ প্ৰায় ৫০০ চেকেণ্ড (৮ মিঃ ২০ চেঃ) লাগে। ১০৪। পৃথিৱীৰ পৰা সূৰ্য্যৰ দূৰত্ব প্ৰায় ১৫৬, ১০২, ০০০ কিলোমিটাৰ। ১০৫। পৃথিৱী আৰু চন্দ্ৰৰ মাজত দূৰত্ব ২,৩৯০০০ মাইল। ১০৬। পোহৰৰ গতি বেগ প্ৰতি চেকেণ্ডত ১ লাখ ৮৪ হাজাৰ মাইল। ১০৭। শব্দৰ গতি বেগ প্ৰতি চেকেণ্ডত ১১০০ ফুট মাত্ৰ। ১০৮। যান বাহনত চৰোঁতাক ৯০ বছৰৰ অধিক বয়সীয়াক, ৰোগীক ভাৰ কঢ়িয়াওতাক, তিৰোতাক,

তকক, ৰজাক আৰু বিবাহৰ বৰক বাট এৰি দিব লাগে। ১০৯। কাঠেৰে জা হাতী, ছালেৰে সঁজা পহু আৰু অধ্যয়ন নকৰা ব্ৰাহ্মণ কেৱল মতহে কোনো কামৰ যোগ্য নহয়। ১১০। ভোকাতুৰ, ভয়াতুৰ, গল, খঙাল আৰু লুভীয়া মানুহৰ দয়া মৰম হিতাহিত জ্ঞান ন্য হয়। ১১১। ক্ৰোধৰ সময়ত একৰ পৰা এশ পৰ্য্যন্ত গণনা বিলে ক্ৰোধ উপসম হয়। ১১২। জুলিয়াছ চিজাৰে প্ৰথমে কেলেণ্ডাৰ বৰ্ত্তন কৰে। ১১৩। কবি লংফেলোৱে কফি উতলাবলৈ লগা দহ নিট সময়ৰ সদ্ব্যৱহাৰ কৰি "ইনফাৰনো" নামৰ কিতাপখন অলপ লপ কৈ লিখি উলিয়াইছিল। ১১৪। কবি পোপে নিশা বিছনাৰ ৰা উঠিও মনলৈ অহা ভাব টুকি ৰাখিছিল। ১১৫। ভীমৰাও মজী আম্বেদকাৰৰ শেষ কৃত্য সমাপনৰ সময়ত প্ৰায় ১০ লাখ লোকৰ মাগম হৈছিল। ১১৬। বেয়া কিতাপতকৈ ডাঙৰ ডকাইত নাই। ১১৭। ইটালিৰ ভেনিচ চহৰত গাড়ী মটৰ নচলে। ১১৮। মৃত জনৰ কু-চৰ্চ্চা কৰিব নালাগে। ১১৯। হামিং চৰায়ে পিছফালে উৰিব পাৰে ১২০। পেলেষ্টাইনৰ জৰ্ডান নদীত মাছ নাই। ১২১। মৌ মাখিৰ চকু পাঁচটা। ১২২। ১ দণ্ডত— ২২ মিনিট ৩০ চেকেণ্ড। ১২৩। বৰলৰ নেজৰ ফালে নাক আছে। ১২৪। ইংলণ্ডৰ ম্যান দ্বীপত মেকুৰীৰ নেজ নাই। ১২৫। ১৮৯৭ চনলৈকে কোনো অসমীয়া ছাত্ৰই এন-এ পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা নাছিল। ১২৬। ১৮৮৭ চনত চীনৰ হোৱাংহো নদীৰ বানে ৯ লাখ মানুহৰ প্ৰাণ নাশ কৰে। ১২৭। ভাৰত-বৰ্ষৰ আটাইতকৈ ডাঙৰ পুখুৰী জয়সাগৰ। ১২৮। ইংৰাজ মহিলা মিছ হেজেলাই ৫ বছৰ কাল ঘোঁৰাৰ পিঠিত কটাইছিল। ১২৯। পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি বজ্ৰপাত জাভা দ্বীপত হয়। ১৩০। ১৯৫৮ চনৰ ১ অক্টোবৰৰ পৰা মেট্ৰিক পদ্ধতিৰ জোখ-মাখ চলিছে। ১৩১। কাতি মাহৰ শুক্ল একাদশীৰ পৰা পাঁচ দিন বগলীয়েও মাছ নাখায়।

এই ব্ৰতক বক্ পঞ্চকব্ৰত বোলে। ১৩২। সোণ আৰু ৰূপাৰ পাত্ৰ পানীৰ দ্বাৰা; কাঁহৰ পাত্ৰ ছাইৰ দ্বাৰা, তাম্ৰা আৰু পিতলৰ পাত্ৰ টেঙাৰ দ্বাৰা, মাটিৰ পাত্ৰ জুইত পুৰিলে শুদ্ধ হয়। ১৩৩। তামাৰ ৰূপাৰ, সোণৰ আৰু শিলৰ পাত্ৰ ভগ্ন হলেও অশুদ্ধ নহয়। ১৩৪। ৰাষ্ট্ৰ-সংঘৰ শৰণাৰ্থী সম্পৰ্কীয় হাই কমিছনাৰে ভাৰত বিশ্ব শৰণাৰ্থী ৰাষ্ট্ৰ বুলি অভিহিত কৰিছে। ১৩৫। আচাৰ্য্য কৃষ্ণকান্ত সন্দিকৈয়ে ১৩ টা ভাষা জানিছিল। ১৩৬। তামিলনাডুৰ উপকূল অঞ্চলত জাৰ-জহ দুয়োটা ঋতুতে বৰষুণ হয়। ১৩৭। ১৯৪৫ চনৰ ২৪ অক্টোবৰৰ দিনা ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠা হয়। ১৩৮। বিশ্বত নিউজিলেণ্ডে পোন প্ৰথমে মহিলা সকলক ভোটদানৰ ক্ষমতা প্ৰদান কৰিছিল। ১৩৯। কুৰুক্ষেত্ৰ বৰ্ত্তমান হাৰিয়ানাত। দ্বাৰকা আৰু প্ৰভাসতীৰ্থ বৰ্ত্তমান গুজৰাটত। ১৪০। ৰাম সূৰ্য্য বংশ, কৃষ্ণ চন্দ্ৰ বংশ। ১৪১। মাক হ'ল শিশুৰ সৰ্ব্বপ্ৰথম শিক্ষক। ১৪২। মহাকাশ যানৰ শৌচাগাৰত মল ধুই নিবৰ বাবে পানীৰ সলনি বায়ু ব্যৱহাৰ কৰা হয়। ১৪৩। ইটালীক হ'দালিৰ দেশ বোলা হয়। ১৪৪। হাঁচিৰ শুভাশুভ নিৰ্ণয়— শয়ন, ভোজন, বহা কাৰ্য্য, দান, বিবাহ, বিবাদ আৰু বস্ত্ৰ পৰিধানৰ সময়ত হাঁচি পৰিলে শুভ হয়। বাকী সময়ত অশুভ হয়। অৱশ্যে বৃদ্ধ, শিশু আৰু যত্নপূৰ্ব্বক হাঁচিৰ নিৰ্ণয় নাই। ১৪৫। ১৮৫৪ চনৰ ১ অক্টোবৰত ভাৰতৰ প্ৰথম ডাক টিকট জাৰি কৰা হয়। ইয়াৰ নাম আছিল "ৰাণী ভিক্টোৰীয়া"। ইয়াৰ মূল্য আছিল মাত্ৰ ৩ পইচা। ১৪৬। আফ্ৰিকাত এনে এজোপা গছ আছে যিজোপা গছৰ ফুলত আটা পেলাই দিলে শিশুৰ দৰে হাঁহিৰ সৃষ্টি হয়। ১৪৭। অষ্ট্ৰেলিয়াত "চুম্বক বৃক্ষ" নামেৰে এজোপা গছ পোৱা যায়। এই গছজোপাই ওচৰেৰে গৈ থকা মানুহক টানি আনি তেওঁৰ তেজ শুহি লয়। শেষত প্ৰায় মৃতপ্ৰায় অৱস্থাত এৰি দিয়ে। ১৪৮। অন্যায়

ভাবে যিজনে প্রশ্নসোধে আৰু অন্যায় ভাবে যিজনে উত্তৰ দিয়ে, এই উভয়ে হয় মৰে নহয় বিদ্বেষৰ পাত্ৰ হয়। ১৪৯। আইক ভক্তি কৰিলে এই পৃথিৱীত সুখ ভোগ কৰে, পিতাক ভক্তি কৰিলে স্বৰ্গলোক লাভ কৰে আৰু আচাৰ্য্যক শুশ্ৰূষা কৰিলে ব্ৰহ্মলোক প্ৰাপ্ত হয়। ১৫০। শ্ৰুতিত উল্লেখ আছে যে ব্ৰাহ্মণাদি তিনি বৰ্ণৰ প্ৰথমতে মাকৰ পৰা জন্ম হয়, দ্বিতীয় জন্ম হয় উপনয়নৰ পৰা আৰু তৃতীয় জন্ম হয়, যজ্ঞদীক্ষাৰ পৰা। ১৫১। মাছভোজীক সৰ্ব্ব মাংসভোজী বোলে। ১৫২। ভেটিৰ লোভত সাক্ষাৰ অৰ্থৰ বিকৃত কৰি কয়, সি আবদ্ধ হৈ কাইটৰ সৈতে মাছ ভক্ষণ কৰে। ১৫৩। যি সাক্ষীয়ে মিছা কথা কয়, তেওঁ বৰুণ পাশত অৰ্থাৎ সৰ্পৰজ্জুৰ দ্বাৰাই আবদ্ধ হৈ গভীৰ পানীত পৰি অৱশ হৈ এশ জন্ম কষ্ট ভোগ কৰিবলগা হয়। ১৫৪। পশুৰ বিষয়ত মিছা সাক্ষ্য দিওঁতাজন পাঁচ পুৰুষ, গৰুৰ বিষয়ত মিছা সাক্ষ্য দিওঁতাজন দহ পুৰুষ, ঘোঁৰাৰ বিষয়ত এশ পুৰুষ আৰু মানুহৰ বিষয়ত মিছা সাক্ষ্য দিওঁতাজন এহাজাৰ পুৰুষ হত্যাৰ অপৰাধত পাপী হয়। ১৫৫। স্ত্ৰী-পুত্ৰৰ মূৰত স্পৰ্শ কৰাৰ পাছত তেওঁলোকৰ যদি কোনো ৰোগ নহয় তেনেহলে সেই শপত বিশুদ্ধ বুলি জানিব লাগে। ১৫৬। গাই গৰু, উট, ঘোঁৰা আদি মিলা-প্ৰীতিৰে অন্য মানুহে দহ বছৰ ভোগ কৰিলেও আচল গৰাকীৰ স্বত্ব লোপ নহয়। ১৫৭। যি পতিয়ে ব্যভিচাৰিণী ভাৰ্য্যাৰ ব্যভিচাৰ ক্ষমা কৰে আৰু যি গুৰুৱে সন্ধ্যাবন্দনা নকৰা শিষ্যক ক্ষমা কৰে তেওঁলোক নিজেই সেই পাপত পতিত হয়। ১৫৮। দ্বিজাতীয় সাধু লোকে ভোকত কাতৰ হৈ পৰৰ খেতি পথাৰৰ পৰা দুডাল কুঁহিয়াৰ আৰু দুটা মূলা গ্ৰহণ কৰিলেও কোনো দণ্ড দিব নালাগে। ১৫৯। কুভাৰী, চোৰ আৰু দণ্ডণীয় ব্যক্তিতকৈ, বলপ্ৰয়োগকাৰীক বেছি পাপিষ্ঠ বুলি জ্ঞান কৰিব লাগে।

১৬০। আঁততায়ীক ( ধৰ্ব্বোদ্যতক ) বধ কৰিলে কোনো দোষ নাই। ১৬১। ভিক্ষুক, বন্দী, দীক্ষিত আৰু ৰান্ধনি, এওঁলোকে নিৰ্ব্বিবাদে তিৰোতাৰ লগত আলাপ কৰিব পাৰে। ১৬২। দুমহীয়া গৰ্ভিনী, যতি, বাণপ্ৰস্থ, ব্ৰহ্মচাৰী আৰু ব্ৰাহ্মণে নৈ পাৰ হওঁতে একো কৰ দিব নালাগে। ১৬৩। পতিয়ে শুক্ৰৰূপে ভাৰ্য্যাত প্ৰৱেশ কৰি পুত্ৰ হিচাবে জন্ম গ্ৰহণ কৰে। সেইবাবেই পত্নীৰ আন নাম জয়া। ১৬৪। উপযুক্ত সময়ত কন্যাক বিবাহ দিব নোৱাৰিলে পিতা নিন্দনীয় হয়, ঋতুকালত ভাৰ্য্যা গমন নকৰিলে স্বামী নিন্দনীয় হয় আৰু স্বামীৰ মৃত্যুৰ পাচত পুত্ৰই মাকক ভৰণ-পোষণ নকৰিলে পুত্ৰ নিন্দনীয় হয়। ১৬৫। মদ পান, দুৰ্জ্জনৰ লগত সংসৰ্গ, পতি বিৰহ, অ'ত ত'ত ঘূৰি ফুৰা, অসময়ত শয়ন আৰু অইনৰ ঘৰত বাস, এই ছয়টাই তিৰোতাৰ নষ্ট হোৱাৰ কাৰণ। ১৬৬। তিৰোতা সকলৰ বেদ মন্ত্ৰেৰে কোনো সংস্কাৰ কাৰ্য্য নহয়। ১৬৭। সহোদৰ ডাঙৰ ভাইৰ পত্নী, সৰু ভাইৰ মানত গুৰু পত্নীস্বৰূপা অৰ্থাৎ আইৰ তুল্য। আৰু সহোদৰ সৰু ভাইৰ পত্নী ডাঙৰ ভাইৰ মানত পুত্ৰবধুৰ স্বৰূপ। গতিকে উভয়ৰ লগত উভয়ৰ সংগম নিষিদ্ধ। ১৬৮। যি তিৰোতাই কেৱল মৃত সন্তান জন্ম দিয়ে তেতিয়া দহ বছৰৰ পিচত আৰু যি তিৰোতাই কেৱল কন্যা সন্তান জন্ম দিয়ে তেতিয়া এঘাৰ বছৰৰ পিচত স্বামীয়ে দ্বিতীয় বিবাহ কৰাব পাৰে। ১৬৯। পতীয়ে নিজ ইচ্ছাত পত্নী বিবাহ নকৰায়, পূৰ্ব্বতে দেৱতাৰদ্বাৰাই যি পত্নী দান কৰা হৈছে সেই পত্নীহে পায়। ১৭০। জ্যেষ্ঠজনেই পিতৃ ঋণৰ পৰা মানুহক মুক্ত কৰে বাবে তেওঁক ধৰ্মজ আৰু বাকীবোৰক কামজ সন্তান বোলে। ১৭১। পিতৃধন ভগোৱাৰ সময়ত অবিবাহিতা ভগিনী থাকিলে ভ্ৰাতৃসকলে নিজ নিজ অংশৰ পৰা পৃথক পৃথক কৰি চাৰি ভাগৰ এভাগ ভগিনীক দিব লাগে। ১৭২। অপুত্ৰ পিতাৰ ধন

দৌহিত্রই পায়। ১৭৩। বিদ্যাধন, মিত্রৰ পৰা পোৱা ধন, বিবাহত পোৱা ধন আৰু যাজনিক বৃত্তি কৰি পোৱা ধন আনে অংশ নাপায়। ১৭৪। হাত চাই জীৱিকা কৰাজনক ঈক্ষণিক বোলে। ইও এক প্ৰবঞ্চক। ১৭৫। ব্ৰাহ্মণ আদি তিনি বৰ্ণৰ বেদ অধ্যয়নৰ অধিকাৰ আছে। ১৭৬। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য, এই তিনি জাতিৰ উপনয়নাদি সংস্কাৰ কৰ্ম থকা বাবেই এওঁলোকক দ্বি জাতি বুলি কোৱা হয়। ১৭৭। ক্ষত্ৰিয়ৰ দ্বাৰাই ব্ৰাহ্মণীত জন্ম সন্তানক সূত, শূদ্ৰৰ দ্বাৰাই বৈশ্য, ক্ষত্ৰিয়া আৰু ব্ৰাহ্মণীত জন্মা সন্তানক চণ্ডাল আৰু ব্ৰাহ্মণৰ দ্বাৰা বিবাহিতা শূদ্ৰাত জন্মা সন্তানক নিষাদ বুলি কোৱা হয়। ১৭৮। ব্ৰাহ্মণ সকলে সিদ্ধান্ন, তিল, প্ৰস্তৰ, লোণ, পশু, মানুহ, শণ-পাট আৰু ৰঙা সূতাৰে তৈয়াৰী কাপোৰ, ফল-মূল, ঔষধ, পানী, অস্ত্ৰ, বিষ, মাংস, সোমৰস, গন্ধ দ্ৰব্যসমূহ, ক্ষীৰ, দৈ, ঘি, মৌ, গুড়, মম, কুশ, লাক্ষা (লা) আদি বেচিলে পতিত হয়। ১৭৯। ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ই আপৎকালতো সুদৰ কাৰণে ধন প্ৰয়োগ কৰিব নালাগে। ১৮০। অল্প ধনৰে যজ্ঞ কৰি অলপ দক্ষিণা দিলে চক্ষু আদি ইন্দ্ৰিয়, যশস্যা, স্বৰ্গ, আয়ুস, কীৰ্ত্তি, পুত্ৰাদি, প্ৰজা আৰু গৰু আদি পশু নাশ হয়। ১৮১। জ্ঞনতঃ মেকুৰী, নেউল, চাষপক্ষী, ভেকুলী, কুকুৰ, গোধা, ফেঁচা, কাউৰী এইবোৰৰ কোনোটোক বধ কৰিলে শূদ্ৰ বধৰ সমান পাপ হয়। মেকুৰী বধ কৰিলে তিনিদিন দুগ্ধ পান কৰিব লাগে। ১৮২। যিলোকে শিশু বধ কৰে, উপকাৰীৰ অপকাৰ কৰে, শৰণাগতক হত্যা কৰে আৰু স্ত্ৰীবধ কৰে তেওঁ প্ৰায়শ্চিত্ত হলেও তেওঁৰ লগত কোনো প্ৰকাৰ ব্যৱহাৰ কৰিব নালাগে। ১৮৩। ব্ৰাহ্মণ সজ্জনক "চুপ কৰ" বুলি ক'লে আৰু গুৰু জনক "তুমি" বুলিলে দিন শেষ নোহোৱা পৰ্য্যন্ত গা ধুই লঘোনে থাকি অপমানিত জনক ভৰিত ধৰি সন্তুষ্ট কৰিব লাগে। ১৮৪। দোষ প্ৰকাশ, অনুতাপ, তপস্যা আৰু

অধ্যয়নৰ দ্বাৰাই পাপকাৰী পাপৰপৰা মুক্ত হয়, কিন্তু ব্রতৰ কাৰণে অক্ষমজন দানৰ দ্বাৰাই মুক্ত হয়। ১৮৫। ধান চুৰ কৰিলে এন্দুৰ, কাঁহ চুৰ কৰিলে হাঁহ, পানী চুৰ কৰিলে প্লব নামেৰে পক্ষী, মৌ চুৰ কৰিলে দাঁহ, দুগ্ধ চুৰ কৰিলে কাউৰী, তেল চুৰ কৰিলে কুকুৰ, ঘি চুৰ কৰিলে নেউল, মাংস চুৰ কৰিলে শগুণ, লোণ চুৰ কৰিলে উচিৰিঙা, দৈ চুৰ কৰিলে বগলী পক্ষী, গৰু চুৰ কৰিলে গোধা, গুড় চুৰ কৰিলে বাদুলী হৈ জন্ম গ্রহণ কৰে। ১৮৬। চকুৰ পলকৰ নাম নিমিষ। ১৮ নিমিষত এককাষ্ঠা, ত্রিশ কাষ্ঠাত এক কলা, ত্রিশ কলাত এক মুহূর্ত্ত আৰু ৩০ মুহূর্ত্তত এক দিন-ৰাতি হয়। ১৮৭। সত্য যুগত সকলোৰে ৪০০ বছৰ পৰমায়ু, ত্রেতাত ৩০০ বছৰ, দ্বাপৰত ২০০ বছৰ আৰু কলিত ১০০ বছৰ হ'ল। ১৮৮। এক অক্ষৌহিনি সেনাৰ সংখ্যা ১০,৯,৩৫০ টা পদাতি, ৬৫,৬১০ টা ঘোঁৰা, ২১৮৭০ খন ৰথ, ২১৮৭০ টা হাতী। ১৮৯। সুধর্ম সভাত থকা সকলৰ ক্ষুধা, তৃষ্ণা, শোক, মোহ, জৰা, মৃত্যুৰ ভয় নাথাকে। ১৯০। মেৰু পর্ব্বত হিন্দু শাস্ত্রমতে পৃথিৱীৰ মাজ ভাগত থকা এটা পর্ব্বত। সি ৮৪,০০০ যোজন ওখ। তাৰ মূৰত ব্রহ্মলোক আছে। তাৰ চাৰিওকালে সূর্য্য গতি কৰাত পৃথিৱীত দিন-ৰাতি হয়। ১৯১। সূর্য্য পুত্র বৈবস্বত মনুৰ পৰা পৃথিৱীত সূর্য্য বংশ প্রবর্ত্তিত হৈছে— বিখ্যাত ৰজা শ্রীৰামচন্দ্র। সেমৰ ঔৰসত বৃহস্পতি ভার্য্যা তাৰাৰ গৰ্ভত বুধৰ জন্ম হয়। এই বুধৰ পৰা পৃথিৱীত চন্দ্র বংশ প্রবর্ত্তিত হৈছে। ১৯২। বিবাহত কন্যা দানৰ অধিকাৰ অনুক্রমে হ'ল— কন্যাৰ পিতা, খুৰা, পিতামহা, ভাই, মাতামহ, মোমাই, আই আৰু ইয়াৰ অভাৱে একে কুলৰ আন লোকেও দান কৰিব পাৰে। দৰা পূর্ব্বমুখ কৰি বহিব আৰু কন্যা দাতা উত্তৰ মুখ কৰি বহি দান কার্য্য কৰিব। ১৯৩। অন্নপ্রাশন ল'বাৰ ৬ মাহ বা ৮ মাহ আৰু

ছোৱালীৰ ৫ মাহ বা ৭ মাহ মুখ্য কাল। ১৯৪। চুড়াকৰণ তৃতীয় বছৰত প্ৰসস্ত। অন্যথাই অযুগ্ম বছৰত কৰিব পাৰে। ১৯৫। উপনয়ন অষ্টম বছৰত মুখ্য কাল যদিও ১৬ বছৰ পৰ্য্যন্ত অধিকাৰ কাল থাকে। ১৯৬। তামৰ পাত্ৰত দুগ্ধ, মৌ, জল, লবণৰ লগত দুগ্ধ, কাঁহৰ পাত্ৰত ডাব নাৰিকলৰ পানী, উচ্ছিষ্ট ঘিউ, মাঘ মাহত মূলা, কাতি মাহত বেঙেনা, হৰি সয়নৰ সময়ত কলমৌ শাক দীক্ষিত লোকে বাওঁ হাতেৰে জল ভক্ষণ সৰ্বদা বৰ্জনীয়। ১৯৭। সগৰ ৰজাৰ ভাৰ্য্যা বৈদৰ্ভী শিৱৰ বৰত গৰ্ভৱতী হয়। সেই গৰ্ভ ১০০ বছৰ থকাৰ পিছত এটুকুৰা মাংস পিণ্ড প্ৰসৱ কৰে। দেৱীয়ে কান্দিবলৈ ধৰাত শিৱই সেই মাংসপিণ্ড ৬০ হাজাৰ খণ্ডত কাটি পুত্ৰ জন্ম দিলে। ১৯৮। জ্যোতিষ শাস্ত্ৰৰ প্ৰৱৰ্তক সকল হ'ল— সূৰ্য্য, ব্যাস, বশিষ্ঠ, অত্ৰি, পৰাশৰ, কাশ্যপ, নাৰদ, গৰ্গ, মৰীচি, মনু, অংগিৰা, লোমশ, পুলশ, চ্যৱন, ভৃগু আৰু শৌনক মুনি। ১৯৯। ব্ৰাহ্মণ সকলৰ পিতৃলোকৰ নাম সোমপা, ক্ষত্ৰিয়সকলৰ নাম হবির্ভুজ, বৈশ্য সকলৰ নাম আজ্যপা আৰু শূদ্ৰ সকলৰ নাম সুকালিন। ২০০। গুৰু, দেৱ, নাম আৰু ভকত এই চাৰি বস্তুৰ তত্ব যিজনে জানে তেওঁক এটকা মহন্ত বোলে। ২০১। জেঠ মাহৰ শুক্ল দশমী তিথিত গঙ্গাদেৱী পৃথিৱীলৈ আহিছিল। ২০২। জন্মৰ দিনটোতকৈ মৃত্যুৰ দিনটো ভাল। ২০৩। চীনদেশৰ লিঃ য়ু ছিন লং ২৫২ বছৰ জীয়াই আছিল। ২০৪। তুৰস্কৰ জাৰা আগা ১৮৬ বছৰ জীয়াই আছিল। ২০৫। চীন দেশৰ ৰজা চিন-চি হুৱাংটিৰ ১৩,১৪০ গৰাকী মহিষী আৰু ল'ৰা-ছোৱালীৰ সংখ্যা ২৮০০ টা আছিল।

## মানি চলা ভাল

১। দক্ষিণ আৰু পশ্চিম মুৱাকৈ দাঁত ঘঁহিব নেপায়। ২। ঘিউ, মাছ, মাংস, কণী আৰু এৱাগাখীৰ একেলগে খোৱা নিষেধ। ৩। ৰবিবাৰে

ডুবৰি বন আৰু ৰাতি তুলসী চিঙা নিষেধ। ৪। বিধৱা নাৰীয়ে খোপা বান্ধিলে আৰু তামোল খালে স্বামীৰ পৰলোক গমনত বাধা হয়। ৫। তৰ্জনী আঙ্ুলিৰে কোনো দিনে দাঁত ঘঁহিব নাপায়। দাঁত সদায় পূৱ আৰু উত্তৰ মুৱাকৈ ঘঁহিব লাগে। ৬। যতি, বিধবা আৰু ব্ৰহ্মচাৰীয়ে তামোল ভক্ষণ নিষিদ্ধ। ৭। ৰাম নৱমী, জন্মাষ্টমী আৰু শিৱৰাত্ৰিৰদিনা দিবা অন্ন ভক্ষণ নিষেধ। ৮। দিবা নিদ্ৰা, ৰাত্ৰি দধি ভক্ষণ আৰু ঋতুমতী নাৰীৰ পাকন্ন ভক্ষণে পাতকী হয়। ৯। ৰবিবাৰে শ্ৰাদ্ধদিনত, ব্ৰতৰ সময়ত স্ত্ৰী সম্ভোগ আৰু তিল তেল, ৰঙা শাক আৰু মাটি মাহ ভক্ষণ নিষিদ্ধ। ১০। শৰীৰত তেল ঘঁহোতে সদায় নিম্ন ভাগৰ পৰা ক্ৰমে ওপৰ ভাগলৈ ঘঁহি যোৱাহে বিধেয়। ১১। ভাদ্ৰ মাহৰ শুক্ল আৰু কৃষ্ণ পক্ষৰ চতুৰ্থী তিথিৰ চন্দ্ৰ (নষ্ট চন্দ্ৰ হেতুকে) দৰ্শন কৰিলে কলঙ্ক পাব লাগে। ১২। যেই জন শঙ্খ ৰাখে ভূমিৰ উপৰে।

সেই জন কুষ্ঠৰোগে ভোগে জন্মান্তৰে ॥

১৩। অন্য বাদ্যৰ অভাবত কেবল ঘণ্টা বজাই সকলো পূজা কৰিব পাৰি। ১৪। যি নাৰীয়ে ভাদমাহৰ শুক্ল নৱমী তিথিত তালফলসহ ৯ বিধ ফলৰে বিষ্ণু উপাসনা কৰে তেওঁ অকাল বৈধব্যৰ পৰা ৰক্ষা পৰে। ১৫। একোদ্দিষ্ট শ্ৰাদ্ধ (বিবাহ আদি) মধ্যাহ্নে আৰু পাৰ্ব্বণ (পিতৃ-মাতৃ আদিৰ) শ্ৰাদ্ধ অপৰাহ্নে সমাপ্ত হ'ব লাগে। ১৬। ৰুদ্ৰ জামালৰ মতে স্বামীয়ে ভাৰ্য্যাক, পিতৃয়ে পুত্ৰ-কন্যাক আৰু সহোদৰ ভাতৃক দীক্ষা দিব নাপায়। ১৭। শ্ৰাদ্ধৰ দিনা কোনো গছৰ ঠানীৰে দাঁত ঘঁহিব নাপায়। ১৮। পিতৃ-মাতৃ জীৱিত লোকে দক্ষিণ আৰু পশ্চিম মুখে অন্ন খোৱা নিষেধ। ১৯। তিতা কাপে'ৰ পিন্ধি, পানীৰ ওপৰত থাকি আৰু এক হাতেৰে নমস্কাৰ আৰু আশীৰ্ব্বাদ দিলে আৰু গ্ৰহণ কৰিলে পুণ্য নষ্ট হয়। ২০। গল

নোহোৱা গোলাকাৰ লাউ, বগা বৰণৰ বেঙেনা আৰু দগ্ধ অন্ন ভোজন নিষিদ্ধ। ২১। ৰবিবাৰে মৎস্য, মাংস, মৌ, কলাই আৰু মচুৰ দাইল, নিমপাত, বেল, কাঁজি ( চাউল সিজাই বনোৱা পানীয় মদ ) আদি ভক্ষণ কৰিলে সপ্ত জন্ম পৰ্য্যন্ত অপুত্ৰক হয়। ২২। কাতি মাহটোত ঘিউ বা তেলৰে দেৱমণ্ডপত বা আকাশ বন্তি জ্বলালে অক্ষয় ফল লাভ হয়। ২৩। নিজে গাঠা ফুলৰ মালা নিজে পৰিধান কৰিলে আৰু নাপিতৰ গৃহত গৈ ক্ষৌৰ কৰ্ম কৰিলে লক্ষ্মী ভ্ৰষ্ট হয়। ২৪। সূৰ্য্য গ্ৰহণৰ ১-৩০ মিঃ পূৰ্ব্বৰ আৰু চন্দ্ৰ গ্ৰহণৰ ১-১০ মিঃ পূৰ্ব্বৰ পৰা ভোজন নিষিদ্ধ। ২৫। ভোজন কৰি থকা সময়ত প্ৰদীপ নুমাই গ'লে হাতেৰে ভোজন পাত্ৰ ঢাকি ধৰি জনাৰ্দ্দন নাম স্মৰণ কৰিব লাগে। ২৬। স্নান কৰাৰ পিচত পুনৰ ভৰি হাত নোধোৱাকৈ মন্দিৰত বা গৃহত প্ৰৱেশ কৰিলে ১ বছৰৰ পুণ্য নষ্ট হয়। ২৭। সন্তান ভূমিষ্ঠ হোৱাৰ পিচতে নাড়ী ছেদন কৰাৰ আগে আগে ঘি, মৌ আৰু সোণৰ পানী খুৱাব লাগে। ২৮। তাল ফল আৰু বেল ফল খাই তৎক্ষণাত পানী খালে, শৰৎ কালত গৰম পানী আৰু ভাদ্ৰ মাহত তিতা দ্ৰব্য খালে পিত্ত প্ৰবল হৈ শৰীৰ অনিষ্ট কৰে। ২৯। গুৰুৰ বংশত, জ্ঞাতিৰ বংশত আৰু মোমাই বংশত ভিক্ষা কৰিব নালাগে। ৩০। যি কন্যাৰ চুলি কপিলা, যাৰ অধিক অঙ্গ, যাৰ গাত নোম নাই, যাৰ গাত বহুল নোম, যাৰ চকু পিঙ্গল বৰণৰ আৰু যাৰ ভাতৃ নাই তেনে কন্যা বিবাহ নকৰালে ভাল। ৩১। তিৰোতাৰ ঋতুকালৰ প্ৰথম চাৰি ৰাতি, একাদশ ৰাতি, ত্ৰয়োদশ ৰাতি, পৰ্ব্বদিনত, ব্ৰতাদিত ভাৰ্য্যাগমন ( সঙ্গম ) নিষিদ্ধ। ৩২। সাধাৰণতে যুগ্ম ৰাত্ৰিত ভাৰ্য্যা-গমনত পুত্ৰ আৰু অযুগ্ম ৰাত্ৰিত কন্যা জন্ম হয়। ৩৩। শ্ৰাদ্ধৰ দিনা দূৰগমন, যুদ্ধ, নদী পাৰ হোৱা, পাশা খেলা, স্ত্ৰী সহবাস, আন শ্ৰাদ্ধৰ দ্ৰব্য ভোজন, অধ্যয়ন, দান, প্ৰতিগ্ৰহ আৰু দুসাজ খালে শ্ৰাদ্ধ নিস্ফল হয়।

৩৪। সাম বেদীয় সকলে চিতাত শবৰ শিৰ দক্ষিণ মুৱাকৈ ৰাখিব লাগে। অন্য বেদীয় সকলে উত্তৰ মুৱাকৈ শিৰ ৰাখিব লাগে। শৱ দক্ষিণ হস্তে ৰাখি ৫/৭ বাৰ প্ৰদক্ষিণ কৰি প্ৰথমে শিৰ ভাগে অগ্নি সংযোগ কৰিব লাগে। শৱৰ মুখত অগ্নি স্পৰ্শ কৰিব নাপায়। শৱ দাহনকাৰীয়ে গৃহলৈ আহি স্নানান্তে অগ্নিৰ তাপ লৈ মুখত ঘিউ, চাউল আৰু নিম গছৰ পাত লব লাগে। ৩৫। জননাশৌচ বা মৰণাশৌচ চলি থকা সময়ত নতুনকৈ অন্য কোনো তেনে অশৌচ আৰম্ভ হ'লে পূৰ্ব্বৰ অশৌচৰ যিমান দিন অতিবাহিত হৈছে নতুন অশৌচৰো সিমান দিনে হ'ব। অৰ্থাৎ প্ৰথম অশৌচৰ শেষৰ দিনাই দ্বিতীয় অশৌচৰো অন্ত পৰিব। ৩৬। লাহা, মধু, মাংস, লোহা আৰু বিষ বিক্ৰী কৰি যিয়ে পৰিয়াল ভৰণ-পোষণ কৰে তেওঁ পাপী হয়। ৩৭। তিৰোতাই কোমোৰা কাটিলে আৰু পুৰুষে চাকি নুমালে বংশ নাশ হয়। ৩৮। ৰবি আৰু শুক্ৰবাৰে পশ্চিমে, মঙ্গল আৰু বুধবাৰে উত্তৰে, সোম আৰু শনিবাৰে পূবে, বৃহস্পতিবাৰে দক্ষিণে যাত্ৰা কৰা নিষেধ। ৩৯। সন্মুখ আৰু সোঁফালে যোগিনী ৰাখি যাত্ৰা কৰিলে বধ আৰু বন্ধনাদি হয়। কিন্তু পিঠি আৰু বাওঁ ফালে ৰাখি যাত্ৰা কৰিলে সিদ্ধি হয়। ৪০। বিবাহৰ প্ৰশস্ত বাৰ— সোম, বুধ, বৃহস্পতি আৰু শুক্ৰ এই চাৰিবাৰত বিবাহ দিলে কন্যা সৌভাগ্য-শালিনি হয়। ৰবি, মঙ্গল আৰু শনিবাৰে বিবাহ দিলে কন্যা কুলটা হয়। দিবা বিবাহ নিষিদ্ধ। ৪১। বিবাহৰ প্ৰশস্ত মাহ— বহাগ, জেঠ, আঘোণ, মাঘ, ফাগুন উত্তম মাহ। বাকী সাত মাহ অধম মাহ। ৪২। যাত্ৰাৰ উত্তম নক্ষত্ৰ— অশ্বিনী, অনুৰাধা, ৰেৱতী, মৃগশিৰা, পুনৰ্ব্বসু, পুষ্যা, হস্তা, শ্ৰবণা আৰু ধনিষ্ঠা। ৪৩। গুৰুৰ আৰু পিতৃ শ্ৰাদ্ধত অমাবস্যা, পূৰ্ণিমা আৰু সংক্ৰান্তিত ছুসাজ খোৱা নিষিদ্ধ। ৪৪। কন্যাই পিতৃগৃহত ভোজন কৰি সেই দিনাই স্বামীৰ গৃহত

ভোজন কৰিলে কুলক্ষয়কাৰিণী হয়। ৪৫। শৌচ-প্ৰস্ৰাবৰ সময়ত, দাঁত ঘঁহাৰ সময়ত, স্নানৰ আৰু ভোজনৰ সময়ত মৌন হৈ থাকিব লাগে। ৪৬। যতি, ব্ৰহ্মচাৰী, বিধৱা আৰু দ্বিজসকলে অম্বুবাচীৰ ভিতৰত পাকন্ন ভক্ষণ নিষিদ্ধ। ৪৭। মহাগুৰু ( পুৰুষৰ পিতা-মাতা, স্ত্ৰীৰ স্বামী ) পৰলোক হ'লে এবছৰলৈকে বিবাহ, তীৰ্থযাত্ৰা, পৌৰহিত্য, বেদাধ্যয়ন, সন্ন্যাস গ্ৰহণ আৰু কাম্যকৰ্ম নিষেধ। ৪৮। ক্ষৌৰ কৰ্মৰ ফলাফল— ৰবিবাৰে ক্ষৌৰ কৰ্মৰ ফল দুখ, সোমবাৰে সুখ, মঙ্গলবাৰে মৃত্যু, বুধবাৰে বলবৃদ্ধি, বৃহস্পতিবাৰে মানহানি, শুক্ৰবাৰে কীৰ্য্যহানি, শনিবাৰে সমস্ত দোষ হয়। ৪৯। ভোজনৰ ফলাফল— পূৱ মুখে ভোজন কৰিলে আয়ু বৃদ্ধি, দক্ষিণ মুখে যশস্যা বৃদ্ধি, পশ্চিম মুখে ধন সম্পত্তি, পৰাক্ৰম বৃদ্ধি আৰু উত্তৰ মুখে ভোজন কৰিলে নিস্কামী হয়। ৫০। চতুৰ্দ্দশী, অষ্টমী, অমাৱস্যা, পূৰ্ণিমা, একাদশীদ্বয়, সংক্ৰান্তি, মহাপুৰুষৰ তিথি, অন্নপ্ৰাশন, চূড়াকৰণ, উপনয়ন, সপিণ্ডন, নান্দীমুখ আৰু পাৰ্ব্বণ শ্ৰাদ্ধত আৰু ৰবিবাৰে মৎস্য, মাংস ভক্ষণ, মৈথুন আৰু তেল ঘঁহা নিষেধ। ৫১। অন্ন বিতৰণৰ সময়ত কান্দিব নালাগে, খং কৰিব নালাগে। ভৰিৰে স্পৰ্শ কৰিব নালাগে। আৰু বিতৰণৰ পাত্ৰৰ পৰা উদংকৈ থোৱা পাত্ৰত দিব নালাগে ৫২। দীক্ষিত জন বয়সত সৰু হলেও ধৰ্ম্মজ্ঞ লোকে তেওঁৰ নাম কাঢ়ি সম্বোধন কৰিব নালাগে। ৫৩। শূদ্ৰ একানব্বৈ বছৰত ভৰি দিলেই মাননীয় হয়। ৫৪। সূৰ্য্যক উদয় হোৱা সময়ত, অস্ত যোৱা সময়ত, ৰাহুৱে গ্ৰাস কৰা সময়ত, পানীত প্ৰতিবিম্ব পৰাত আৰু মাজ আকাশত থকা সময়ত কেতিয়াও চাব নালাগে। ৫৫। পানীত নিজৰ প্ৰতিবিম্ব চাব নালাগে। ৫৬। দামুৰী বন্ধা ৰচি কেতিয়াও এৰি দিব নালাগে। ৫৭। ভাৰ্য্যাৰ সৈতে এক থালত খাব নালাগে, তেওঁ খাই থকা সময়ত চাব নালাগে।

৫৮। এখন কাপোৰ পৰিধান কৰি ভাত খাব, নঙঠা হৈ গা ধুব, বাটত ছাইত আৰু গোবৰত প্ৰস্ৰাব কৰিব নালাগে। ৫৯। আকাশত ইন্দ্ৰধনু দেখি আন কাকো দেখুৱাব নালাগে। ৬০। মাটিত লিখিব নালাগে আৰু পৰিধান কৰা মালা নিজেই সোলোকাব নালাগে। ৬১। পানীত শৌচ-পেচাব কৰিব আৰু মুখেৰে ফুঁক দি জুই জ্বলাব নালাগে। ৬২। সন্ধ্যাবেলা খাব নালাগে আৰু দুই ভৰি জুঁইত দি তপতাব নালাগে। ৬৩। আজলি ভৰাই পানী পিব আৰু হাতৰ তলুৱাৰে দুই বাহুত বাজনা বজাব নালাগে। ৬৪। কাঁহৰ বাচনত ভৰি ধুব আৰু ভঙা বাচনত খাব নালাগে। ৬৫। শিং ভঙা আৰু নেজ ছিঙা হাতী, ঘোঁৰা আদি বাহনত উঠিব নালাগে। ৬৬। দাঁতেৰে নখ কামুৰিব আৰু নখেৰে তৃণাদি চিঙিব নালাগে ৬৭। শয়ন কৰি কৰি ভক্ষণ কৰিব আৰু খোৱা পাত্ৰ হাতত লৈ খাব নালাগে। ৬৮। সূৰ্য্য অস্ত হ'লে তিল মিহলি কোনো খাদ্য খাব নালাগে। ৬৯। তিতা ভৰিৰে আৰু উলঙ্গ হৈ শুব নালাগে। ৭০। চুলি, ছাই, অস্থি, মাটিৰ পাত্ৰৰ ভঙা টুকুৰা, কপাহৰ গুটি আৰু তুহঁৰ ওপৰত অধিস্থান কৰিলে আয়ুস টুটে। ৭১। দুই হাতেৰে নিজৰ মূৰ খজুৱাব নালাগে আৰু মূৰত পানী নিদিয়াকৈ গা ধুব আৰু খং উঠিলেও কাৰো চুলিত ধৰিব নালাগে। ৭২। শৰীৰত তেজ ওলালে বা গাত অস্ত্ৰাঘাত হ'লে বেদপাঠ কৰিব নালাগে। ৭৩। গুৰু, সাধু সন্ত আৰু বৃদ্ধ লোক বিদায় হৈ গ'লে পিছে পিছে যাব লাগে। ৭৪। শাসন কৰিবৰ কাৰণে নিজৰ পুত্ৰ, শিষ্য, পত্নী, চাকৰ আদিক কোৱাব পাৰি। ৭৫। পৰৰ পুখুৰীত স্নান কৰিলে পাপৰ ভাগী হ'ব লাগে। ৭৬। চুলি, কীট পতঙ্গাদি যুক্ত আৰু ইচ্ছা কৰি ভৰিৰে গচকা অন্ন খাব নালাগে। ৭৭। ক্লীবৰ অন্ন, মিঠাবস্তু টেঙা হ'লে, ৰাতিৰ বাহি বস্তু আৰু কাৰো খাই এৰা বস্তু ভক্ষণ কৰা অনুচিত।

৭৮। পুত্ৰহীনা স্ত্ৰীৰ অন্ন, শত্ৰুৰ অন্ন, পতিতাৰ অন্ন, দৰ্জিৰ অন্ন আৰু যি অন্নৰ ওপৰত হাঁচি পৰে সেই অন্ন খাব নালাগে। ৭৯। কমাৰ, নিষাদ, সোণাৰী, নটুৱা, ধোবা, লো বেচোতা কাপোৰ ৰং কৰোতা, উপপতি থকা ঘৰত ভাত খাব নালাগে। ৮০। নহৰু, গাজৰ, পিয়াজ, বেংছটা আৰু বিষ্ঠাদিত জন্মা শাক, ৰঙা বৰণৰ বৃক্ষ ৰস, দ্বিজাতীসকলৰ অখাদ্য বস্তু। ৮১। গাইৰ ফেঁহু, প্ৰসবৰ পৰা দহদিন গত নোহোৱা গাইৰ গাখীৰ, উটৰ গাখীৰ, ভেৰাৰ গাখীৰ আৰু দামুৰী মৰা গাইৰ গাখীৰ খাব নালাগে। ৮২। ইহঁলোকত মই যাৰ মাংস খাও পৰলোকত সি মোৰ মঙহ খাব। ৮৩। স্বামীয়ে খং কৰিলেও স্ত্ৰীলোক সদায় আনন্দিত হ'ব লাগে আৰু খৰচৰ বেলিকা হাতৰ মুঠি বান্ধিব লাগে। ৮৪। নক্ষত্ৰ বা হস্তৰেখাৰ ফলাফল নিৰ্ণয় কৰি কাৰো পৰা ধন বা দ্ৰব্য ভিক্ষা কৰিব নালাগে। ৮৫। চুলি মেলি থকা, যুদ্ধ এৰি নিজৰ ঠাইত বহি থকা জনক, শুই থকা জনক, নঙঠা জনক, নিৰস্ত্ৰ জনক, আত্মসমৰ্পণ কৰা জনক বধ কৰিব নালাগে। ৮৬। যি ব্ৰাহ্মণে অইনৰ গৰু চাৰে, বাণিজ্য কৰে, ৰান্ধনি কাম কৰে, নৰ্ত্তক আৰু গায়ক বৃত্তি গ্ৰহণ কৰে তেওঁ শূদ্ৰৰ শাৰীত পৰে। ৮৭। চক্ৰবৃদ্ধি, কালবৃদ্ধি, কাৰিতা আৰু কায়িকা নামৰ চাৰি প্ৰকাৰ অশাস্ত্ৰীয় সুত গ্ৰহণ কৰিলে অধৰ্ম হয়। ৮৮। পিতৃ ঋণী অৱস্থাত মৃত্যু হ'লে পুত্ৰই সেই ধাৰ সোধাব লাগে। ৮৯। ভেজাল দি, অসাৰ বস্তুক ভাল বুলি কৈ পৰিমাণত কম কৰি, দূৰত থকা কোনো বস্তু আৰু খঙৰ বশবৰ্ত্তী হৈ কোনো বস্তু বেচিব নালাগে। ৯০। সীমা বিবাদ নহবৰ কাৰণে শাল, তাল, বিজুলি বাঁহ, শমিধ গছ, বল্লীলতা আৰু মাটিৰ ঢিপ ৰাখিব লাগে। ৯১। শিল, অস্থি, তুঁহ, ছাই, এঙ্গাৰ, খোলা, বালি প্ৰভৃতি মাটিৰ তলত অপ্ৰকাশিত কৰি সীমাৰ চিন স্বৰূপে ৰাখিব লাগে। ৯২। পূব দিশে মূৰ দি শয়ন কৰিলে

বিদ্যালাভ, দক্ষিণ দিশে বল আৰু আয়ুস বৃদ্ধি, পশ্চিম দিশে অত্যন্ত চিন্তাশিল হয়। উত্তৰ দিশে হানি আৰু মৃত্যু তুল্য দোষ হয়। ৯৩। সংস্কৃত ভাষাৰ নীতি শ্লোকৰ মতে পাণৰ গুৰি খালে বেমাৰ আজাৰ হয়। আগটোৱে মানুহক পাপ কামত লিপ্ত কৰাব পাৰে। পাণৰ সিৰ বোৰে মগজুত ক্রিয়া কৰি বুদ্ধি নাশ কৰে। শুকান পাণ খালে আয়ুস কমে। ৯৪। দ্বাদশী, সংক্রান্তি, সন্ধ্যা, অমাৱস্যা, পূর্ণিমা আৰু ৰাতি তুলসী চিঙা নিষেধ। নিষেধ তিথিৰ পূর্ব দিনত তুলসী চয়ন কৰি ৰাখিব। তুলসী তিনি দিনলৈ বাহি নহয়। ৯৫। শ্মশানত থকা গছৰ ফুল, ধতুৰা ফুল, অপৰাজিতা ফুল, ভোট বেঙেনাৰ ফুল, শিৰিশ ফুল, শাল্মলী ফুল, কৰবীৰ ফুল, পূজা কৰা গছ জোপাৰ ফুল আৰু সকলো ধৰণৰ ৰক্ত পুষ্প কৃষ্ণ পূজাত অর্পণ নিষিদ্ধ। ৯৬। শিৱ মন্দিৰত কৰতাল, সূর্য্য মন্দিৰত শঙ্খ, দুর্গামন্দিৰত বংশী, লক্ষ্মী মন্দিৰত ঘণ্টা বজোৱা নিষেধ। ৯৭। পূৱমুখহৈ ভোজন কৰিলে আয়ুস বৃদ্ধি, দক্ষিণ মুখহৈ যশস্যা, পশ্চিম মুখ হৈ ঐশ্বর্য্য আৰু উত্তৰ মুখ হৈ ভোজন কৰিলে সত্য ফল লাভ হয়। ৯৮। ক্রোধে বুদ্ধি নাশ কৰে, অহংকাৰে জ্ঞান নষ্ট কৰে। প্রায়শ্চিত্তে পাপ ধোৱে, লোভে সততা ধ্বংস কৰে। ঘোচে ন্যায়বোধ লুপ্ত কৰে। অধিক চিন্তাই আয়ুস নষ্ট কৰে। ৯৯। গুৰুৱে বহু বুলি ক'লেহে গুৰুৰ সন্মুখত শিষ্যই বহিব লাগে। ১০০। যি সকলৰ পিতৃ-মাতৃৰ মৃত তিথি হেৰাই গৈছে তেওঁলোকে বিষ্ণু পুৰাণৰ মতে বহাগ মাহৰ শুক্ল তৃতীয়া, কাতি মাহৰ শুক্ল নৱমী, ভাদ্র মাহৰ কৃষ্ণ ত্রয়োদশী আৰু মাঘ মাহৰ অমাৱস্যাৰ দিনা পালন কৰিলে একে ফলকে পাব পাৰে। ১০১। শিশু শয়ন কৰা শয্যাত স্ত্রী গমন নিষিদ্ধ। ১০২। ভাগৱতৰ নিমি নৱসিদ্ধ সংবাদত উল্লেখ থকা মতে নির্মালি প্রথমে ঘ্রাণ লৈ পিচত শিৰতহে পিন্ধিব লাগে। ১০৩। প্রত্যেকজন হাজীয়ে কাঁবা

ঘৰৰ চাৰিওপিনে ৭ বাৰকৈ ঘূৰিব লাগে। তাকে তওৱাফ্ বা প্ৰদক্ষিণ কৰা বোলে। ১০৪। ধন-সম্পত্তিৰ চল্লিশ ভাগৰ এভাগহে জাকাত (দান) হিচাবে দিবলৈ আল্লাহ তাআলাই মুছলমান সকলৰ ওপৰত ফৰ্জ (বাধ্যতামূলক) কৰিছে। ১০৫। সকলোতকৈ জঘন্য চোৰ হ'ল সেইজন যিজনে নামাজত চুৰ কৰে। অৰ্থাৎ ৰুকু আৰু ছিজদা ঠিকমতে নকৰে।

# সংখ্যা বিচাৰ

এক— এক ঈশ্বৰ।

দুই— পুৰুষ-প্ৰকৃতি। সুখ-দুখ। জীৱাত্ম-পৰমাত্মা। দক্ষিণায়ণ-উত্তৰায়ণ। পৰম ব্ৰহ্মাৰ দুই ৰূপ—মূৰ্ত্ত-অমূৰ্ত্ত। মায়াৰ দুই শক্তি—আৱৰণ-বিক্ষেপণ। অগ্নিৰ দুই শক্তি— স্বাহা (আত্মত্যাগ শক্তি) স্বাধা (আত্ম ধাৰণাৰ শক্তি) দুই মাৰ্গ— প্ৰবৃত্তি (ভোগ) নিবৃত্তি (ত্যাগ) দুই পক্ষ—কৃষ্ণ পক্ষ, শুক্ল পক্ষ। দুই সনাতন বংশ— চন্দ্ৰ বংশ, সূৰ্য্য বংশ। বৃক্ষ দুই প্ৰকাৰ— যিবোৰ গছ ফুল নোহোৱাকৈ ফলবান হয় তাক বনস্পতি আৰু যিবোৰ গছ ফুল ধৰি ফলবান হয় তাক বৃক্ষ বোলে।

ত্ৰি—ত্ৰি গুণ— সত্ব, ৰজঃ তমঃ (সুখ, দুখ, মোহ)। ত্ৰি নাড়ী—ইড়া (চন্দ্ৰ নাড়ী) পিঙ্গলা (সূৰ্য্য নাড়ী) সুষুম্মা (ব্ৰহ্মনাড়ী)। ত্ৰি ভুবন— স্বৰ্গ, মৰ্ত্য, পাতাল। ত্ৰি ধাম— গোলোক, বৈকুণ্ঠ, ব্ৰহ্মাণ্ড। ত্ৰি তাপ— আধি দৈবিক (দেৱতা, ধুমুহা, বজ্ৰপাত আদি) আধি ভৌতিক (ভূত, প্ৰেত, মানুহ, পশু পক্ষী আদি) আধ্যাত্মিক (বাত, পিত্ত, কফ, জ্বৰ, ব্যাধি, কাম, ক্ৰোধ আদি ৰিপুৰ পৰা পোৱা দুখ)। মনৰ ত্ৰি কাৰ্য্য—জাগন, স্বপন, নিদ্ৰা। ত্ৰি বিধ ভকতি— সাত্বিক (হৰিৰ প্ৰীতিৰ অৰ্থে, পাপ ক্ষয়ৰ অৰ্থে) ৰাজসিক (ভোগ, আশা, যশ আৰু ঐশ্বৰ্য্য যুক্তি) তামসিক (শত্ৰুবধ,

দন্ত আৰু মৎসৰ যুক্ত)। ত্ৰি বিধ জপ-বাচিক (উচ্চাৰণ কৰি শব্দ ফুটাই কৰা জপ) উপাংশু (অস্ফুট উচ্চাৰণ কৰি প্ৰতি শব্দে অৰ্থ বিচাৰ কৰা জপ) মানস (কেবল চিত্তত মন্ত্ৰাক্ষৰ তত্ত্বাৰ্থ বিচাৰ কৰি কৰা জপ)। তিনিটা কথা আপোন কৰি লব লাগে— নম্ৰতা, সৰলতা ভদ্ৰতা। তিনিটা বস্তু চাব নালাগে— নিজৰ গুণ, আনৰ দোষ, দুষ্টৰ মহত্ব। তিনিটাৰ সংগ এৰা ভাল— জুৱাৰী, মদাহী, ব্যভিচাৰী। তিনিজনক বাধা দিব নেপায়—ধৰ্ম প্ৰচাৰ কৰোতাক, দান দিওঁতাক, শুশ্ৰূষা কৰোতাক। ত্ৰি মহান ব্যক্তি— যিজনে ধন পালে গৌৰৱ নকৰে, যিজনে ধন হেৰুৱাই দুখ নকৰে, যি আনৰ ধন দেখি লোভ নকৰে। তিনি জন অন্ধ — লোভী, কামুক, ক্ৰোধী। তিনিটা কথা পাহৰিব নালাগে—প্ৰতিজ্ঞা কৰি পূৰণ কৰিবলৈ, ধাৰ লৈ পৰিশোধ কৰিবলৈ, আশা দি পূৰণ কৰিবলৈ। তিনিটা কাৰো বাবে বৈ নাথাকে— সময়, মৃত্যু, গ্ৰাহক। তিনি প্ৰকাৰ প্ৰাণায়ম— পূৰক (বাহিৰৰ বায়ু আকৰ্ষণ কৰি ভিতৰৰ অংশ পূৰণ কৰা) কুম্ভক (পানী পূৰ্ণ কলহৰ দৰে ভিতৰৰ বায়ু ধাৰণ কৰা) ৰেচক (ভিতৰত ধৰি ৰখা বায়ু বাহিৰলৈ উলিয়াই দিয়া)। মানৱ জীৱনৰ তিনি উদ্দেশ্য— দুখ নিবৃত্তি, স্বতন্ত্ৰতা, অমৰ প্ৰাপ্তি। বিষ্ণুৰ ত্ৰি শক্তি— সন্ধিনী, সংবিৎ, হলাদিনী। ত্ৰি দ— দাম্যত (দেৱতাৰ) নিজৰ ইন্দ্ৰিয় সমূহক বশ কৰা, দত্ত (অসুৰৰ) দান কৰা, দয়াধ্বম (মানবৰ) দয়া কৰা তিনিবিধ পবিত্ৰ মাটি— তুলসী গুৰি মাটি, গঙ্গা মৃত্তিকা। ভকতৰ পদধূলি। ত্ৰি মৎ গুণ— নম্ৰতা, সৰলতা, ভদ্ৰতা। ত্ৰি মহৎ উপকাৰী পিতা-মাতা, অভিভাৱক, গুৰুজন। ত্ৰি সৰ্বাত্ৰ বৰ্জনীয়— লোভ, খং, অহংকাৰ। ত্ৰি বৃথা দৰ্শন— সুদা হাতে দেৱতা, ৰজা আৰু গুৰুক দৰ্শন বৃথা হয়। ত্ৰি দণ্ডী— যি জনে কথাক, মনক আৰু শৰীৰক দমন কৰে। তিনি অপৰাধ— বিষ্ণু ভকতৰ সৰ্বস্ব হৰণ, ভকত

বৈষ্ণৱক ভৎৰ্সনা, স্বপ্নটো ভকতৰ প্ৰহাৰ। ত্ৰি বিধ প্ৰণাম— কৰ জোৰ (দুই হাত লগ কৰি কৰা প্ৰণাম, সামান্য প্ৰণাম) জানু পাৰি (দুই হাত, দুই আঁঠু আৰু ললাট মাটিত লগাই সেৱা কৰা, মধ্যম প্ৰণাম) অষ্টাঙ্গ প্ৰণাম (মাটিত দণ্ডবৎ হৈ দুই হাত, দুই ভৰি, দুই আঠু, বুকু আৰু মূৰ, দৃষ্টি বচন আৰু একাগ্ৰচিত্তে কৰা প্ৰণাম, উত্তম প্ৰণাম)। অৱতাৰৰ তিনি কাৰণ— সাধুক পৰিত্ৰাণ, দুষ্কৰ্মী দুৰ্জনক বিনাশ, ধৰ্ম্ম সংস্থাপন। ত্ৰি নায়িকা— ৰাধিকা, কুব্জা, ৰুক্মিণী। ত্ৰি ৰত্ন (জৈন ধৰ্মৰ)— সজ কৰ্ম, সজ জ্ঞান, সজ বিশ্বাস। ত্ৰিফলা— শিলিখা, আমলখি, ভঁইৰা। ত্ৰি মূৰ্ত্তি— ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ। ত্ৰি কৰ্ম্ম ফল— প্ৰাৰব্ধ (পূৰ্ব জন্মৰ) আৰব্ধ (এই জন্মৰ) অনাৰব্ধ (ভৱিষ্যতৰ)। ত্ৰি সন্ধ্যা— প্ৰাতঃ, মধ্যাহ্ন, সায়াহ্ন। ত্ৰি কুল—পিতৃ, মাতৃ আৰু শহুৰ কুল। ত্ৰি ব্যাধি— বায়ু, পিত্ত, কফ। ত্ৰি কাল— ভূত, ভবিষ্যৎ আৰু বৰ্ত্তমান। ত্ৰিবেণী— গঙ্গা, যমুনা আৰু সৰস্বতীৰ মিলন ঠাই। ত্ৰি গ্ৰন্থি— ব্ৰহ্ম গ্ৰন্থি, বিষ্ণু গ্ৰন্থি, ৰুদ্ৰ গ্ৰন্থি। ত্ৰি ব্ৰহ্ম— ওঁ, তৎ, সৎ। তিনি শ্ৰেণী ঋষি— দেৱৰ্ষি (নাৰদ আদি) ব্ৰহ্মৰ্ষি (বশিষ্ঠ আদি) ৰাজৰ্ষি (জনক আদি)। তিনিবিধ বস্তু যাচি দিব নালাগে— অন্ন, বিদ্যা, কন্যা।

চাৰি— চতুবৰ্গ— ধৰ্ম, অৰ্থ, কাম, মোক্ষ। চতুৰঙ্গ— হাতী, ঘোঁৰা, ৰথ, পদাতিক। চতুৰ্দিশ— পূৱ, পশ্চিম, উত্তৰ, দক্ষিণ। চতুৰ্বৰ্ণ— ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ। চতুৰ্বেদ— ঋক্, যজুঃ, সাম, অথৰ্ব। চতুৰ্যুগ— সত্য (১৭,২৮০০০ বছৰ) ত্ৰেতা (১২,৯৬০০০ বছৰ) দ্বাপৰ (৮,৬৪০০০ বছৰ) কলি (৪,৩২০০০ বছৰ)। চতুষ্পাঠী— ব্যাকৰণ, কাব্য, স্মৃতি দৰ্শন, পঢ়ুওৱা টোল। চতু খাদ্য— চৰ্ব্ব্য (দাঁতেৰে চোবাই খোৱা) চৌষ্য (চুঁহি খোৱা) লেহ্য (চেলেকি খোৱা) পেয় (পি খোৱা) চাৰি ধাম— বদ্ৰীনাথ, দ্বাৰকা, জগন্নাথ, ৰামেশ্বৰম্।

চাৰি সিদ্ধ— সনক, সনন্দ, সনাতন, সনৎকুমাৰ। চাৰি শ্রেণী জীৱ— উৰণ ( উৰি ফুৰা ) বুৰণ ( পানীত থকা ) গজন ( উদ্ভিদ ) ভ্রমণ ( পর্য্যটন কৰিব পৰা )। চাৰিবিধ জাৰ— ভাত জাৰ ( জাৰকালি ভাত খোৱাৰ পিচত লগা জাৰ ) ভূত জাৰ ( ভূতে পোৱা বা ভয়ত কপি কপি উঠা ) অলয় জাৰ ( জন্ম পোৱাৰ পিচত উঠা জাৰ ) আৰু প্রলয় জাৰ ( মৰাৰ সময়ত উঠা জাৰ )। ৰাজনীতিৰ চাৰি উপায়— সাম (সন্ধি) দান ( ঘোচ দিয়া ) ভেদ ( শত্রু পক্ষত অবিশ্বাস সুমুৱা ) দণ্ড (মুকলি যুদ্ধ )। ভকত চাৰি শ্রেণী— আর্ত্ত ( গজেন্দ্র, দ্রোপদী ) যিজ্ঞাসু ( পৰীক্ষিত, অর্জুন, বিদুৰ, শৌনক আদি ঋষি ) অর্থার্থী ( ধ্রুৱ, দশ প্রচেতাগণ ) জ্ঞানী ( ব্যাস, শুকদেৱ, মত্রয়, চাৰি সিদ্ধ আদি )। নাৰী চাৰি প্রকাৰ— পদ্মিনী ( সর্ব্বোত্তমা ) চিত্রিনী ( উত্তমা ) শঙ্খিনী ( মধ্যমা ) হস্তিনী ( অধমা ) পুৰুষ চাৰি প্রকাৰ— শশক (উত্তমোত্তম) মৃগ ( উত্তম ) বৃষ ( মধ্যম ) অশ্ব ( নীচ প্রকৃতিৰ )। হিংসা চাৰি প্রকাৰ ( জৈন ধর্মৰ মতে )— আকস্মিক, ব্যৱসায়জনক, আত্মৰক্ষ নিমিত্ত, ইচ্ছাকৃত। চাৰি খুটি— কীর্ত্তন, দশম, ঘোষা, ৰত্নাৱলী। চাৰি সংহতি—ব্রহ্ম সংহিতা, পুৰুষ সংহতি, নিকা সংহতি, কাল সংহতি। বেদৰ চাৰি ভাগ— সংহতি, ব্রাহ্মণ ( কর্ম কাণ্ডৰ ভাগ ) আৰণ্যক, উপনিষদ ( জ্ঞান কাণ্ডৰ ভাগ )। চাৰি প্রকাৰ ভকত— প্রাকৃত, মধ্যম, উত্তম, মহাভাগৱত। চাৰি যোগেশ্বৰ— হংস, অৰুণী, যত, বিভু ( নাৰদ দাসী পুত্র হৈ থাকোতে উপদেশ দিয়া সকল )। চাৰি দোষ— ভ্রম ( বালিক পানী দেখা ) প্রমাদ ( ৰছিক সর্প জ্ঞান ) বিপ্র লিপ্সা ( মাদক দ্রব্য, সামিষ ভোজন ) কর্ণপাতক ( অসৎ তৃষ্ণা )। চাৰি পীঠ— স্বর্ণ পীঠ, কাম পীঠ, ৰত্নপীঠ, সৌমাৰ পীঠ। চতুঃ শ্রেষ্ঠ— ৰূপৰ ভিতৰত শ্যামৰূপ, পুৰীৰ ভিতৰত মথুৰাপুৰী, বয়সৰ ভিতৰত কৈশোৰ, ৰসৰ ভিতৰত আদি ৰস শ্রেষ্ঠ। ঈশ্বৰ

প্ৰাপ্তিৰ চাৰি মাৰ্গ— কৰ্ম মাৰ্গ, জ্ঞান মাৰ্গ, যোগ মাৰ্গ, ভক্তি মাৰ্গ। চাৰি প্ৰদীপ—ৰাতিৰ প্ৰদীপ চন্দ্ৰ, দিনৰ প্ৰদীপ সূৰ্য্য, কুলৰ প্ৰদীপ সৎ পুত্ৰ আৰু ত্ৰৈলোক্যৰ প্ৰদীপ ধৰ্ম। চতুঃ ধ্বংসমুখী— অসন্তুষ্ট ব্ৰাহ্মণ, সন্তুষ্ট ৰজা, লজ্জাশীলা গণিকা আৰু নিলাজী বোৱাৰী অতি সোনকালে ধ্বংসৰ পথলৈ যায়। চাৰি বিশ্বাসৰ ফল— ১। গুৰুত বিশ্বাস ৰাখিলে আত্মজ্ঞান বাঢ়ে ২। বৈষ্ণৱত বিশ্বাস ৰাখিলে ভকতি বাঢ়ে ৩। হৰিত বিশ্বাস ৰাখিলে হৰিৰ চৰিত্ৰ প্ৰকাশ পায় ৪। সুহৃদত বিশ্বাস ৰাখিলে পূৰ্ণ ভকতি হৈ সংকটৰ বেলা তৰি যায়। চাৰি শ্ৰেণী পুত্ৰ— জাত ( মাতৃ তুল্য গুণেৰে জন্মা ) অনুজাত ( পিতৃ তুল্য গুণেৰে জন্মা ) অভিজাত ( পিতৃ মাতৃতকৈ অধিক গুণশীল হৈ জন্মা ) অপজাত ( অধমতকৈ অধমহৈ জন্মা বা অবাধ্য হৈ জন্মা )।

পঞ্চ শব্দ— পঞ্চামৃত— দধি, দুগ্ধ, ঘৃত, মধু, শৰ্কৰা। পঞ্চযজ্ঞ— ব্ৰহ্ম যজ্ঞ ( বেদাধ্যয়ন ) দেৱযজ্ঞ ( নিত্য হোম ) পিতৃ যজ্ঞ ( শ্ৰাদ্ধ, তৰ্পণ) নৃযজ্ঞ ( অতিথিসেৱা ) ভূত যজ্ঞ ( প্ৰাণী বিলাকক দিয়া আহাৰ )। পঞ্চোপচাৰ— গন্ধ, পুষ্প, ধূপ, দীপ, নৈবেদ্য। পঞ্চগব্য— দধি, দুগ্ধ, ঘৃত, গোমূত্ৰ, গোময়। পঞ্চ মহাভূত— ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম। পঞ্চ পিতা— জন্ম দাতা, অন্ন দাতা, বিদ্যা দাতা, উপনয়ন দিওঁতা, অভয় দাতা। পঞ্চতীৰ্থ— কামাখ্যা, উমানন্দ, অশ্বক্লান্ত, শুক্লেশ্বৰ, বশিষ্ঠাশ্ৰম। পঞ্চপল্লৱ— অশ্বত্থ, বট, আম, জৰি আহঁত, যজ্ঞ ডিমৰু। পঞ্চ বাণ— উন্মাদন, তাপন, শোষণ, সন্মোহন, স্তম্ভন। পঞ্চমকাৰ— মদ্য, মাংস, মৎস্য, মুদ্ৰা, মৈথুন। পঞ্চ মহাপাতক— ব্ৰহ্মবধ, সুৰাপান, গুৰু পত্নী গমন, সোণচুৰি আৰু এনে পাপ কৰোতাৰ লগত সংসৰ্গ। পঞ্চ লৱণ— সৈন্ধৱ, কৰ্কশ, সামুদ্ৰ, বিট্, সৌবৰ্চ্চল। পঞ্চ ৰত্ন— সোণ, ৰূপ, হীৰা, মুকুতা, পোৱাল। পঞ্চ সূণা— চৌকা, পটা আৰু জাতত পিহাঁ, পানীৰ কলহ, ঢেঁকীশাল, ঠাই মচা। পঞ্চতন্মাত্ৰ— ৰূপ

মাতৃয়ে ধনবান, পিতৃয়ে জ্ঞানবান, জ্ঞাতি সকলে কুলৰ বিচাৰ আৰু বন্ধু বান্ধৱে উত্তম ভোজনৰ বিচাৰ কৰে। বক্ পঞ্চক— (পাঁচদিন বগলীয়েও মাছ নেখায় এতেকে) কাতি মাহৰ শুক্লা একাদশীৰ পৰা পূৰ্ণিমালৈ এই পাঁচ দিন মাছ খোৱা নিষিদ্ধ। পঞ্চ ৱৰণ— শ্বেত, ৰক্ত, পীত, শ্যাম, বিদ্যুৎ। পঞ্চ আত্মা— জীৱাত্মা, ভূতাত্মা, পৰমাত্মা, আত্মাৰাম, আত্মাৰামেশ্বৰম। পঞ্চ জীৱ— স্থূলজীৱ, তটস্থজীৱ, বদ্ধজীৱ, সূক্ষ্মজীৱ, মুক্তজীৱ। পঞ্চ শক্তি— জীৱ শক্তি, নন্দিনী শক্তি, মায়াশক্তি, চিৎশক্তি, হলাদিনী শক্তি। পঞ্চ প্ৰাশ— জাতি, বিদ্যা, মহত্ব, ৰূপ, যৌৱন। পঞ্চ কোষ— অন্নময়, প্ৰাণময়, মনোময়, বিজ্ঞানময়, আনন্দময়। পঞ্চ ঢোল— দাহী ঢোল (বিয়াত বজায়) ঢেপা ঢোল (প্ৰতিযোগিতাত বজায়) জয় ঢোল (ৰজাৰ নিৰ্দেশত বজায়) বৰ ঢোল, পাতি ঢোল। পঞ্চ কৰণি— (সেৱা) মেৰু কৰণি, ভূমি কৰণি, ফুল কৰণি, জল কৰণি, তেল কৰণি। পঞ্চ সতী— অহল্যা, দ্ৰৌপদী, কুন্তী, তাৰা, মন্দোদৰী। পঞ্চ শ্ৰেষ্ঠ কৰ্ম— নিজা ভূমিত দেৱগৃহ নিৰ্মাণ, পুখুৰী খন্দা, কুৱা খন্দা, বিদ্যালয় গৃহ নিৰ্মাণ, উদ্যান নিৰ্মাণ।

ছয় ৰিপু— কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্য। ছয় উৰ্ম্মি— জন্ম, জৰা, মৃত্যু, ক্ষুধা, পিপাসা, মোহ। <u>ছয় দৰ্শন</u>— গৌতমৰ ন্যায়, কণাদৰ বৈশেষিক, কপিলৰ সাংখ্য, পাতঞ্জলিৰ যোগ, ব্যাসৰ উত্তৰ মিমাংসা বা বেদান্ত, জৈমিনিৰ পূৰ্ব্ব মিমাংসা। ছয় ঐশ্বৰ্য্য— বিভূতি, বীৰ্য্য, যশ, শ্ৰী, জ্ঞান, বৈৰাগ্য। ছয় বেদাঙ্গ— শিক্ষা, কল্প, নিৰুক্ত, ছন্দ, জ্যোতিষ, ব্যাকৰণ। ছয় ঋতু— গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত। ছয় শ্ৰেণীধৰ্ম— দেহধৰ্ম, দাম্পত্যধৰ্ম, সমাজধৰ্ম, ৰাজধৰ্ম, আপদধৰ্ম, পৰমধৰ্ম,। ছয়কৰ্ম— (ব্ৰাহ্মণৰ) যজন (উপাসনা) যাজন [আনৰ হৈ উপাসনা কৰা] অধ্যয়ন [বেদাদি পাঠ] অধ্যাপনা [বেদাদি পঢ়োৱা] দান [সৎপাত্ৰত দান] প্ৰতিগ্ৰহ [উপযুক্ত দান গ্ৰহণ]।

ছয় প্ৰীতি গুণ — দান কৰা, প্ৰতি গ্ৰহণ কৰা, গোপন কথা কোৱা, প্ৰশ্ন কৰা, ভোজন কৰা, ভোজন কৰোৱা। ছয় ধেমালি — ন-ধেমালি, নট-ধেমালি, ৰাগ-ধেমালি, সৰু-ধেমালি, বৰ-ধেমালি, ঘোষা-ধেমালি। ছয় জন ভকত — উদ্ধৱ, মৈত্ৰেয়, জাম্ববন্ত, বিভীষণ, হনুমন্ত, বিদুৰ। বৌদ্ধ ধৰ্মৰ ছয় শাখা — মহাযান, হীনযান, কালচক্ৰযান, সহজযান, বজ্ৰযান [ অসমত প্ৰচাৰিত ] বৌদ্ধ তান্ত্ৰিক। ছয় পশু কৰ্ম — ভোজন, ছাজন [ শাস্তি ] মৈথুন, ভয়, নিদ্ৰা, মোহ। ছয়চক্ৰ — মূলাধাৰ, স্বাধিষ্ঠান, মনিপুৰ, অনাহত, বিশুদ্ধ, আজ্ঞাচক্ৰ। ছয়ৰস — মিঠা, তিতা, টেঙা, জলা, কেঁহা, লুণীয়া। ছয়বিধ কাছমাছ — বেঙ্গ, বগিয়া, ঢুৰা, শিল, বৰ আৰু উলুৰ কাছ। ছয় ছদ্মনাম — যুধিষ্ঠিৰ (কঙ্ক), ভীম ( বল্লভ ), অৰ্জুন ( বৃহন্নলা ), নকুল ( গ্ৰন্থিক্ ), সহদেৱ (তন্ত্ৰিপাল), দ্ৰৌপদী ( সৈৰিন্ধ্ৰী ) ছয় স্ত্ৰীধন — [ তিৰোতাৰ স্বতন্ত্ৰ সম্পত্তি ] বিয়াৰ হোমৰ আগত যৌতুকত দিয়া, স্বামীৰ ঘৰলৈ যাওঁতে বাটতে পোৱা, স্বামীয়ে আন এক ভাৰ্য্যা বিয়া কৰিবৰ সময়ত মনত সন্তোষ দিবৰ বাবে দিয়া ধন, মৰন কৰি কোনোজনে দিয়া, নিজে কাটনা কাটি ঘটা, বিয়াৰ পাচত পিতৃ-মাতৃ বা ভাতৃ আদিয়ে দিয়া ধন। ছয় জন মনু — স্বাৰোচিষ, ঔত্তমি, তামস, ৰৈবত, চাক্ষুষ, বিবস্বৎ। ছয় বহিঃ ধৌতি — ( শৰীৰৰ বাহিৰ ফাল পৰিস্কাৰ কৰা ৬ প্ৰকাৰ উপায় ) ধৌতি, বস্তি, নেতি, নৌলিকী, ত্ৰাটক, কপালভাতি। ছয় বজ্ৰবাৰক — জৈমিনি, সুমন্ত, বৈশম্পায়ন, পুলস্ত্য, পুলহ আৰু জিষ্ণু, এই ছয়জন মহামুনিৰ নাম একেলগে উচ্চাৰণ কৰিলে বজ্ৰপাতৰ ভয় নাথাকে।

সপ্তপুৰী — বাৰাণসী, কাঞ্চীপুৰী, মায়াপুৰী ( হৰিদ্বাৰ ) অযোধ্যাপুৰী, দ্বাৰকাপুৰী, মথুৰাপুৰী, অবন্তিপুৰী। সপ্তধাতু — ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা, শুক্ৰ। সপ্ত সাগৰ — লৱণ, ইক্ষু, সুৰা, দধি, ক্ষীৰ, ঘৃত, জল ( স্বাদূদক )। সপ্তবাৰ — ৰবি, সোম, মঙ্গল, বুধ, বৃহস্পতি,

শুক্র, শনি,। সপ্তর্ষি মণ্ডল— পুলহ, পুলস্ত্য, ক্রতু, অঙ্গিৰ', অত্রি, মৰিচী, বশিষ্ঠ। সপ্ত পুণ্য নদী— গঙ্গা, যমুনা, গোদাৱৰী, সৰস্বতী, নৰ্ম্মদা, সিন্ধু, কাবেৰী। সপ্ত দ্বীপ— জম্বু, প্লক্ষ, শাল্মলী, কুশ, ক্ৰৌঞ্চ, শাক, পুষ্কৰ। সপ্ত অবিশ্বস্ত— কাউৰীৰ পবিত্ৰতা, জুৱাৰীৰ সত্য, নপুংসকৰ শূৰতা, মদপীৰ তত্বচিন্তা, সৰ্পৰ ক্ষমা, নাৰীৰ কামনা শান্তি, আৰু ৰজাৰ মিত্ৰতা। সপ্ত পাতাল— অতল (ময়দানবৰ) বিতল (হৰ-পাৰ্বতীৰ) সুতল (বলি ৰজাৰ) তলাতল (বিশ্বকৰ্ম্মাৰ) মহাতল (তক্ষকাদি সৰ্পগণৰ) ৰসাতল (নিবাত কবচ দৈত্য দানৱ আদিৰ) পাতাল (বাসুকী নাগ আদিৰ বাসস্থান)। সপ্ত স্বৰ্গ— ভূঃ (কিন্নৰৰ) ভুবঃ (গন্ধৰ্বৰ) স্বঃ (ইন্দ্ৰ আদি দিকপালৰ) জন (মহামুনিৰ) মহঃ (ধ্ৰুৱৰ) তপঃ (মহাসিদ্ধৰ) সত্য (ব্ৰহ্মা, হৰ, বিষ্ণুৰ নিবাস স্থান)। সপ্ত স্বৰ— ষড়্জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত, নিষাদ। সপ্ত ৰথী— দ্ৰোণাচাৰ্য্য, কৃপাচাৰ্য্য, দুৰ্য্যোধন, দুঃশাসন, কৰ্ণ, অশ্বত্থামা, শকুনি। সপ্ত বান (গান্ধাৰীৰ মতে) ক্ষমা, দয়া, প্ৰেম, সত্য, অহিংসা, বিনয়, সেৱা। সপ্ত ৰং—(ৰামধেনুৰ) বেঙুনীয়া, নীলা, আকাশী, সেউজীয়া, হালধীয়া, সুমথিৰা, ৰঙা। সপ্ত মহাদেশ— এচিয়া, ইউৰোপ, আফ্ৰিকা, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, অষ্ট্ৰেলিয়া, কুমেৰু বা দক্ষিণ মহাদেশ সপ্ত। চিৰজীৱী— অশ্বত্থামা, বলি, ব্যাস, হনুমান, বিভীষণ, কৃপাচাৰ্য্য, পৰশুৰাম। সপ্ত বৈকুণ্ঠ— শ্বেতবিলাস, সান্তানুবিলাস, পুষ্পবিলাস, পঙ্কজবিলাস, কনকদণ্ড, সনাতন গোলোক। সপ্তম পুৰুষ—নিজৰ ওপৰৰ তিনি পুৰুষ, তলৰ তিনি পুৰুষ আৰু নিজক লৈ সাত পুৰুষ। সপ্তছন্দ— (বেদৰ মুখ্য ছন্দ) গায়ত্ৰী, উষ্ণিক, অনুষ্টুপ, বৃহতী, পঙক্তি, ত্ৰিষ্টুপ, জগতী। সপ্তজিভা— (অগ্নিৰ) কালী, কৰালী, মনোজৱা, সুলোহিতা, সুধূম্ৰবৰ্ণা, উগ্ৰা, প্ৰদীপ্তা। সপ্তছন্দ— (ভাগৱতত থকা)

পদ, ডুলাড়ী, ছবি, ঝুনা, লেছাৰী, মুক্তাৱলী। সপ্তস্নান-- মন্ত্র স্নান, ভৌম স্নান, (গঙ্গা মৃত্তিকা) আগ্নেয় স্নান, বায়েব্য স্নান, দিব্য স্নান, (সৌৰিয়) বৰুণ স্নান, মানস স্নান। বৰুণ স্নান উত্তম। সপ্ত অনীতি— সিদ্ধান্তবিহীন ৰাজনীতি, শ্ৰমবিহীন সম্পদ, সাধুতা-বিহীন বাণিজ্য, নম্ৰতাবিহীন শিক্ষা, চৰিত্ৰবিহীন জ্ঞান, বিবেক-বিহীন বিজ্ঞান, ত্যাগবিহীন উপাসনা।

অষ্ট ধাতু— সোণ, ৰূপ, তাম, পিতল, লো, তীখা, ৰাং, সীহ। অষ্ট বসু— আপ, ধ্ৰুৱ, সোম, ধৰ, অনিল, অনল, প্ৰত্যুষ, প্ৰভাস (ভীষ্ম হৈ জন্মিছিল)। অষ্ট বিবাহ— ব্ৰাহ্ম, দৈৱ, আৰ্য্য, প্ৰাজাপত্য, আসুৰ, গান্ধৰ্ব্ব, ৰাক্ষস, পৈশাচ। অষ্ট দিকপাল— ইন্দ্ৰ, অগ্নি, যম, বায়ু, বৰুণ, কুবেৰ, ঈশান, নৈঋত। অষ্ট নাগ— অনন্ত, বাসুকি, তক্ষক, কৰ্কট, শঙ্খ, পদ্ম, মহাপদ্ম, কুলীৰ। অষ্ট মঙ্গল— সূৰ্য্য, পানী, ব্ৰাহ্মণ, গৰু, জুই, ঘিউ, সোণ, ৰজা। অন্য প্ৰকাৰে— শঙ্খ, ধ্বজ, প্ৰদীপ, কলহ, বিচনী, ষাঁড়, হাতী, সিংহ। অষ্টাঙ্গ যোগ— যম (পৰমাত্মাত মন লগোৱা কাৰ্য্য) নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ (ইন্দ্ৰিয় নিগ্ৰহ) ধাৰণা, ধ্যান, সমাধি। অষ্টাঙ্গ প্ৰণাম— দুই হাত, দুই ভৰি, দুই আঠু, বুকু, কপাল। অষ্ট ঐশ্বৰ্য্য— অনিমা (অতি সূক্ষ্ম হোৱা) লঘিমা (বায়ুতকৈও লঘু হোৱা) প্ৰাপ্তি (ইচ্ছামতে সকলো চুকি পোৱা) প্ৰকাম্য (ইচ্ছা বিফল নোহোৱা) মহিমা (বৃহৎ হ'ব পৰা) ঈশিতা (সুখ-দুখৰ ওপৰত প্ৰভুত্ব কৰিব পৰা) বশিতা (সৰ্ব্বভূতকে বশ কৰিব পৰা) কামাবশায়িতা (কামনা আদি ইন্দ্ৰিয়বোৰক দমন কৰিব পৰা। অষ্ট দিগগজ— ঐৰাৱত, পুণ্ডৰীক, বামন, কুমুদ, অঞ্জন, পুষ্পদন্ত, সাৰ্ব্বভৌম, সুপ্ৰতীক। অষ্ট নিধি— পদ্ম, মহাপদ্ম, শঙ্খ, মকৰ, কচ্ছপ, মুকুন্দ, নীল, খৰ্ব্ব।

অষ্ট পাৰিষদ— নন্দ, সুনন্দ, প্ৰচণ্ড, চণ্ড, কুমুদ, কুমুদেক্ষণ, বল। অষ্ট পাশ— ঘৃণা, শঙ্কা, ভয়, লজ্জা, জুগুপ্সা, কুল, শীল, মন। অষ্ট সদ্‌গুণ— সত্য, ক্ষমা, দয়া, ধীৰ, বিচাৰ, বিবেক, বৈৰাগ্য, গুৰু ভক্তি। অষ্ট প্ৰকৃতি— পৃথিৱী, জল, বহ্নি, বায়ু, আকাশ, মন, বুদ্ধি, অহংকাৰ। অষ্ট মহিষী— (কৃষ্ণৰ) ৰুক্মিনী (ভীষ্মকৰ জী) সত্যভামা (সত্ৰাজিতৰ জী) জাম্বুৱতী (জাম্বৱনৰ পালিত জী) কালিন্দী (সূৰ্য্য দেৱতাৰ জী) মিত্ৰ বিন্দা (শূৰ যদুপতিৰ জী) সত্যা (নগ্নজিতৰ জী) ভদ্ৰা (দ্বিতীয় জী) লক্ষণা (বৃহৎ সেনৰ জী) অষ্ট মাৰ্গ— সজ চিন্তা সজ কথা, সজ যত্ন, সজ কাম, সজ জীৱন যাপন, সজ বিশ্বাস, সজ আয়, সজ ধাৰণা। অষ্ট অস্ত্ৰ—(শ্ৰীকৃষ্ণৰ) শঙ্খ, চক্ৰ, গদা, পদ্ম, ধনু, শৰ, বাৰু, খাণ্ডা। অষ্ট গিৰি— (ব্ৰহ্মাৰ সৃষ্ট) সুমেৰু, কৈলাস, হিমালয়, মলয়, বিন্ধ্য, অস্ত, শুক্তিমান, সখ্য। অষ্ট শ্ৰেষ্ঠ— পুষ্পেষু জাতী নগৰেষু কাঞ্চী।

নাৰীষু ৰম্ভা পুৰুষেষু বিষ্ণু ॥
নদীষু গঙ্গা নৃপতিষু ৰামঃ
কাব্যেষু মাঘঃ কবি কালিদাস ॥

নৱ বিধ ভক্তি— শ্ৰৱণ, কীৰ্ত্তন, অৰ্চ্চন, বন্দন, স্মৰণ, পদসেৱন, দাস্য, সখিত্ব, আত্মনিবেদন। নৱ দুৱাৰ— দুই কাণ, দুই নাক, দুই চকু, মুখ, গুহ্য, লিঙ্গ। নৱ ৰত্ন— মুকুতা, মাণিক, বৈদূৰ্য্য, গোমেদ, হীৰা, প্ৰবাল, পদ্মৰাগ, মৰকত, নীলকান্ত। নৱ ৰত্ন— (পণ্ডিত) কালিদাস, ধন্বন্তৰি, ক্ষপনক, অমৰসিংহ, শঙ্কু, বেতালভট্ট, বৰৰুচি, ঘটকৰ্পৰ, বৰাহমিহিৰ। নৱ গ্ৰহ— চন্দ্ৰ, সূৰ্য্য, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু, কেতু। নৱ নিধি— (কুবেৰৰ ৰত্ন) মহাপদ্ম, পদ্ম, শঙ্খ, মকৰ, কচ্ছপ, মুকুন্দ, কুন্দ, নীল, খৰ্ব। নৱ গুণ— (ন-জনা দেৱতা থকা যজ্ঞ সূত্ৰ) ব্ৰহ্ম, অগ্নি, সূৰ্য্য, সোম,

ৰুদ্ৰ, ব্ৰহ্মা, বায়ু, বৰুণ, বিষ্ণু। নৱ গুণ — সত্য, শৌচ, ক্ষমা, দয়া, অহিংসা, অক্ৰোধ, বিনয়, অলোভ, মদশূন্য। নৱ ৰস — আদি, বীৰ, ভয়ানক, শান্ত, হাস্য, ৰৌদ্ৰ, কৰুণ, বিভৎস, অদ্ভূত। নৱ ভাব — ৰতি, হাস্য, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা, বিস্ময়, শম। নৱ পত্ৰিকা — কলৰ পুলি, হালধি গছ, অশোক, ডালিম, বেল, জয়ন্তী, মান কচু, শ্যাম কচু আৰু ধান গছ একেলগে নৱ পত্ৰিকা বোলে। বেদত মূৰ্ত্তি স্থাপনৰ কোনো মন্ত্ৰ নাই বাবে দুৰ্গাপূজা মণ্ডপত নৱ পত্ৰিকা স্থাপন কৰি অপৰাজিতা ফুলৰ লতাৰে বান্ধি ৰঙা বস্ত্ৰ মেৰিয়াই কাল্পনিক দুৰ্গাদেৱীৰ মূৰ্ত্তি সজাই পূজা কৰা হয়। নৱ গোপনীয় কথা — যশ, আয়ুস, গৃহচ্ছিদ্ৰ, মন্ত্ৰ, ঔষধ, সঙ্গম, দান, মান, অপমান। নৱ সিদ্ধ — কবি, হৰি, অন্তৰীক্ষ, প্ৰবুদ্ধ, পিপ্পলায়ন, আবিৰ্হোত্ৰ, চমস, দ্ৰুবিড়, কৰভাজন। নৱ গ্ৰহ — (সৌৰজগতৰ) বুধ, শুক্ৰ, পৃথিৱী, মংগল, বৃহস্পতি, শনি, ইউৰেনাচ, নেপচুন, প্লুটো। নৱ অৰণ্য — দণ্ডকাৰণ্য, সৈন্ধ্যবাৰণ্য, পুষ্কৰাৰণ্য, নৈমিষাৰণ্য, কুৰুজাঙ্গাল, উৎকলবৰ্তকাৰণ্য, জম্বুমাৰ্গ, হিমবদৰাৰণ্য, অৰ্বুদাৰণ্য।

দশ বায়ু — প্ৰাণ, অপান, সমান, উদান, ব্যান, নাগ, কুৰ্ম্ম, কৃকৰ, দেবদত্ত, ধনঞ্জয়। দশ সংস্কাৰ — গৰ্ভধান, পুংসৱন (পোহন বিবাহ) সীমন্তোন্নয়ন (সূৰ্য্য দেখুৱা) জাত, কৰ্ম, নামকৰণ, নিষ্ক্ৰমন, অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ন, বিবাহ। দশ অৱস্থা — (মানৱ শৰীৰৰ) গৰ্ভাৱস্থা, জন্ম, বাল্য, কৌমাৰ, পৌগণ্ড, কৈশোৰ, যৌৱন, পৌঢ়, বাৰ্দ্ধক্য, মৃত্যু। দশ মহাবিদ্যা — (ভগৱতীৰ) কালী, তাৰা, ষোড়শী, ভুবনেশ্বৰী, ভৈৰবী, চিন্নমস্তা, ধুমৱতী, বগলা, মাতঙ্গী, কমলা। দশ ব্যসন — (অকৰ্ত্তব্য কৰ্ম) মৃগয়া, জুৱা, দিবানিদ্ৰা, পৰনিন্দা, বেশ্যাগমন, বৃথা ভ্ৰমণ, সুৰাপান, নাচন, গীত গোৱা, বাদ্য বজোৱা। দশ নাম — (শঙ্কৰদেৱৰ) শঙ্কৰ, গঙ্গাধৰ, মহাপুৰুষ, ডেকাগিৰী, অধিকাৰী

সন্ত, মহন্ত, আতা, আচার্য্য, জগন্নাথ। দশ নাম—(অৰ্জ্জুনৰ) অৰ্জ্জুন, ধনঞ্জয়, বিজয়, শ্বেতবাহন, বীভৎসু, কৃষ্ণ, সব্যসাচী, ফাল্গুনী, গুড়াকেশ, জিষ্ণু। দশ দিক্— পূৱ, পশ্চিম, উত্তৰ, দক্ষিণ, ঈশাণ, নৈঋত, বায়ু, অগ্নি, উৰ্দ্ধ, অধঃ। দশ সুশোভিত— সভামণ্ডপ— পণ্ডিতসকলৰ দ্বাৰা, নৈ বিলাক— হংস মিথুনৰ দ্বাৰা, মন্দিৰ— নিত্য উৎসৱৰ দ্বাৰা, যুৱতী সকল— লজ্জাশীলা আদি চৰিত্ৰৰ দ্বাৰা, বংশ— সৎপুত্ৰৰ দ্বাৰা, ৰাতি— পূৰ্ণিমাৰ চন্দ্ৰৰ দ্বাৰা, মতলীয়া হাতী— মদৰ দ্বাৰা, ঘোঁৰা— বেগৰ দ্বাৰা, বাণী— ব্যাকৰণৰ দ্বাৰা, পৃথিৱী— সূৰ্য্যৰ দ্বাৰা সুশোভিত হয়।

**দশ প্ৰকাৰ গুৰু—** ১। তিনি তাপৰ পৰা ৰক্ষা কৰোতা জন পৰম গুৰু।

২। যি জন বিশিষ্ট লোকৰ পৰা জ্ঞান উপাৰ্জ্জন কৰা হয় তেওঁক জ্ঞানৰ গুৰু কোৱা হয়।

৩। যি জন লোকৰ পৰা ধন-সম্পত্তি উপাৰ্জ্জন কৰিবলৈ ভাল উপদেশ পোৱা যায় তেওঁ অৰ্থ গুৰুৰূপে পৰিগণিত হয়।

৪। যিয়ে শাৰীৰিক শক্তিত বলীয়ান কৰি সদুপায় দেখুৱাই দিয়ে তেওঁ শক্তি গুৰু।

৫। যি জনে সংসাৰ অভিজ্ঞতাৰ উচ্চ আসন লাভ কৰি বুজাই আৰু দেখুৱাই দিয়ে। তেওঁ সাংসাৰিক গুৰু।

৬। বয়সত শ্ৰেষ্ঠ ব্যক্তি বয়োগুৰু।

৭। মাতা, পিতা, দাদা, এওঁলোক সম্বন্ধীয় গুৰু।

৮। শৰীৰৰ ভিতৰত জ্বৰাদি, ব্যাধি হ'লে যাৰ পৰা উপকাৰ পোৱা হয় তেওঁ ৰোগমুক্তিৰ গুৰু।

৯। মোকৰ্দ্দমাত বিপদৰ পৰা যি জনে উদ্ধাৰ কৰে তেওঁ একাৰ গুৰু।

১০। যি জন মহাপুৰুষে যোগ সাধন, আচৰণ, ইন্দ্ৰিয়জয়, সাধুতা,

চৰিত্ৰ, ধৰ্মভাৱ, ভক্তি বিষয়ক আধ্যাত্ম বিজ্ঞান অতীন্দ্ৰিয় সত্তাৰ অনুভুতি ইন্দ্ৰাদি বিষয়ত শ্ৰেষ্ঠস্থান অধিকাৰ কৰি পৰলোকৰ নিকটবৰ্ত্তী হৈছে তেওঁক আধ্যাত্মিক গুৰু বোলা হয়। আধ্যাত্মিক গুৰুহে সৰ্ব্ব শ্ৰেষ্ঠ গুৰু।

একাদশ ব্ৰত—অহিংসা, সত্য, চুৰ নকৰা, ব্ৰহ্মচৰ্য্য, ঐহিক সম্পাদত মোহ নথকা, শাৰীৰিক পৰিশ্ৰম, আস্বাদ, অভয়, সকলো ধৰ্মৰ প্ৰতি সমভাৱ, স্বদেশী ভাব, অস্পৃশ্যতা বৰ্জন।

একাদশ নিষ্ফল কৰ্ম— দুষ্ট বিলাকৰ শাস্তি, পাষণ্ড সকলৰ বুদ্ধি, বেশ্যা সকলৰ প্ৰেম, খলুৱা বিলাকৰ মিত্ৰতা, পৰাধীন বিলাকৰ অৱস্থান, নিৰ্ধনিৰ ৰোষ, স্বামীৰ স্নেহ, কৃপণৰ ধন, ব্যভিচাৰিণী বিলাকৰ পতিভক্তি, চোৰ বিলাকৰ যুক্তি, মূৰ্খ সকলৰ সম্পত্তি এই সকলো কাৰ্য্যই ফলহীন।

একাদশ আপুৰুগীয়া গ্ৰন্থ— ১। পৰম ব্ৰহ্মক জানিবলৈ বেদান্ত দৰ্শন। ২। ঈশ্বৰক জানিবলৈ পাতঞ্জল দৰ্শন। ৩। নাৰায়ণক জানিবলৈ গীতা-ভাগৱত। ৪। সৃষ্টিৰ কথা জানিবলৈ পুৰাণ সংহিতা। ৫। শিক্ষা-দীক্ষাৰ তথ্যপাতি উলিয়াবলৈ মহানিৰ্ব্বাণ তন্ত্ৰ। ৬। কাৰ্য্য কাৰণ জানিবৰ নিমিত্তে সাংখ্য দৰ্শন, ন্যায় দৰ্শন। ৭। শৰীৰৰ যাবতীয় জ্ঞান আহৰণ কৰিবৰ কাৰণে চৰক সংহিতা। ৮। অস্ত্ৰোপচাৰ শিকিবলৈ সুশ্ৰুত আৰু শল্যতন্ত্ৰ। ৯। শৰীৰৰ ব্ৰহ্মচৰ্য্য ৰক্ষাৰ কাৰণে বিধি সংগ্ৰহ। ১০। সাধক মানৱৰ উপদেশ বুজিবলৈ ব্ৰহ্মবিদ্যা। ১১। ব্যৱহাৰ বিধিৰ বিষয় অনুধাবন কৰিবলৈ যাজ্ঞবল্কৰ বৈদিক শাস্ত্ৰ, শিৱ সংহিতা, শ্বেতাশ্বতৰোপনিষদ। একাদশ ইন্দ্ৰিয়— চকু, কাণ, নাক, জিভা, ছাল (জ্ঞানেন্দ্ৰিয়) হাত, ভৰি, মলদ্বাৰ, মূত্ৰদ্বাৰ, বাক্ (কৰ্মেন্দ্ৰিয়) মন।

দ্বাদশ বৈষ্ণৱ— ব্ৰহ্মা, হৰ, মনু, কপিল, কুমাৰ, শুক, ভীষ্ম,

ৰলিৰায়। যম, জনক, নাৰদ, প্ৰহ্লাদ, বাৰজন সমুদায় ॥ দ্বাদশ আদিত্য— ধাতা মিত্ৰ, অৰ্য্যমা, ইন্দ্ৰ, বৰুণ, সূৰ্য্য, ভগ, বিবস্বান, পুষা, সবিতা, ত্বষ্টা, বিষ্ণু। দ্বাদশ মুখ্য নৰক— তামিশ্ৰ, ৰৌৰব, কুম্ভীপাক, অসিপত্ৰ, অন্ধকূপ, কৃমিভোজন, সংদংশ, বৈস্মহ, লালভক্ষ্য, অবীচি, দণ্ডশূক, তম্। দ্বাদশ বন— বৃন্দাবন, মথুৰাবন, ভদ্ৰবন, শ্ৰাবন, ভাণ্ডাৰীবন, তালবন, খদীৰ বন, বাহুলা বন, কুমুদবন, কাম্যবন, লোহবন, মহাবন। দ্বাদশ ৰাশি— মেষ, বৃষ, মিথুন, কৰ্কট, সিংহ, কন্যা, তুলা, বৃশ্চিক, ধনু, মকৰ, কুম্ভ, মীন। দ্বাদশ মাহ— বহাগ, জেঠ, আহাৰ, শাওণ, ভাদ, আহিন, কাতি, আঘোণ, পুহ, মাঘ, ফাগুন, চ'ত।

ত্ৰয়োদশ দেৱৰ্ষি—নাৰদ, অত্ৰি, মৰীচি, ভৰদ্বাজ, পুলস্ত্য, পুলহ, ক্ৰতু, ভৃগু, বশিষ্ঠ, প্ৰচেতা, ভৰত, তম্বক, কণাদ।

চৈধ্য পাৰিষদ— কুমুদাক্ষ, পুষ্পদন্ত, বিষ্বকসেন, জয়, জয়ন্ত, গৰুড়, নন্দ, সুনন্দ, বিজয়, সাত্বত, প্ৰবল, উতবল্ল, শ্ৰুতদেৱ, কুমুদ।

চৈধ্য শাস্ত্ৰ— শিক্ষা, কল্প, জ্যোতি, মীমাংসা, ন্যায়-নীতি, দণ্ড, ব্যাকৰণ, আয়ুৰ্ব্বেদ, ছন্দ, স্মৃতি, নিৰুক্ত, গান্ধৰ্ব্ব, ধনুৰ্ব্বেদ আৰু কাব্য।

চৈধ্য মনু— স্বায়ম্ভুব, স্বাৰোচিষ, উত্তম, তামস, ৰৈবত, চাক্ষুষ, বৈবস্বত, সাবৰ্ণি, দক্ষ সাবৰ্ণি, ব্ৰহ্ম সাবৰ্ণি, ৰুদ্ৰ সাবৰ্ণি, ধৰ্ম সাবৰ্ণি, দেৱ সাবৰ্ণি, ইন্দ্ৰ সাবৰ্ণি। চৈধ্য সাক্ষী— দিশ, শশী, সূৰ্য্য, আকাশ, অগণি, স্বৰ্গ, মৰ্ত্ত্য, দিন, ৰাতি, কাল, জল, বায়ু, ধৰ্ম, মহী।

চৈধ্য শাক— ওলকচু, কেয়া কঠাল, জিলমিল শাক, সৰিয়হ, মানিমুনি, মহানিম পাত, জয়ন্তী গছৰ পাত, মনোৱা শাক, ব্ৰাহ্মী, পটোল, ভূতমূলা, আমৈলতা, তিতাভেকুৰী, পানী চেঙ্গেৰী। কাতি মাহৰ কৃষ্ণ চতুৰ্দ্দশীত আঞ্জা খালে ৰোগ নিৰাময় হয়।

চৈধ্য মুখ্য নাড়ী— ইড়া, পিঙ্গলা, সুষুম্না, গান্ধাৰী, হস্তিজিহ্বা,

কূহু, সৰস্বতী, পূষা, শঙ্খিনী, পয়স্বিনী, বাৰুণী, অলম্বুষা, বিশ্বোদৰী যশস্বিনী। ইয়াৰ মধ্যে সৰ্ব্বোত্তম— সুষুম্না নাড়ী। চৈধ্য নাম— (দুৰ্গাৰ) দুৰ্গা, ভদ্ৰা, কালী, ভগৱতী, বিজয়া, কুমুদা, চণ্ডীকা, কন্যা, মায়া, মাধৱী, কৃষ্ণা, ঈশানী, নাৰায়ণী, বৈষ্ণৱী।

চৈধ্য ভাৰ্য্যা— (বসুদেৱৰ) মদিৰা, বৈশাখীভাদ্ৰ, সুনমা, ৰোহিনী, ধ্ৰৰা, সহদেৱী, বৃকদেৱী, শান্তিদেৱী, উপদেৱী, দেৱৰক্ষী, দৈৱকী, সন্দেৱ, (দুজনী পৰিচৰ্য্যা পত্নী) সুতনু, বড়ৱা।

**চতুৰ্দশ ধাৰণা**—(বিভিন্ন দেশৰ মনীষী সকলৰ ঈশ্বৰ সম্পৰ্কে ধাৰণা)

১। ৰেনে ডেকাৰ্ট (Rene Decourtes) ইউৰোপীয় নব্য দৰ্শনৰ পিতৃ স্বৰূপ। তেওঁ কৈছে "সকলো ধাৰণাৰে একোটি কাৰণ থাকে। অস্তিত্ব অবিহনে ধাৰণাৰ সৃষ্টি হ'ব নোৱাৰে। ঈশ্বৰৰ অস্তিত্ব নহলে আমাৰ মনত ঈশ্বৰৰ ধাৰণাৰ জন্ম নহলহেঁতেন। গতিকে ঈশ্বৰ আছে।

২। ডঃ চেলিঙে (Dr. Sehelling) কয় ঈশ্বৰ পৰম অহং, পৰম সৰ্ব্বব্যাপী। প্ৰকৃতিৰ ভিতৰত ঈশ্বৰ সুপ্ত হৈ আছে। মানুহৰ ভিতৰত ঈশ্বৰ জাগৃত হৈ আছে। মৃত্যুত মানুহৰ অংশ পৰম অহংৰ মাজত বিলীন হৈ যায়।

৩। এইচ, জি, ৱেলচ (H. G. Wells) কয় মানুহৰ নৈতিক উন্নয়নে যেতিয়া উচ্চতম অৱস্থা পায়গৈ সেই অৱস্থাটোক ঈশ্বৰ বুলি কব লাগিব। ঈশ্বৰ মানুহৰ উচ্চতম প্ৰতীক।

৪। দাৰ্শনিক ডঃ কাণ্টে (Dr. Kant) কৈছে মানুহক ঈশ্বৰ এজন লাগে। মানুহৰ নৈতিক উন্নতিৰ আদৰ্শৰ কাৰণে এটি প্ৰয়োজনীয় ধাৰণা।

৫। মিঃ ৰোল মেয়ে (Rollo May) কয় বহুত সময়ত ঈশ্বৰ বিশ্বাসে মানুহৰ ব্যক্তিত্বৰ সুস্থ বিকাশত ৰসায়ণৰ (টনিক) (tonic) নিচিনা কাম কৰে।

৬। স্বামী বিবেকানন্দই কৈছে— ঈশ্বৰ শব্দটি স্মৰণাতীত। কাল হইতে চলিয়া আসিয়াছে। এক মহৎ আৰ পবিত্ৰ। এক সৰ্ব্বব্যাপী চৈতন্যেৰ ভাব এই ঈশ্বৰ।

৭। ভাৰতীয় মনীষী অৰবিন্দই কৈছে— ভগৱান যে কেৱল ক্ষীণ স্তিমিত মৰ্ম্ম বাণীৰ মধ্যে তা নয়, তিনি ৰয়ছেন আকাৰ আগুণেৰ মধ্যে ঝঞ্ঝাৰ মধ্যেও। অৰ্থাৎ মৃদুতাৰ মাজতে নহয় প্ৰখৰতাৰ মাজতো আছে।

৮। দাৰ্শনিক চমাৰচেট মমে কয়— ঈশ্বৰৰ অস্তিত্ব সম্বন্ধে মই আজিও সংশয়বাদী। এই সংশয়ৰ সন্মুখত মই বিহ্বল হৈ পৰো। বিশ্ব ব্ৰহ্মাণ্ডৰ বিশালতাই মোক আতঙ্কিত আৰু বিস্মিত কৰি তোলে। সন্ত সকলৰ উক্তিয়ে মোক সন্তুষ্ট কৰিব নোৱাৰে। উপনিষদ পঢ়ি মই পাইছো যে পৰমাত্মা বা পৰমব্ৰহ্ম স্বয়ং সৃষ্টি আৰু স্বতন্ত্ৰ। সকলো জীৱই এই পৰম ব্ৰহ্মৰ মাজত বিৰাজমান। পৰমাত্মা এই ধাৰণাৰ এনে এটি মহিমা মণ্ডিত গাম্ভীৰ্য্য আছে যি আন নহলেও আমাৰ কল্পনাক পৰিতৃপ্ত কৰে।

৯। যৌন বিশেষজ্ঞ মিঃ ফ্ৰয়েদে ( Freud ) কয় ঈশ্বৰ বিশ্বাসী লোক বিলাক স্নায়ু ৰোগী। স্বাস্থ্যবান আৰু আত্মপ্ৰত্যয় থকা লোকৰ ঈশ্বৰৰ প্ৰয়োজন নাই।

১০। বৃটেইনৰ এ, জে, আয়াৰৰ ( A. G. Ayer ) মতে ঈশ্বৰ আছে বোলা কথাষাৰ অৰ্থহীন, মিছা কথা।

১১। ডঃ আইনষ্টাইনৰ ( Dr. Albert Einstein ) মতে ঈশ্বৰ মানুহৰ দুৰ্বল মনৰ সৃষ্টি।

১২। জুলিয়ান হাক্‌চ্‌লীয়ে ( Julian Huxley ) কয় "মই ঈশ্বৰক বিশ্বাস নকৰো। ঈশ্বৰ নামৰ অসত্য বস্তু এটাৰ কোনো প্ৰয়োজন নাই।

১৩। বাৰ্টানণ্ড ৰাচেলে ( Bertand Russell ) কয় ঈশ্বৰ মাত্ৰ এটা

ধৰ্মীয় বিশ্বাস। যুক্তি আৰু অভিজ্ঞতাই ঢুকি নোপোৱা ধাৰণাকে বিশ্বাস বোলা হয়। গতিকে বিশ্বাসে কোনো অস্তিত্ব প্ৰমাণ নকৰে।

১৪। ভলটিয়াৰে কৈছে যে, যদি ঈশ্বৰ নাথাকিলেহেঁতেন তেন্তে তেওঁক আবিষ্কাৰ কৰাৰ প্ৰয়োজন হ'লহেঁতেন।

পঞ্চদশ তিথি— প্ৰতিপদ, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, পঞ্চমী, ষষ্ঠী, সপ্তমী, অষ্টমী, নবমী, দশমী, একাদশী, দ্বাদশী, ত্ৰয়োদশী, চতুৰ্দ্দশী, পূৰ্ণিমা বা অমাৱস্যা।

ষোড়ষ বিকাৰ— মাটি, পানী, তেজ, বায়ু, আকাশ, বাক্, পাণি, পাদ, পায়ু, উপস্থ, চক্ষু, নাসিকা, কৰ্ণ, ত্বক, জিহ্বা, মন। ষোড়শোপচাৰ— আসন, স্বাগত, পাদ্য, অৰ্ঘ্যা, আচমনীয়, বসন, মধুপৰ্ক, স্নানীয়, আভৰণ, গন্ধ, পুষ্প, ধূপ, দ্বীপ, নৈবেদ্য, পুনৰাচমনীয়, বন্দনা। ষোড়শ দান— ভূমি, আসন, জল, বস্ত্ৰ, দীপ, অন্ন, তামোল, ছত্ৰ, গন্ধ, মাল্য, ফল, শয্যা, পাদুকা, ধেনু, সোণ, ৰূপ। ষোড়শ মাতৃকা— গৌৰী, পদ্ম, শচী, মেধা, সাবিত্ৰী, বিজয়া, জয়া, পুষ্টি, শান্তি, স্বধা, স্বাহা, দেৱসেনা, ধৃতি, তুষ্টি, আত্মদেৱতা, কুলদেৱতা। ষোড়শ যুগ— সত্য, ত্ৰেতা, দ্বাপৰ, কলি, নীল, উগ্ৰ, ধূম্ৰ, জ্যোতি, আকাৰ, নিৰাকাৰ, নিৰ্ব্বিকাৰ, ধন্ধাৰ, কাল, অকাল, মহাকাল, অনুযোগ।

সপ্তদশ মহাতীৰ্থ— গঙ্গা, যমুনা, গোদাবৰী, সৰস্বতী, নৰ্মদা, সিন্ধু, কাবেৰী, গয়া, কাশী, প্ৰয়াগ, গণ্ডকী, কুৰুক্ষেত্ৰ, পুস্কৰ, তাম্ৰপৰ্ণী, কৃতমালা, পয়স্বিনী, প্ৰতাচী।

ওঠৰ মহাপুৰাণ— ব্ৰহ্ম, বিষ্ণু, শিৱ, ভাগৱত, মাৰ্কেণ্ডেয়, পদ্ম, নাৰদীয়, অগ্নি, ভবিষ্য, ব্ৰহ্মবৈৱৰ্ত, লিঙ্গ, বৰাহ, স্কন্দ, বামন, কূৰ্ম, মৎস্য, গৰুড়, ব্ৰহ্মাণ্ড। ওঠৰ বিধ সালগ্ৰাম— অনন্ত, অনিৰুদ্ধ, গদাধৰ, দধিবামন, দামোদৰ, নৰসিংহ, প্ৰদ্যুম্ন, বলৰাম, মধুসূদন,

ৰঘুনাথ, ৰাজৰাজেশ্বৰ, লক্ষ্মীজনাৰ্দ্দন, লক্ষ্মীনৰসিংহ, লক্ষ্মীনাৰায়ণ, বাসুদেৱ ( সৰ্ব্ব কাম প্ৰদাতা ) শ্ৰীধৰ, সুদৰ্শন, হয়গ্ৰীৱ।

এৰৈকশ বিধ কণ্টক— ভোট বেঙেনা, পোৱাল বেঙেনা, বগৰী, তিত্‌বগৰী, তৰুৱা কদম, শিজু, বিজু, মদাৰ, মৈন, বেল, শিমলু, গোলাপ ফুল, খৈৰা, কাটাকুহি, কাটা সুতুৰা, নেমুটেঙা, তুলাটেঙা, কটাহ বাঁহ, পণিয়াল, আনাৰস আদি বন। বৈদ্য শাস্ত্ৰৰ মতে এই ২১ বিধ কাঁইট লগ কৰি এৰি চোচৰাৰ ভিতৰত ভৰাই তিনি ৰঙৰ সূতাৰে বসন্ত ৰোগীৰ গলত বান্ধি দিলে আৰোগ্য হয়।

চৌবিশ তত্ব— ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম, ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ, হস্ত, পদ, বাক্, মলদ্বাৰ ( পায়ু ), মূত্ৰদ্বাৰ ( উপস্থ ), চকু, কাণ, নাক, জিভা, ত্বক ( ছাল ), মন, বুদ্ধি, চিত্ত, অহংকাৰ।

চৌবিশ অৱতাৰ— ১। মৎস্য অৱতাৰে প্ৰলয় জলৰ হন্তে চাৰিবেদ উদ্ধাৰি সত্যব্ৰত ৰজাক নিজ মায়া দেখাইলা।

২। কূৰ্ম্ম অৱতাৰে ক্ষীৰোদধি তীৰে মন্দৰ ধৰিলা।

৩। নৰসিংহ অৱতাৰে হিৰণ্যকশিপুক বধিলা।

৪। বামন অৱতাৰে তিনিপদ ভূমি ছলে বলিৰ ত্ৰৈলোক্য হৰিলা।

৫। পৰশুৰাম ৰূপে পৃথিৱীক নিঃক্ষত্ৰিয় কৰিলা।

৬। হলীৰাম অৱতাৰে প্ৰহস্ব, দ্বিবিদ, মুষ্টিক, দন্তবক্ৰ আদি দত্যক বধিলা।

৭। বৰাহ ৰূপে দন্ত অগ্ৰে ভূমি উদ্ধাৰিলা।

৮। শ্ৰীৰাম ৰূপে পিতৃ সত্য পালি সেতু বন্ধনাদি কৰ্ম কৰিলা।

৯। বুদ্ধ অৱতাৰে বেদ পন্থ ছন্ন কৰিলা।

১০। কল্কি অৱতাৰে পাষণ্ড দণ্ডিৱা।

১১। কপিল অৱতাৰে মাতৃত সাংখ্য জ্ঞান কহিলা।

১২। ঋষভ অৱতাৰে ধীৰৰ পন্থ দেখাইলা।

১৩। ধন্বন্তৰি ৰূপে সাগৰ মন্থনে অমৃতৰ ঘট আনিলা আৰু বৈদ্য

শাস্ত্ৰচয় প্ৰচাৰিলা ।

১৪। মোহিনী ৰূপে দৈত্যক মোহি দেৱক অমৃত পাণ কৰাইলা ।

১৫। ব্যাস অৱতাৰে বেদ, তৰু শাখা ভেদ কৰিলা ।

১৬। কুমাৰ অৱতাৰে অখণ্ড ব্ৰহ্মচৰ্য কৰিলা ।

১৭। নাৰদ ৰূপে নাৰায়ণ নাম আৰু পঞ্চৰাত্ৰ নামে তন্ত্ৰ প্ৰচাৰিলা ।

১৮। যজ্ঞ অৱতাৰে আপুনি ইন্দ্ৰ হুয়া স্বয়াম্ভুৱ মন্বন্তৰ পালিলা ।

১৯। দত্তাত্ৰেয় ৰূপে যদু অলৰ্ক, হৈহয় আদি ৰজাসৱক আত্মজ্ঞান দিলা ।

২০। নৰ-নাৰায়ণ ৰূপে দুষ্কৰ তপ আৰম্ভিলা ।

২১। পৃথু অৱতাৰে পৃথিৱীক দোহিলা ।

২২। হয়গ্ৰীৱ অৱতাৰে হয়সুৰক বধিলা, ধ্ৰুৱক আত্মজ্ঞান দিলা ।

২৩। হৰি অৱতাৰে ত্ৰিজগতক ৰক্ষা কৰিলা ।

২৪। সনত কুমাৰ অৱতাৰে দুষ্কৰ ব্ৰহ্মচৰ্য্য ব্ৰত আচৰিলা ।

ব্ৰতৰ নিম্নগামী ফল— কোনো লোকে যদি নানা কাৰণত ব্ৰত (উপবাস) কৰিব বিচাৰে তেনেহলে তেওঁ সম্পূৰ্ণ ফল পাবলৈ হ'লে—

১। ব্ৰতৰ সময় ছোৱাত বায়ু ভক্ষণ কৰি থাকিব পাৰিলে ভাল । নোৱাৰিলে,

২। জল ভক্ষণ কৰি থাকিব পাৰিলে ভাল । নোৱাৰিলে,

৩। দুগ্ধ ভক্ষণ কৰি থাকিব পাৰিলে ভাল । নোৱাৰিলে,

৪। ফল ভক্ষণ কৰি থাকিব পাৰিলে ভাল ।

৫। ব্ৰতৰ সময় ছোৱাত দিবা নিদ্ৰা গ'লে

৬। ব্ৰতৰ সময় ছোৱাত দূৰ ভ্ৰমণ কৰিলে

৭। ব্ৰতৰ সময় ছোৱাত স্ত্ৰী সংলাপ কৰিলে

৮। ব্ৰতৰ সময় ছোৱাত তামোল আৰু ধুমপান কৰিলে

৯। ব্ৰতৰ সময় ছোৱাত হলকৰ্ষণ কৰিলে

১০। ব্ৰতৰ সময় ছোৱাত ত্ৰি সন্ধ্যা নকৰিলে

১১। ব্ৰতৰ সময় ছোৱাত গীতা ভাগৱত শ্ৰৱণ কীৰ্ত্তন নকৰিলে, লঘোণে থকাৰ বাহিৰে সকলো নিস্ফল হয়।

## প্ৰতি শব্দ জ্ঞান

ভঁৰালত যেনেকৈ কেবাবিধৰো ধান জমা থাকিলে প্ৰয়োজনবোধে ৰুচিকৰ খাদ্য ভিন্ ভিন্ প্ৰকাৰে প্ৰস্তুত কৰি গ্ৰহণ কৰিব পাৰি, তেনেদৰে একেটা শব্দৰে বিভিন্ন প্ৰতি শব্দৰ জ্ঞান থাকিলে সাহিত্য সৃষ্টি কৰাৰ ক্ষেত্ৰতো ফলদায়ক হয়। সেয়েহে কেইটিমান শব্দৰ "প্ৰতি শব্দ জ্ঞান" ছাত্ৰ-ছাত্ৰী তথা সাহিত্যিক সকলৰ উপকাৰত আহিব বুলি যুগুতাই দিয়া হ'ল।

১। **ঈশ্বৰ :** ভগৱান, ভগবন্ত, বিষ্ণু, হৰি, গোবিন্দ, পৰমেশ, পৰমেশ্বৰ, পৰমাত্মা, পৰমপিতা, জগদীশ, মালিক, দীনবন্ধু, জগৎপতি, ব্ৰহ্ম, অচ্যুত, কৰুণাময়, অজিত, ঈশ, অজ, ধাতা, প্ৰভু, স্বামী, সৃষ্টিকৰ্ত্তা, মহেশ্বৰ, গৰাকী, দয়াময়, সচ্চিদানন্দ, ত্ৰিবিক্ৰম, বিভু, শব্দ-ব্ৰহ্ম, পৰম-ব্ৰহ্ম, অনাদি, অনন্ত, আল্লা, খোদা, ইয়াছামাহু, ইয়াইলাহি, ছামিউন, ছাহিদ, ছানিউন ৰচিদ, ছানিউন বাছি, ইয়াৰব; ইয়াঅহাবু, গড।

২। **পৃথিৱী :** বসুমতী, বসুন্ধৰা, ধৰা, ধৰিত্ৰী, ধৰণী, ধৰাতল, অৱনী, বসুধা, ভূ, ভূতল, ভূৱন, ভূলোক, ভূমণ্ডল, ভূমি, ভাৰন্ত, ভূঁই, উৰ্ব্বী, ইজ্যা, অচলা, কাশ্যপী, বিশ্বম্ভৰা, অনন্তা, মহী, মহীতল, মেদিনী, মৰত, মৰ্ত্য, ব্ৰহ্মাণ্ড, বিশ্বজগত, বিশ্বসংসাৰ, বিশ্বব্ৰহ্মাণ্ড, ব্ৰহ্মাডিম্ব, পূৱা, অদিতি, ইলা, জনা, পৃথ্বী, ৰিপ, দুনিয়া, গাতু, গো, গ্মা, ক্ষমা, ক্ষ্মা, ক্ষা ক্ষৌণী, ক্ষিতি।

৩। **সূৰ্য্য :** বেলি, দিবাকৰ, দিনমণি, ৰবি, অৰুণ, আদিত্য, অৰ্ক,

১৪। **মৃত্যু** : ঢুকাল, মৰিল, চলিল. স্বৰ্গী, মৰণ, বৈকুণ্ঠ প্ৰয়াণ, পৰলোকপ্ৰাপ্ত, পৰলোকগমণ, পঞ্চত্বপ্ৰাপ্ত, দেহাৱসান, পৰমায়ু শেষ, মানৱলীলা সম্বৰণ, নৰনাট সামৰণ, কালপ্ৰাপ্ত, তনুত্যাগ, দেহান্তৰ, মহাপ্ৰয়াণ, অমৰধামলৈ গতি, প্ৰয়াত, ফৌত, ফৌতি।

১৫। **দ্বীপান্বিতা** : দেৱালী, দীপাৱলী, দীপদান, দীপোৎসৱ, দিব্যপৰ্ব, নাইমহুৱা ( চীনদেশ ), টিহাৰ ( নেপাল ), টেৰোনগচি ( জাপান ), টউগীজু ( ব্ৰহ্মদেশ ), লচীয়েড ( চুইডেন ), দীপমালিকা ( শ্যামদেশ ) গে-ফক্স-ডে ( ইংলেণ্ড )।

১৬। **অহংকাৰ** : ডাংকোপ, ফুটনি, অভিমান, গৰ্ব, গৌৰৱ, গৌঠালি, গহৰি, গহীয়া, গণ্ডপ, গণ্ডলিকা, গপ, জাহিৰ, ভেন, বৰ কথা, বৰাই, বৰলোকালি, ভৰক্, ভৰকণি, মিছাডাবি, দুৰ্বিনীত আয়ম, ফাতিহা, ফুটংগিৰী।

১৭। **পাৰ্থক্য** : প্ৰভেদ, পৃথক, সুকীয়া, ভেদ, বেলেগ, ভিন, ভিন্ন, বিভেদ, অসমান, অমিল, আঁতৰ, নিলগ, ফাক, ভেদাভেদ, ফাৰাক, তফাৎ, বৈসাদৃশ্য, দূৰ, বিলক্ষণ, বায়ং।

১৮। **মূৰ্খ** : অজ্ঞান, অজ্ঞ, মূঢ়, নিৰ্ব্বোধ, অঁজলা, বুৰ্ব্বক, ভোদা, ভেদেকা, ভেবা, ভেবুৱা, ভেলেকা, ভেলেঙ্গা, বোবা, বুদ্ধিহীন, বেকুব, হোজা, হজুৱা, হাবাং, চহা, জলধা, অপাত্ৰ, আপাঁহতা, অহমক্, একোনজনা, মেহেঙ্গা, মূলুং, লপা, মন্দমতি।

১৯। **দুষ্ট** : লম্পট, দুৰ্জ্জন, টেঙৰ, অসৎ, অঘাইতং, সিয়ান, বদ্মাচ, বদ্জাত, লটক, হাৰামী, হাৰামৰ-নেগুৰ, শলাল, লৌৱা-লপা।

২০। **শুৱনি** : সুন্দৰ, ধুনীয়া, মনোহৰ, চাৰু, লাবন্য, মনোৰম, মনোমোহা, শ্ৰী, সুশ্ৰী, কান্তিময়, কান্তিমন্ত, ৰূপবান, ৰূপৱন্ত, শোভন, সুকোমল, সুদৃশ্য, লাহৰি, ললিত, লনি, দেখনিয়াৰ, উত্তম, ভাল, সুৰূপ, চকুলগা।

২১। **প্ৰাৰ্থনা :** প্ৰণাম, সেৱা, নমস্কাৰ, স্তুতি, অৰ্চ্চনা, বন্দনা, ধ্যান, আৰাধনা, অভিবাদন, আৱজ ।

২২। **প্ৰতাপ :** ক্ষমতা, পুৰুষালি, প্ৰভাৱ, পৰাক্ৰম, বিক্ৰম, বীৰত্ব, শক্তি, সামৰ্থ, মহিমা, মাহাত্ম্য, গৌৰৱ, বল ।

২৩। **স্বামী :** পতি, ভতাৰ, ভৰ্ত্তা, ভতজে, গিৰিহঁত, গৰাকী, দেৱতা, মালিক, লালু, অধিকাৰী, কৰ্ত্তা, জওঁজে ।

২৪। **বন্ধু :** সখি, মিত্ৰ, সখা, সুহৃদ, সতীৰ্থ, সংগী, মিতা, বান্ধৱ, ইষ্ট, সহচৰ, লগৰীয়া, হিতকাৰীলোক, হাজী ( নগা শব্দ )।

২৫। **লোকচান :** ক্ষতি, হানি, লোকচান, কমতি, নাশ, নাটনি, টুটনি, হেৰণ, হৰকত, হুন, দাউন, ডেমাইজ, যিয়ানত্ ।

২৬। **দৰিদ্ৰ :** ভিকহু, দুখীয়া, নিছলা, ভিক্ষুক, মগনীয়া, যাচক, ছোৱালি ।

২৭। **অলপ :** কিয়ৎ, কিঞ্চিৎ, কিছু, কণমান, নাওমান, এধানমান, অকণমান, সামান্য, যৎসামান্য ।

২৮। **উলটি :** উভতি, ঘুৰি, দুনাই, ফিৰি, পুণৰায়, পিচুৱাই, আকৌ, লুটি-খাই ।

২৯। **হুলস্থুল :** কোলাহল, কোৰ্হাল, উৰুমি, তোলপাৰ, উখল-মাখল, হুৱাদুৱা, উবাজুবা, চিঞৰ-বাখৰ, উদ্বিগ্নতা, উগুল-থুগুল, হল্দিল ।

৩০। **ভাগ্য :** কপাল, অদৃষ্ট, ললাট, দশা, বৰাত, তক্দীৰ ।

৩১। **শোক :** বেদনা, দুখ, কষ্ট, ক্লেশ, কৰুণ, যাতনা, যন্ত্ৰনা, বেজাৰ, বিলাপ, মনোদুখ, নিকাৰ, ব্যাথা, পীৰা, বিষ ।

৩২। **ধূৰ্ত্ত :** শঠ, প্ৰৱঞ্চক, ভণ্ড, ঠগ, প্ৰতাৰক, শিয়ান, চতুৰ, দুষ্ট, দগাবাজ, মিছলীয়া, ছলাহী, হাৰামী ।

৩৩। **ঢিলা :** সহজ, মসৃণ, উজু, শিথিল, সুচল, সুগম, সুকৰ, সুকোমল, কোমল, মৃদু, আটনোযোৰা, লোলা ।

৩৪। **ভদ্ৰ :** সভ্য, সৎ, সন্ত, সজ, সাধু. শুচি, শিষ্ট, সুশীল, নম্ৰ, মাৰ্জিত, সজ্জন, উত্তম, ভাল, দেৱান, মহাজন।

৩৫। **সন্দেহ :** সংশয়, আশংকা, ভয়, শংকা, খুকুৰি, খোকোজা, খু-তুৱনি, অনিশ্চয়তা, চোভা।

৩৬। **লালসা :** লোভ, লিপ্সা, ইচ্ছা, খক্, স্পৃহা, হেঁপাহ, হাবিয়াস, আসক্তি, ক্ষুধা, লোলুপ।

৩৭। **মা :** মাই, আই, মাতা, মা, জননী, জন্মদাতা, মা-জান, আম্মাজান, বৌটি, অম্মা, অম্বা, প্ৰসূ, অম্বিকা।

৩৮। **বৃথা :** নিৰৰ্থক, নিষ্ফল, অসাৰ, ফুচকাচ, সফল নোহোৱা, আশা-শূন্য, ভেচ্‌ভেচীয়া।

৩৯। **নিলাজ :** নিৰ্গত, নিধক, প্ৰগল্‌ভ, চুলুং, বিষম সাহসী, মৰসাহিয়াল, অপমানলৈ ভয় নকৰি আগবঢ়া।

৪০। **সমাপ্তি :** শেষ, অন্ত, ওৰ, সমাপন, নিষ্পত্তি, সম্পন্ন, সিদ্ধান্ত, যবনিকা, পৰিণতি, পৰিসমাপ্তি, ৰকা, খতম্, মীমাংসা, বিনিশ্চয়, সানৰণি, ইতি।

## শব্দাৰ্থ :

সংশপ্তকগণ— অৰ্জ্জুনক বধ কৰিবলৈ শপত গ্ৰহণ কৰা এক শ্ৰেণী কৌৰবপক্ষীয় যোদ্ধা। গুড়াকেশ— যি নিদ্ৰাক জয় কৰিছে (অৰ্জ্জুন)। সব্যসাচী— বাওঁ হাতেৰেও (সোঁ হাতেৰেও) সমানে কাঁড় মাৰে এনেকে (অৰ্জ্জুন)। পৰিঘ— লোৰ ডাং। পট্টিশ— তিনিটা শূল থকা লোৰ ডাং। নৰাচ— একে বাৰতে বহুত মানুহ মাৰিব পৰা এবিধ চোকা শৰ। পট্টিশ— এবিধ কুঠাৰৰ নিচিনা যুদ্ধৰ অস্ত্ৰ। ভিন্দিপাল— দলিয়াই মৰা অস্ত্ৰ বিশেষ। তোমৰ— এবিধ লোৰ টাঙ্গন। খাণ্ডা— তৰোৱাল। স্ৰুচ— স্ৰুবৰ ওপৰত স্থাপিত কৰি

হোমত ঘিউ ঢলা ঘূৰণীয়া হেঁতা। স্ৰুৱ— স্ৰচৰ তলত দি হোমত ঘিউ ঢলা দীঘলীয়া হেঁতা। ক্ষৰ— বিনাশী। অক্ষৰ— অবিনাশী। নাটেশ্বৰী— অসতী তিৰোতা। অনদ্বাহী— বন্ধ্যাগাই। উপৰাম—শান্তি। ব্যতিকৰ— বিষয় আসক্তি। পৌগণ্ড— পাঁচ বছৰৰ পৰা দহ বছৰ কাল। ব্যৰণচয়— হস্তীসমূহ। পিঠিকা বা শিবিকা— দোলা। টামন—চতুৰ। উলুক— উকা বা ধনগুলৈ। বিদ্ৰুম— প্ৰবাল, পোৱাল মণি। খমাৰ—ব্যৱসায়ী। খদ্যোতক— জোনাকী পৰুৱা। মহাঋদ্ধি—সম্পত্তি। নিহল— শিকলি। ভাথৰ— ভটুৱা কুকুৰ। টাই— শক্তি। ভৰ্চ্ছি— শৌচ কৰি। মেখলা— ককাল বান্ধা। শ্ৰোণী— তপিনা। খেকট কৰি— দাঁত নিকটাই। আণ্টা— বুজি পোৱা। বেতৰি— কাষলতি। চটি— গৰ্ব্ব। ঈক্ষণ— দৃষ্টি। পৰিবেদন— কষ্ট। অথাকে—অনবৰত। নিকৰ্পটি— নঙঠা। কণ্ডিয়া— কঁৰীয়া। গান্ধী— ব্যৱসায়ী। নেমি— চকৰি। কুৰালে— মূৰ ফণীয়ালে। কণ্ডুতি— খুজতি। ব্ৰহ্মবন্ধু— অধম ব্ৰাহ্মণ। কণ্ডনী— ঢেঁকী। পেষণী— পটা। চুল্লী— চৌকা। কলসী— কলহ। মাৰ্জনী— বাঢ়নী। সৌৰি— বসুদেৱ। বাঞ্চেয় আৰু সাত্বত— কৃষ্ণ। সৌৰত—ৰতিক্ৰিয়া। অলম্পট—অনাসক্ত। বাণিজাৰু— বণিক। কণ্ঠৰা— গুৰিয়াল। কিঙ্কিনী— ঘুগুৰা। ডিণ্ডিম— ঢোল। সয়তৰী— সতী যোৱা। সম্পত— ঠোলা। তম্বুৰু— স্বৰ্গৰ গায়ক। কন্দৰ্প— কামদেৱ। বাজী—ঘোঁৰা। খতিধন— ভেটিৰ টকা। গোময়— গোবৰ। পাটোৱাৰী— শিল্পী। দাৰু— কাঠ। দুৰিত— পাপ। উৰ্ণনাভ— মকৰা। পুংগীফল— তামোল। অবভৃথ স্নান— যজ্ঞৰ অন্তত কৰা স্নান। দ্ৰাবিড় দেশ— দক্ষিণ ভাৰত। কষতি শিল— সোণ পৰীক্ষা কৰা শিল। নান্দী— মঙ্গলাচৰণ। ধুমোৰ্ণা— যমৰ

ঘৈণীয়েক। কল্প— ব্ৰহ্মাৰ এক অহোৰাত্ৰ। মানুহৰ ৪৩২ কোটি বছৰ। কম্বুকণ্ঠ— শঙ্খৰ পাকৰ নিচিনা আঁক থকা ডিঙি। হৃষীকেশ—জিতেন্দ্ৰিয়। পানৈ— পাদুকা। সৰীসৃপ—বুকুৰে বগাই যোৱা প্ৰাণী। আকুঞ্চিত কেশ— কেঁকোৰা চুলি। চিবুক— থুতৰি। জলৌকা— জোক। সংবৃত— গোপন। কৰ্দ্দম— বোকা। কুদ্ৰাক্ষৰ জালে— সৰু খিৰিকীৰ বিন্ধাৰে। লতৰাই— টপৰাই। পঞ্জাল— খোজৰ চিন। অভুক্ত বৈৰাগ্য— সংসাৰ ভোগ নকৰাকৈ আশ্ৰয়-কৰা বৈৰাগ্য। গ্ৰীৱা—গল্। বাৰ্ত্তাকু— বেঙেনা। বৃহতী— তিতা ভেকুৰী। বৃষলী— অবিবাহিতা ৰজস্বলা কন্যা।

| Love শব্দৰ অৰ্থ। | Wife শব্দৰ অৰ্থ। |
|---|---|
| L— Lake of tears. | W— Witty (কৌশল) |
| O— Ocean of sorrow | I— Intelligent (বুদ্ধিমতী) |
| V— Valley of death. | F— Fond— (ভালপোৱা) |
| E— End of life. | E— Earnest— (সাধুতা) |

মিকিৰ ভাষাত— লেক্ মানে— মণি। কাদেং চিন্‌ৰ— ৰূপৰ টৈৰীয়া। ৰয়— খাৰু। গীণি— মেখেলা। জীছ— বুকু বন্ধনী কাপোৰ।

Student শব্দৰ বৰ্ণ বিশ্লেষণ :

S মানে Study— অধ্যয়ন।
T মানে Truthfulness—সত্যবাদিতা।
U মানে Unity— একতা।
D মানে Discipline— নিয়মানুবৰ্তিতা।
E মানে Enthusiasm— আগ্ৰহ।
N মানে Neutrality— নিৰপেক্ষতা।

T মানে Trustworthy— বিশ্বাসী।

শৌণক— বুদ্ধিমান, চতুৰ। কুণ্ড— পতি জীৱিত থাকোঁতেই জন্মা জাৰজ সন্তান। গোলক— পতি মৰিলে জন্মা জাৰজ সন্তান। পৰিবিত্তি আৰু পৰিবেত্তা— অবিবাহিতা জ্যেষ্ঠ থাকোঁতে কণিষ্ঠই বিয়া কৰালে জ্যেষ্ঠজনক পৰিবিত্তি আৰু কণিষ্ঠজনক পৰিবেত্তা বোলে। বৈশ্বদেৱ বলি— পত্নীয়ে সন্ধ্যাসময়ত মন্ত্ৰ উচ্চাৰণ নকৰাকৈয়ে সিদ্ধ অন্নৰে দেৱতাক দিয়া বলি। এই বলি গধূলি আৰু ৰাতিপুৱাহে বিধেয়।

পাৰ্ব্বণ— অমাবস্যাত মৰা মানুহৰ শ্ৰাদ্ধ। পুণ্ডৰীকাক্ষ— পদ্মৰ দৰে চকু যাৰ (বিষ্ণু)। ঈক্ষণিক— হাত চাই জীৱিকা কৰা লোক, বনস্পতি— যিবোৰ গছ ফুল নোহোৱাকৈ ফলবান হয়। বৃক্ষ--যিবোৰ গছ ফুল ধৰি ফলবান হয়। গুচ্ছ-- যিবোৰ মূলৰ পৰা সৰু সৰু বহুত লতাৰ উৎপন্ন হয় (মল্লিকা)। গুল্ম— জোপোহা গছ। যাৰ একমাত্ৰ মূলত বহুত অঙ্কুৰ জন্মে (কুঁহিয়াৰ)। তৃণ— উলু আদিক তৃণ বোলে। প্ৰতান— তন্তুযুক্ত লতাসমূহক প্ৰতান বোলে (লাওগছ) বল্লী— যিবোৰ মাটিৰ পৰা গছত আৰোহণ কৰে।

পুনৰ্ভু— দুই বাৰ বিবাহ হোৱা নাৰী, শ্বিত্ৰী— ধৱলকুষ্ঠ ৰোগিণী, দিধিষূ— উপপতি, সুপৰ্ণ— কুকুৰা চৰাই, আৰ্দ্ৰক— কেঁচা আদা, ওদন— চাউল, অন্ন, কাঞ্জিক— টেঙা আহাৰ। ব্যাসন— বিপদ, অজকুৎ গমত— তিৰ্য্যক যোনি গমন, মুকুৰ— অয়না, কচ্মী— বেশ্যা, খেচৰী-- সৰস্বতী, তলক-- চুলি, তাকিদ্-- কোষ্ঠী, বায়ং-- পাৰ্থক্য, জম্ভাৰী-- ইন্দ্ৰ, অধ্বৰ-- দোষ নোহোৱা যজ্ঞ, অপাং-- নপাৎ অগ্নি, অভিগন্তা-- আক্ৰমণ কৰা, অৰিষ্ট-- অশুভ, উৎপাত, অহি-- বৃত্ৰ, সাপ, আখণ্ডল-- ইন্দ্ৰ, আনত-- বশ হোৱা, ইলিত-- স্তুতিৰ যোগ্য, উক্থ--

যি স্তোত্র গানৰ সুৰত গোৱা হয়। উৰু--- বহুত, বেছি, ঋতজ্ঞ-- নিয়মজনা, ঋতবান--- নিয়ম মতে চলা, এতশ-- সূৰ্য্যৰ ঘোঁৰা, কব্য--মৰা পিতৃক দিয়া অন্ন, জল্পক--মিছা কথা কোৱা মানুহ, জাতবেদ— যি উপজিয়েই সকলো জানে, নেতা—বাট দেখুৱাই লৈ যাওঁতা, নেমী—ৰথৰ চকৰীৰ বেৰ, পনী—কৃপণ লোক, পুৰুডাশ— পিঠা, পৃশ্নী— গাইগৰু, বসু— ধন, বাজ— অন্ন, সেচন—সিচা, গ্না— অগ্নিৰ পত্নী। ★★



(অগ্নিৰ গুণ) ৰস (পানীৰ গুণ) গন্ধ (পৃথিৱীৰ গুণ) শব্দ (আকাশৰ গুণ) স্পৰ্শ (বায়ুৰ গুণ) পঞ্চ মুদ্ৰা— আৱাহন, স্থাপন, সন্নিধা, সম্বোধন, সন্মুখীকৰণ। পঞ্চ আচৰণ— শ্ৰৱণ, ভজন, ভক্তি, আচৰণ, প্ৰৱৰ্ত্তন। পঞ্চমুক্তি— সালোক্য, সাযুজ্য, সাৰুপ্য, সাষ্টি, নিৰ্ব্বাণ। পঞ্চ পুত্ৰ (দ্ৰৌপদীৰ) প্ৰতিবিন্ধ্য (যুধিষ্ঠিৰৰ ঔৰসত) শ্ৰুতসেন (ভীমৰ) শ্ৰুতকীৰ্ত্তি (অৰ্জ্জুনৰ) শতানীক (নকুলৰ) শ্ৰুতকৰ্ম্মা (সহদেৱৰ পৰা) পঞ্চকষায়— জাম, শিমলু, বগৰী, বকুল, সোণ-বৰীয়াল। পঞ্চতিক্ত— নিম ছাল, পটোলৰ মূল, বগা বাহকাৰ ছাল, আমৈলতা, কণ্টকাৰী। পঞ্চকোল— পিপলি, পিপলিৰ মূল, পিপলিৰ চৈ, আগেচিতাৰ মূল, শুকান আদা। পঞ্চ তপ— চাৰিওফালে চাৰি-কুৰা জুই আৰু ওপৰত সূৰ্য্যৰ তাপ, ইয়াৰ মাজত কৰা তপস্যা। পঞ্চ দেৱতা— সূৰ্য্য, গণেশ, দুৰ্গা, শিৱ, বিষ্ণু। পঞ্চ মহাশব্দ— শঙ্খ, মৃদঙ্গ, পাখোৱাজ, দন্দুভি, ঢোল। পঞ্চ শস্য— ধান, মাহ, সৰিয়হ, তিল, যৱ। পঞ্চ বায়ু যন্ত্ৰ— বাঁহী, পেপা, শিঙা, কালী, শঙ্খ। পঞ্চ গুৰি— যৱ ধানৰ, পতানৰ, হালধিৰ, বেলপাতৰ, ফাকু গুৰি। পঞ্চ বটী— অশ্বত্থ, বিল্ল, বট, আমলকী, অশোক। পঞ্চশীল নীতি— প্ৰাণী হত্যা নকৰা, ব্যভিচাৰী নকৰা, মিছা কথা নোকোৱা, চুৰ নকৰা, মাদক দ্ৰব্য সেৱন নকৰা। পঞ্চ পাণ্ডৱ— যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, নকুল, সহদেৱ। পঞ্চ বেনা— কলিমা, নামাজ, ৰোজা, হজ, জাকাত। পঞ্চ অখত— ফজিৰ, জহুৰ, আছাৰ, মগ্‌ৰিব, ঈশাৰ। পঞ্চ অঙ্গুলি— বৃদ্ধা, তৰ্জনী, মধ্যমা, অনামিকা, কণিষ্ঠা। পঞ্চানন— (শিৱ) পূৰ্ব মুখ— তৎপুৰুষ (ৰক্তবৰ্ণ) পশ্চিম মুখ— সদ্যোজাত (স্ফটিক সদৃশ) উত্তৰ মুখ— বামদেৱ (পীতবৰ্ণ) দক্ষিণ মুখ— অঘোৰ (নীলবৰ্ণ) উৰ্দ্ধভাগৰ নাম— ঈশান (শ্যাম বৰ্ণ)। পঞ্চ সত্য— (শ্ৰীকৃষ্ণই কোৱা) অন্য ধৰ্ম ত্যাগ কৰা, মোতে শৰণ লোৱা, পাপৰ পৰা মুক্ত কৰিম,

তাপৰ পৰা নিস্কৃতি দিম, মই তোমাক মোক্ষ দিম। পঞ্চ ভয়— দেহত যমৰ ভয়, ভোগত ৰোগৰ ভয়, বলত শত্ৰুৰ ভয়, ধনত চোৰৰ ভয়, গুণ আৰু মানত খল আৰু অপমানৰ ভয় আছে। পঞ্চ শাখা— (সনাতন ধৰ্ম্মৰ) বৈষ্ণৱ, শৈৱ, শাক্ত, সৌৰ, গাণপত্য। পঞ্চ ত্যাগ— ত্যাগ (সুখৰ ত্যাগ) তপ (স্বাদৰ ত্যাগ) সেৱা (স্বাৰ্থৰ ত্যাগ) সত্য (সন্দেহৰ ত্যাগ) বিনয় (সন্মানৰ ত্যাগ)। পঞ্চ লক্ষণ— (বৈষ্ণৱৰ) তিলক ধাৰণ, তুলসী মালা পৰিধান, শিখা, কৌপীন আৰু অহৰ্নিশে হৰি কীৰ্ত্তন। পঞ্চ অবিদ্যা পৰ্ব্ব— তম (স্বৰূপ পাহৰা) মোহ (অহংকাৰ হোৱা) মহামোহ (ভোগাদিত ইচ্ছা) তামিশ্ৰ (ভোগৰ প্ৰতি স্নেহ) অন্ধ তামিশ্ৰ (বিষয়ত অন্ধ হোৱা)। পঞ্চ কক্কাৰ—(শিখসকলৰ) কেশ (চুলি) কংঘা (ফণি) কৃপাণ (চুটি তৰোৱাল) কৰা (লোৰ বালা) কাচ্চা (চুটি পায়জামা)। পঞ্চ ঋণ—দেৱ ঋণ, পিতৃ ঋণ, নৰ ঋণ, ঋষি ঋণ, ভূত ঋণ। পঞ্চ নিয়ম— শৌচ, সন্তোষ, তপস্যা, স্বাধ্যায়, ঈশ্বৰ পৰিধান। পঞ্চ ব্যোম— আকাশ, মহাকাশ, পৰাকাশ, তত্বাকাশ, সূৰ্য্যাকাশ। পঞ্চ অগ্নি— (মানৱ দেহত থকা) সত্যাগ্নি (মস্তকত) হোমাগ্নি (মুখত) প্ৰাণাগ্নি (হৃদয়ত) জঠৰাগ্নি (পেটত) জননাগ্নি (সন্ধি স্থলত)। পঞ্চ মহাসাগৰ— প্ৰশান্ত, আটলাণ্টিক, ভাৰত মহাসাগৰ, দক্ষিণ মহাসাগৰ। পঞ্চ বিদ্যা—আত্ম বিদ্যা, পৰা বিদ্যা, ব্ৰহ্ম বিদ্যা, তত্ববিদ্যা, মধু বিদ্যা। পঞ্চকেদাৰ-- কেদাৰ নাথ, মদ মহেশ্বৰ, তুঙ্গনাথ, ৰুদ্ৰনাথ, কল্পেশ্বৰ। পঞ্চ সৰোবৰ— বিন্দু সৰোবৰ, নাৰায়ণ সৰোবৰ, পম্পা সৰোবৰ, পুষ্কৰ সৰোবৰ, মানস সৰোবৰ। পঞ্চ জ্ঞান— আত্মজ্ঞান, তত্বজ্ঞান, ব্ৰহ্মজ্ঞান, স্বৰূপ জ্ঞান, সম্যক দৰ্শন জ্ঞান। পঞ্চ অজ্ঞ— ঘোঁৰাৰ বেগ, বহাগ মাহৰ মেঘৰ গাজনী, তিৰোতাৰ চৰিত্ৰ, পুৰুষৰ ভাগ্য, কম-বেছি বৰষুণৰ কথা দেৱতা সকলেও নাজানে। পঞ্চ ভাব— কন্যাই দৰা জনৰ ৰূপৰ বিচাৰ,

চাৰি সিদ্ধ— সনক, সনন্দ, সনাতন, সনৎকুমাৰ। চাৰি শ্ৰেণী জীৱ— উৰণ (উৰি ফুৰা) বুৰণ (পানীত থকা) গজন (উদ্ভিদ) ভ্ৰমণ (পৰ্য্যটন কৰিব পৰা)। চাৰিবিধ জাৰ— ভাত জাৰ (জাৰকালি ভাত খোৱাৰ পিচত লগা জাৰ) ভূত জাৰ (ভূতে পোৱা বা ভয়ত কপি কপি উঠা) অলয় জাৰ (জন্ম পোৱাৰ পিচত উঠা জাৰ) আৰু প্ৰলয় জাৰ (মৰাৰ সময়ত উঠা জাৰ)। ৰাজনীতিৰ চাৰি উপায়— সাম (সন্ধি) দান (ঘোচ দিয়া) ভেদ (শত্ৰু পক্ষত অবিশ্বাস সুমুৱা) দণ্ড (মুকলি যুদ্ধ)। ভকত চাৰি শ্ৰেণী— আৰ্ত্ত (গজেন্দ্ৰ, দ্ৰোপদী) যিজ্ঞাষু (পৰীক্ষিত, অৰ্জুন, বিদুৰ, শৌনক আদি ঋষি) অৰ্থাৰ্থী (ধ্ৰুৱ, দশ প্ৰচেতাগণ) জ্ঞানী (ব্যাস, শুকদেৱ, মত্ৰয়, চাৰি সিদ্ধ আদি)। নাৰী চাৰি প্ৰকাৰ— পদ্মিনী (সৰ্ব্বোত্তমা) চিত্ৰিনী (উত্তমা) শঙ্খিনী (মধ্যমা) হস্তিনী (অধমা) পুৰুষ চাৰি প্ৰকাৰ— শশক (উত্তমোত্তম) মৃগ (উত্তম) বৃষ (মধ্যম) অশ্ব (নীচ প্ৰকৃতিৰ)। হিংসা চাৰি প্ৰকাৰ (জৈন ধৰ্মৰ মতে)— আকস্মিক, ব্যৱসায়জনক, আত্মৰক্ষ নিমিত্ত, ইচ্ছাকৃত। চাৰি খুটি— কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী। চাৰি সংহতি—ব্ৰহ্ম সংহিতা, পুৰুষ সংহতি, নিকা সংহতি, কাল সংহতি। বেদৰ চাৰি ভাগ— সংহতি, ব্ৰাহ্মণ (কৰ্ম কাণ্ডৰ ভাগ) আৰণ্যক, উপনিষদ (জ্ঞান কাণ্ডৰ ভাগ)। চাৰি প্ৰকাৰ ভকত— প্ৰাকৃত, মধ্যম, উত্তম, মহাভাগৱত। চাৰি যোগেশ্বৰ— হংস, অৰুণী, যত, বিভু (নাৰদ দাসী পুত্ৰ হৈ থাকোতে উপদেশ দিয়া সকল)। চাৰি দোষ— ভ্ৰম (বালিক পানী দেখা) প্ৰমাদ (ৰছিক সৰ্প জ্ঞান) বিপ্ৰ লিপ্সা (মাদক দ্ৰব্য, সামিষ ভোজন) কৰ্ণপাতক (অসৎ তৃষ্ণা)। চাৰি পীঠ— স্বৰ্ণ পীঠ, কাম পীঠ, ৰত্নপীঠ, সৌমাৰ পীঠ। চতুঃ শ্ৰেষ্ঠ— ৰূপৰ ভিতৰত শ্যামৰূপ, পুৰীৰ ভিতৰত মথুৰাপুৰী, বয়সৰ ভিতৰত কৈশোৰ, ৰসৰ ভিতৰত আদি ৰস শ্ৰেষ্ঠ। ঈশ্বৰ

প্ৰাপ্তিৰ চাৰি মাৰ্গ— কৰ্ম মাৰ্গ, জ্ঞান মাৰ্গ, যোগ মাৰ্গ, ভক্তি মাৰ্গ। চাৰি প্ৰদীপ—ৰাতিৰ প্ৰদীপ চন্দ্ৰ, দিনৰ প্ৰদীপ সূৰ্য্য, কুলৰ প্ৰদীপ সৎ পুত্ৰ আৰু ত্ৰৈলোক্যৰ প্ৰদীপ ধৰ্ম। চতুঃ ধ্বংসমুখী— অসন্তুষ্ট ব্ৰাহ্মণ, সন্তুষ্ট ৰজা, লজ্জাশীলা গণিকা আৰু নিলাজী বোৱাৰী অতি সোনকালে ধ্বংসৰ পথলৈ যায়। চাৰি বিশ্বাসৰ ফল— ১। গুৰুত বিশ্বাস ৰাখিলে আত্মজ্ঞান বাঢ়ে ২। বৈষ্ণৱত বিশ্বাস ৰাখিলে ভকতি বাঢ়ে ৩। হৰিত বিশ্বাস ৰাখিলে হৰিৰ চৰিত্ৰ প্ৰকাশ পায় ৪। সুহৃদত বিশ্বাস ৰাখিলে পূৰ্ণ ভকতি হৈ সংকটৰ বেলা তৰি যায়। চাৰি শ্ৰেণী পুত্ৰ— জাত ( মাতৃ তুল্য গুণেৰে জন্মা ) অনুজাত ( পিতৃ তুল্য গুণেৰে জন্মা ) অভিজাত ( পিতৃ মাতৃতকৈ অধিক গুণশীল হৈ জন্মা ) অপজাত ( অধমতকৈ অধমহৈ জন্মা বা অবাধ্য হৈ জন্মা )।

পঞ্চ শব্দ— পঞ্চামৃত— দধি, দুগ্ধ, ঘৃত, মধু, শৰ্কৰা। পঞ্চযজ্ঞ— ব্ৰহ্ম যজ্ঞ ( বেদাধ্যয়ন ) দেৱযজ্ঞ ( নিত্য হোম ) পিতৃ যজ্ঞ ( শ্ৰাদ্ধ, তৰ্পণ) নৃযজ্ঞ ( অতিথিসেৱা ) ভূত যজ্ঞ ( প্ৰাণী বিলাকক দিয়া আহাৰ )। পঞ্চোপচাৰ— গন্ধ, পুষ্প, ধূপ, দীপ, নৈবেদ্য। পঞ্চগব্য— দধি, দুগ্ধ, ঘৃত, গোমূত্ৰ, গোময়। পঞ্চ মহাভূত— ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম। পঞ্চ পিতা— জন্ম দাতা, অন্ন দাতা, বিদ্যা দাতা, উপনয়ন দিওঁতা, অভয় দাতা। পঞ্চতীৰ্থ— কামাখ্যা, উমানন্দ, অশ্বক্লান্ত, শুক্লেশ্বৰ, বশিষ্ঠাশ্ৰম। পঞ্চপল্লৱ— অশ্বত্থ, বট, আম, জৰি আহঁত, যজ্ঞ ডিমৰু। পঞ্চ বাণ— উন্মাদন, তাপন, শোষণ, সম্মোহন, স্তম্ভন। পঞ্চমকাৰ— মদ্য, মাংস, মৎস্য, মুদ্ৰা, মৈথুন। পঞ্চ মহাপাতক— ব্ৰহ্মবধ, সুৰাপান, গুৰু পত্নী গমন, সোণচুৰি আৰু এনে পাপ কৰোতাৰ লগত সংসৰ্গ। পঞ্চ লৱণ— সৈন্ধৱ, কৰ্কশ, সামুদ্ৰ, বিট্, সৌবৰ্চ্চল। পঞ্চ ৰত্ন— সোণ, ৰূপ, হীৰা, মুকুতা, পোৱাল। পঞ্চ ঘৃণা— চোকা, পটা আৰু জাতত পিহাঁ, পানীৰ কলহ, ঢেঁকীশাল, ঠাই মচা। পঞ্চতন্মাত্ৰ— ৰূপ

(অগ্নিৰ গুণ) ৰস (পানীৰ গুণ) গন্ধ (পৃথিৱীৰ গুণ) শব্দ (আকাশৰ গুণ) স্পৰ্শ (বায়ুৰ গুণ) পঞ্চ মুদ্ৰা— আৱাহন, স্থাপন, সন্নিধা, সম্বোধন, সম্মুখীকৰণ। পঞ্চ আচৰণ— শ্ৰৱণ, ভজন, ভক্তি, আচৰণ, প্ৰৱৰ্ত্তন। পঞ্চমুক্তি— সালোক্য, সাযুজ্য, সাৰুপ্য, সাষ্টি, নিৰ্ব্বাণ। পঞ্চ পুত্ৰ (দ্ৰৌপদীৰ) প্ৰতিবিন্ধ্য (যুধিষ্ঠিৰৰ ঔৰসত) শ্ৰুতসেন (ভীমৰ) শ্ৰুতকীৰ্ত্তি (অৰ্জ্জুনৰ) শতানীক (নকুলৰ) শ্ৰুতকৰ্ম্মা (সহদেৱৰ পৰা) পঞ্চকষায়— জাম, শিমলু, বগৰী, বকুল, সোণ-বৰীয়াল। পঞ্চতিক্ত— নিম ছাল, পটোলৰ মূল, বগা বাহকাৰ ছাল, আমৈলতা, কণ্টকাৰী। পঞ্চকোল— পিপলি, পিপলিৰ মূল, পিপলিৰ টৈ, আগেচিতাৰ মূল, শুকান আদা। পঞ্চ তপ— চাৰিওফালে চাৰি-কুৰা জুই আৰু ওপৰত সূৰ্য্যৰ তাপ, ইয়াৰ মাজত কৰা তপস্যা। পঞ্চ দেৱতা— সূৰ্য্য, গণেশ, দুৰ্গা, শিৱ, বিষ্ণু। পঞ্চ মহাশব্দ— শঙ্খ, মৃদঙ্গ, পাখোৱাজ, দন্দুভি, ঢোল। পঞ্চ শস্য— ধান, মাহ, সৰিয়হ, তিল, যৱ। পঞ্চ বায়ু যন্ত্ৰ— বাঁহী, পেপা, শিঙা, কালী, শঙ্খ। পঞ্চ গুৰি— যৱ ধানৰ, পতানৰ, হালধিৰ, বেলপাতৰ, ফাকু গুৰি। পঞ্চ বটী— অশ্বত্থ, বিল্ব, বট, আমলকী, অশোক। পঞ্চশীল নীতি— প্ৰাণী হত্যা নকৰা, ব্যভিচাৰী নকৰা, মিছা কথা নোকোৱা, চুৰ নকৰা, মাদক দ্ৰব্য সেৱন নকৰা। পঞ্চ পাণ্ডৱ— যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, নকুল, সহদেৱ। পঞ্চ বেনা— কলিমা, নামাজ, ৰোজা, হজ, জাকাত। পঞ্চ অখত— ফজিৰ, জহুৰ, আছাৰ, মগ্ৰিব, ঈশাৰ। পঞ্চ অঙ্গুলি— বৃদ্ধা, তৰ্জনী, মধ্যমা, অনামিকা, কণিষ্ঠা। পঞ্চানন— (শিৱ) পূৰ্ব মুখ— তৎপুৰুষ (ৰক্তবৰ্ণ) পশ্চিম মুখ— সদ্যোজাত (স্ফটিক সদৃশ) উত্তৰ মুখ— বামদেৱ (পীতবৰ্ণ) দক্ষিণ মুখ— অঘোৰ (নীলবৰ্ণ) উৰ্দ্ধভাগৰ নাম— ঈশান (শ্যাম বৰ্ণ)। পঞ্চ সত্য— (শ্ৰীকৃষ্ণই কোৱা) অন্য ধৰ্ম ত্যাগ কৰা, মোতে শৰণ লোৱা, পাপৰ পৰা মুক্ত কৰিম,

তাপৰ পৰা নিস্কৃতি দিম, মই তোমাক মোক্ষ দিম। পঞ্চ ভয়— দেহত যমৰ ভয়, ভোগত ৰোগৰ ভয়, বলত শত্ৰুৰ ভয়, ধনত চোৰৰ ভয়, গুণ আৰু মানত খল আৰু অপমানৰ ভয় আছে। পঞ্চ শাখা— (সনাতন ধৰ্ম্মৰ) বৈষ্ণৱ, শৈৱ, শাক্ত, সৌৰ, গাণপত্য। পঞ্চ ত্যাগ— ত্যাগ (সুখৰ ত্যাগ) তপ (স্বাদৰ ত্যাগ) সেৱা (স্বাৰ্থৰ ত্যাগ) সত্য (সন্দেহৰ ত্যাগ) বিনয় (সন্মানৰ ত্যাগ)। পঞ্চ লক্ষণ— (বৈষ্ণৱৰ) তিলক ধাৰণ, তুলসী মালা পৰিধান, শিখা, কৌপীন আৰু অহৰ্নিশে হৰি কীৰ্ত্তন। পঞ্চ অবিদ্যা পৰ্ব্ব— তম (স্বৰূপ পাহৰা) মোহ (অহংকাৰ হোৱা) মহামোহ (ভোগাদিত ইচ্ছা) তামিশ্ৰ (ভোগৰ প্ৰতি স্নেহ) অন্ধ তামিশ্ৰ (বিষয়ত অন্ধ হোৱা)। পঞ্চ ককাৰ—(শিখসকলৰ) কেশ (চুলি) কংঘা (ফনি) কৃপাণ (চুটি তৰোৱাল) কৰা (লোৰ বালা) কাচ্চা (চুটি পায়জামা)। পঞ্চ ঋণ—দেৱ ঋণ, পিতৃ ঋণ, নৰ ঋণ, ঋষি ঋণ, ভূত ঋন। পঞ্চ নিয়ম— শৌচ, সন্তোষ, তপস্যা, স্বাধ্যায়, ঈশ্বৰ পৰিধান। পঞ্চ ব্যোম— আকাশ, মহাকাশ, পৰাকাশ, তত্বাকাশ, সূৰ্য্যাকাশ। পঞ্চ অগ্নি— (মানৱ দেহত থকা) সত্যাগ্নি (মস্তকত) হোমাগ্নি (মুখত) প্ৰাণাগ্নি (হৃদয়ত) জঠৰাগ্নি (পেটত) জননাগ্নি (সন্ধি স্থলত)। পঞ্চ মহাসাগৰ— প্ৰশান্ত, আটলান্টিক, ভাৰত মহাসাগৰ, দক্ষিণ মহাসাগৰ। পঞ্চ বিদ্যা—আত্ম বিদ্যা, পৰা বিদ্যা, ব্ৰহ্ম বিদ্যা, তত্ববিদ্যা, মধু বিদ্যা। পঞ্চকেদাৰ-- কেদাৰ নাথ, মদ মহেশ্বৰ, তুঙ্গনাথ, ৰুদ্ৰনাথ, কল্পেশ্বৰ। পঞ্চ সৰোবৰ— বিন্দু সৰোবৰ, নাৰায়ণ সৰোবৰ, পম্পা সৰোবৰ, পুষ্কৰ সৰোবৰ, মানস সৰোবৰ। পঞ্চ জ্ঞান— আত্মজ্ঞান, তত্বজ্ঞান, ব্ৰহ্মজ্ঞান, স্বৰূপ জ্ঞান, সম্যক দৰ্শন জ্ঞান। পঞ্চ অজ্ঞ— ঘোঁৰাৰ বেগ, বহাগ মাহৰ মেঘৰ গাজনী, তিৰোতাৰ চৰিত্ৰ, পুৰুষৰ ভাগ্য, কম-বেছি বৰষুণৰ কথা দেৱতা সকলেও নাজানে। পঞ্চ ভাব— কন্যাই দৰা জনৰ ৰূপৰ বিচাৰ,